● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


## দিগ্‌দৰ্শন

জীৱনত এজন বন্ধু লাভ কৰাটোৱেই যথেষ্ট, দুজন পোৱাটো ততোধিক, তিনিজন কাচিৎহে সম্ভৱ হ'ব পাৰে।

**হেনৰি ব্ৰুকছ আডাম্‌ছ**
*আমেৰিকাৰ বুৰঞ্জীবিদ*




www.dainikagradoot.in



৫ তাহানি আইতাহঁতে কৈছিল
১৫ দ্বিতীয় টি-২০ত জয়ৰে শৃংখলা লাভ ভাৰতৰ
৪ সংবিধান কেৱল মাত্ৰ কেইখিলামান পাত নহয়



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৪০তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৪ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৭ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 27 February 2022 মূল্য ঃ ৯.০০ টকা



দেওবৰীয়া চৰ্চাত
হিন্দু ধৰ্ম সংকটত নে?
পৃষ্ঠা ঃ সাত


■ ৰাজপথত মৰণপণ যুঁজত ইউক্ৰেইনৰ সেনাৰ স'তে সাধাৰণ নাগৰিক ■ ৰাষ্ট্ৰসংঘত ৰাছিয়া বিৰোধী প্ৰস্তাৱত ভোটদানৰ পৰা বিৰত ভাৰত ■ আমেৰিকাৰ পৰা অস্ত্ৰ বিচাৰিলে জেলেন'স্কীয়ে

# ৰাজধানী কিয়েভত চলিছে চূড়ান্ত যুদ্ধ

■ উভয় পক্ষৰ শ শ সৈন্য-শিশু-সাধাৰণ নাগৰিকৰ মৃত্যু
■ প্ৰাণৰক্ষাৰ বাবে চুবুৰীয়া দেশলৈ পলায়ন হেজাৰ হেজাৰ লোকৰ

■ নিউজ ব্যুৰ'

**কিয়েভ, ২৬ ফেব্ৰুৱাৰী ঃ** আৰম্ভ হ'ল চূড়ান্ত যুঁজ। যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ ৰাজপথত এতিয়া ৰাছিয়াৰ সেনাবাহিনীৰ স'তে তুমুল যুঁজ চলিছে দেশখনৰ সেনাৰ। শুনিবলৈ পোৱা গৈছে কেৱল বিস্ফোৰণ আৰু গুলিচালনাৰ শব্দ। ৰুছ দখলদাৰী বাহিনীক প্ৰতিহত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে ইউক্ৰেইন সেনাই। কিয়েভৰ পথত মুখামুখি ৰণত নামি পৰিছে ৰাছিয়া আৰু ইউক্ৰেইনৰ সেনাবাহিনী। ৰাজধানী নগৰীখনৰ কে'বামহলীয়া ঘৰবোৰ লক্ষ্য কৰি প্ৰতি মুহূৰ্ততে ক্ষেপণাস্ত্ৰ আক্ৰমণ কৰিছে ৰাছিয়াই। বৰফৰ চাদৰ আঁতৰাই এই ১০ পৃষ্ঠাত চাওক



হৰিনামৰ ধ্বনিৰে মুখৰিত ৰাঙলী পথাৰৰ আকাশ-বতাহ


## চেৰ্ণ'বীলৰ সংলগ্ন অঞ্চলত প্ৰসাৰিত হৈ আছে গামা ৰশ্মি ঃ ইউক্ৰেইন


### পাৰমাণৱিক শক্তি কেন্দ্ৰৰ পৰা বৃদ্ধি বিকিৰণৰ মাত্ৰা

■ নিউজ ব্যুৰ'

**কিয়েভ, ২৬ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ সমীপৱৰ্তী চেৰ্ণ'বীলৰ পাৰমাণৱিক শক্তি উৎপাদন কেন্দ্ৰ আৰু ইয়াৰ সংলগ্ন অঞ্চলসমূহত অত্যন্ত ক্ষতিকাৰক গামা ৰশ্মি ১০ পৃষ্ঠাত চাওক

### আত্মঘাতী হৈ ৰুছ সেনাৰ বাট ভেটিবলৈ দলং উৰুৱালে





■ নিউজ ব্যুৰ'

**কিয়েভ, ২৬ ফেব্ৰুৱাৰী ঃ** যুদ্ধবিধ্বস্ত ইউক্ৰেইনত দেশপ্ৰেমৰ বাবে চৰম আত্মত্যাগৰ নিদৰ্শন দাঙি ধৰি এজন সেনাই শৰীৰত মাইন বিস্ফোৰণ ১০ পৃষ্ঠাত চাওক

## কাজিৰঙা উদ্যান পৰিদৰ্শন ৰাষ্ট্ৰপতিৰ পত্নী-কন্যাই

জীপ ছাফাৰী বাতিল কৰিলে ক'ৱিন্দই



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৬ ফেব্ৰুৱাৰী ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজি উপস্থিত হয় ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দ। আজি তেজপুৰৰ পৰা হেলিকপ্টাৰেৰে ১০ পৃষ্ঠাত চাওক

## ট্ৰেক্টৰেৰে টানি আনিলে ৰাষ্ট্ৰপতিৰ হেলিকপ্টাৰ

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২৬ ফেব্ৰুৱাৰী ঃ** আজি ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দক তেজপুৰৰ পৰা বোকাখাতলৈ কঢ়িয়াই অনা হেলিকপ্টাৰখনৰ বাবে গোলাঘাট জিলা প্ৰশাসনে কিছু সময়ৰ বাবে গভীৰ উৎকণ্ঠাত ভুগিবলগীয়া ১০ পৃষ্ঠাত চাওক

■ ৰাষ্ট্ৰপতি ক'ৱিন্দৰ মুখত সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীত

## ৰাজ্যৰ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণৰ বাবে যুৱপ্ৰজন্ম প্ৰথম শাৰীত থিয় হওক



### তেজপুৰ বিশ্ববিদ্যালয়ত নিৰ্মাণ হ'ব অত্যাধুনিক ক্ৰীড়া প্ৰকল্প ঃ মুখ্যমন্ত্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** 'অসমক প্ৰকৃতিয়ে অতি বিশেষভাৱে প্ৰাকৃতিক সৌন্দৰ্য উপহাৰ দিছে। ইয়াৰ সমৃদ্ধিশালী জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণৰ দায়িত্ব ৰাজ্যখনত বাস কৰা প্ৰতিজনৰে আছে। বিশেষকৈ এই ক্ষেত্ৰত যুৱ প্ৰজন্মই সন্মুখৰ শাৰীত থাকি এই দায়িত্ব পালন কৰিব লাগিব।' এই মন্তব্য ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দৰ। তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাৱৰ্তনত ১০ পৃষ্ঠাত চাওক

■ আজি অন্ত পৰিব শংকৰ সংঘৰ বাৰ্ষিক অধিবেশনৰ

## গুৰুজনাৰ অতুলনীয় কৰ্মৰাজি আমাৰ বাবে সঞ্জীৱনী সুধাস্বৰূপ



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া/নামৰূপ/টিংখাং, ২৬ ফেব্ৰুৱাৰী ঃ** 'গুৰুজনাই পাঁচশ বছৰৰ পূৰ্বেই একশৰণ হৰিনাম ধৰ্মৰ যোগেদি মানৱধৰ্ম প্ৰচাৰ কৰাৰ লগতে বৃহত্তৰ অসমীয়া জাতিৰ সামাজিক-সাংস্কৃতিক ভেটি সুদৃঢ় কৰিছিল।' এই মন্তব্য কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ ১০ পৃষ্ঠাত চাওক




দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী, দেওবাৰ ২০২২ পৃষ্ঠা তিনি

## গোৱালপাৰা পৌৰসভা নিৰ্বাচনত ৫৮ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ৪২,৩২১ গৰাকী ভোটাৰে

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৬ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা পৌৰসভা দখলৰ বাবে শাসনাধিষ্ঠিত বিজেপিৰ লগতে কংগ্ৰেছে তৎপৰতা চলাইছে। গোৱালপাৰা পৌৰসভাৰ অন্তৰ্গত ১৯ টা ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা কৰা মুঠ ৫৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ৪২,৩২১ গৰাকী ভোটাৰে। ইয়াৰে ৭২৪ গৰাকী ভোটাৰ থকা এক নম্বৰ ৱাৰ্ডত বিজেপিৰ অকন কলিতা, কংগ্ৰেছৰ ভাৰতী কৰ্মকাৰ দেৱ লগতে নিৰ্দলীয় হিচাপে জিণ্টী দাস আৰু প্ৰিয়ংকা শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। একেদৰে ৮৭৩ গৰাকী ভোটাৰ থকা দুই নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ আঠ পৃষ্ঠাত চাওক

## প্ৰমোদ বড়ো জাতিৰ খলনায়ক, আৰএছএছৰ ভৰিত ধৰি চুক্তি কৰিছে ঃ ব্ৰহ্ম

**অগ্ৰদূত বাৰ্তা,**
**শালবাৰী, ২৬ ফেব্ৰুৱাৰী ঃ** বাগ্সা জিলাৰ খাগ্ৰাবাৰীত পূৰ্বৰ এনডিএফবিৰ ৰঞ্জন দৈমাৰী গোটৰ উপ-সভাপতি জি ৰিফিকাওৰ ঘৰত আজি উপস্থিত হয় প্ৰাক্তন মন্ত্ৰী প্ৰমিলাৰাণী ব্ৰহ্ম। দুদিন পূৰ্বে ৰিফিকাওৰ পিতৃৰ মৃত্যু হয় যদিও বহুবাৰ আবেদন কৰিও তেওঁ ঘৰত আহি পিতৃক শ্ৰদ্ধাঞ্জলি জনাব পৰা নাই ৰিফিকাওে। যাৰ বাবে পৰিয়ালৰ লোকে দুখ প্ৰকাশ কৰিছে। সেই ঘটনাৰ বাবে বাগ্সাৰ উপায়ুক্তক নিন্দা কৰে প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে। ৰিফিকাওৰ পিতৃ বিয়োগৰ খবৰ পাই প্ৰাক্তন মন্ত্ৰী ব্ৰহ্মই উপস্থিত হয় তেওঁৰ পৰিয়ালত। সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত প্ৰমোদ বড়োক আক্ৰমণৰ লক্ষ্য কৰি লৈ প্ৰাক্তন মন্ত্ৰী ব্ৰহ্মই কয়, 'দিল্লীত গৈ আৰএছএছৰ ভৰিত ধৰি প্ৰমোদ বড়োৱে চুক্তি কৰি আহিছে। যি চুক্তিৰ দ্বাৰা বড়ো সমাজৰ সকলো অধিকাৰ খৰ্ব কৰা হৈছে। হাগ্ৰামা মহিলাৰীৰ যি উদ্দেশ্য, এনডিএফবিৰ যি উদ্দেশ্য; সেই উদ্দেশ্য পূৰণ হ'বলৈ নিদিয়াৰ প্ৰধান কালপ্ৰিট হৈছে প্ৰমোদ বড়ো। তেওঁ চুক্তি কৰি জাতিৰ সংগ্ৰামত খলনায়ক হৈ ধূলিসাৎ কৰিছে সকলো।'

■ চামগুৰিত পাঁচ কোটি টকা মূল্যৰ ড্ৰাগ্ছ জব্দ কৰিলে নগাঁও আৰক্ষীয়ে ■ ৰাষ্ট্ৰপতি অহাৰ প্ৰাক্মুহূৰ্তত আৰক্ষীৰ ঘাইপথৰ নিৰাপত্তা ব্যৱস্থা ভেদ কৰি ড্ৰাগ্ছ সৰবৰাহ ■ ইম্ফলৰ দুই ড্ৰাগ্ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

# মণিপুৰ-নগালেণ্ডৰ পৰা নগাঁৱৰে সৰবৰাহ ড্ৰাগছ



**বিশেষ সংবাদদাতা/তাঅগ্ৰদূত বাৰ্তা**
**নগাঁও/চামগুৰি, ২৬ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দ কাজিৰঙালৈ অহাৰ প্ৰাক্মুহূৰ্তত ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাকো ভেদ কৰি নিষিদ্ধ ড্ৰাগ্ছ সৰবৰাহ কৰা এক ঘটনাই সম্প্ৰতি চিন্তাৰ উদ্ৰেক ঘটাইছে। সুদূৰ মণিপুৰৰ ইম্ফলৰ পৰা গুৱাহাটীলৈ বিলাসী গাড়ীৰে কঢ়িয়াই অনা পাঁচ কোটি টকা মূল্যৰ ড্ৰাগ্ছ আজি পুৱা আৰক্ষীয়ে নগাঁও জিলাৰ চামগুৰিৰ ৰঙাগড়াত জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ড্ৰাগ্ছ সৰবৰাহ কৰা ইম্ফলৰ দুজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে এখন ছুইফ্ট ডিজায়াৰ গাড়ীও জব্দ কৰে। নগাঁৱৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ ৰঙাগড়াৰ ৩৭ নম্বৰ ঘাইপথত আজি পুৱা ৮-৩০ বজাত চলোৱা অভিযানত এই বৃহৎ পৰিমাণৰ ড্ৰাগ্ছ জব্দ কৰিবলৈ সক্ষম হয়। চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৱন কলিতাই সংবাদ মাধ্যমক জনোৱা মতে, আৰক্ষীৰ চোৰাংচোৱাই দিয়া খবৰৰ ভিত্তিত অভিযান চলাই ড্ৰাগ্ছৰ লগতে দুজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়। ড্ৰাগ্ছ সৰবৰাহকাৰীদ্বয়ে ইম্ফলৰ পৰা গুৱাহাটীলৈ ড্ৰাগ্ছখিনি সৰবৰাহ কৰাৰ চেষ্টা কৰিছিল। জব্দ কৰা ড্ৰাগ্ছখিনিৰ মূল্য পাঁচ কোটি টকা হ'ব বুলি আৰক্ষী বিষয়া কলিতাই জানিবলৈ দিয়ে। আঠ পৃষ্ঠাত চাওক

## লালুক সোণাপুৰত ছাত্ৰী নিৰুদ্দেশ

**অগ্ৰদূত বাৰ্তা**
**লালুক, ২৬ ফেব্ৰুৱাৰী ঃ** লালুক থানাৰ অন্তৰ্গত দল'হাট আৰক্ষী চকীৰ অন্তৰ্গত বাৰমাইল সোণাপুৰ গাঁৱৰ ধনেশ্বৰ গগৈৰ কন্যা তথা সোণাপুৰ পুখুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম মানৰ ছাত্ৰী চেনীমাই গগৈ (১৭) যোৱা ২১ ফেব্ৰুৱাৰীৰ পৰা নিৰুদ্দেশ হৈ আছে। ছাত্ৰীগৰাকী নিজ গৃহৰ পৰা ১১ মান বজাৰ পৰা ঘৰত কোনো নথকা অৱস্থাৰ পৰা নিৰুদ্দেশ হয়। একমাত্ৰ কন্যা সন্তানৰ পিতৃ ধনেশ্বৰ আৰু মাতৃ প্ৰতীমা গগৈয়ে আঠ পৃষ্ঠাত চাওক

■ চিন্তাত ভাত পানী এৰিছে যুৱকজনৰ পৰিয়ালে

## ইউক্ৰেইনত আবদ্ধ ধুবুৰীৰ ছাত্ৰ



**অগ্ৰদূত বাৰ্তা**
**গৌৰীপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ আক্ৰমণত এক প্ৰকাৰ বিধ্বস্ত হৈ পৰা ইউক্ৰেইনত আবদ্ধ হৈ আছে ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত পানবাৰী অঞ্চলৰ আশিক হুছেইন সৰকাৰ নামৰ এজন চিকিৎসা বিজ্ঞানৰ ছাত্ৰ। আলমগঞ্জ নৱম খণ্ড গাঁৱৰ বাসিন্দ তথা বিএছএফৰ অৱসৰপ্ৰাপ্ত জোৱান নুৰ মহম্মদ সৰকাৰৰ পুত্ৰ আশিকে ইউক্ৰেইনৰ ছুমি ৰাজ্যৰ ৰাজধানী অঞ্চলত আবদ্ধ হৈ পৰিছে। আজি ম'বাইল যোগে কৰা বাৰ্তালাপত ছাত্ৰজনে ইউক্ৰেইনত খাদ্যৰ অভাৱত ভুগিব লগা হৈছে বুলি সদৰী কৰে। ৰাছিয়াৰ লগত ইউক্ৰেইনৰ যুদ্ধ হোৱাৰ আগদিনা আশিকে কিছু বিস্কুট আৰু অন্যান্য খাদ্য সামগ্ৰী মজুত কৰি ৰাখিছিল যদিও সেয়া সমাপ্ত হোৱাৰ পথত। ৰাছিয়াৰ ভয়াৱহ আক্ৰমণৰ বাবে ইউক্ৰেইনৰ ছুমি অঞ্চলত আঠ পৃষ্ঠাত চাওক

কোচৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত কেৱল প্ৰতিশ্ৰুতিৰ নামত প্ৰতিশ্ৰুতি দি নাথাকিবলৈ চৰকাৰক সকীয়নি চিলাৰায় উন্নয়ন মঞ্চৰ

## সমস্যা সমাধান নহলে ভয়াবহ আন্দোলনৰ হুংকাৰ

**অগ্ৰদূত বাৰ্তা**
**দোতমা ২৬ ফেব্ৰুৱাৰী ঃ** আজি চিলাৰায় উন্নয়ন মঞ্চৰ উপ-সভাপতি হৃদয় কুমাৰ ৰায়ে আজি এক বিবৃতিযোগে কয় যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুলীয়াজানত অনুষ্ঠিত কৰা এখন সংবাদমেলত ঘোষণা কৰিছিল যে ফেব্ৰুৱাৰীত ৬ জনগোষ্ঠীৰ নেতৃত্ব আৰু বৰ্তমানৰ জনজাতি সংগঠনৰ নেতৃত্বৰ মাজত মুখামুখি বৈঠক অনুষ্ঠিত কৰিব আৰু সেই বৈঠকৰ পিছতেই জনজাতিকৰণৰ বিষয়টোক লৈ বহু ইতিবাচক দিশ দেখা পোৱা যাব। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে আজিলৈকে সেই মুখামুখি বৈঠক খন অনুষ্ঠিত নহ'ল। হৃদয় ৰায়ে আৰু কয় যে ফেব্ৰুৱাৰী শেষ হবলৈ মাত্ৰ দুদিন থকা অৱস্থাত চৰকাৰে এই বিষয়টোক অনন্তকাললৈ যে ঠেলি দিব বিচাৰিছে সেয়া ৰাজ্য চৰকাৰৰ কথা আৰু কামৰ মাজত থকা বৃহৎ পাৰ্থক্যই পৰিস্ফূত কৰিছে। কেৱল কথাৰ ফুলজাৰিৰে মুখ্যমন্ত্ৰীয়ে কোচ-ৰাজবংশী জাতিকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ উন্নয়নৰ ফটা ঢোলহে যে বজাই আছে সেয়াও স্পষ্ট হৈ পৰিছে। বিভিন্ন ৰাজনৈতিক ললিপপেৰে জনজাতিকৰণৰ বিষয়টোক নিঃশেষ কৰিব বিচৰা এই চৰকাৰখনৰ ভূমিকা অতি ৰহস্যজনক বুলি বিবৃতিটোত উল্লেখ কৰিছে ৰায়ে। প্ৰতিটো নিৰ্বাচনৰ আগমুহূৰ্তত জনজাতিকৰণৰ বিষয়টোৱে এক বিশেষ গুৰুত্ব লাভ কৰে যদিও নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ পাছতেই সকলোৱে এই বিষয়টোক লৈ পিছ হুঁহুকি অহা দেখিবলৈ পোৱা যায়। এয়া কোচ-ৰাজবংশী জাতিৰ কাৰণে চৰম অপমানজনক আৰু দুখ লগা কথা বুলি ৰায়ে উল্লেখ কৰে ৰায়ে। লগতে চিলাৰায় উন্নয়ন মঞ্চই অসম চৰকাৰক জনজাতিকৰণ সংক্ৰান্তত চূড়ান্ত বৈঠক অনুষ্ঠিত কৰি প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱাৰ এক নিৰ্দিষ্ট তাৰিখ ঠিৰাং কৰিবলৈ দাবী জনাইছে। কেৱল প্ৰতিশ্ৰুতিৰ নামত প্ৰতিশ্ৰুতি চিলাৰায় উন্নয়ন মঞ্চই কেতিয়াও সহ্য নকৰে বুলি তেওঁ হুংকাৰ দিয়ে। যদিহে জনজাতিকৰণ সন্দৰ্ভত অসম চৰকাৰে শীঘ্ৰেই এক ইতিবাচক সিদ্ধান্ত গ্ৰহণ নকৰে তেন্তে চিলাৰায় উন্নয়ন মঞ্চই জনজাতিকৰণৰ আন্দোলনত জঁপিয়াই পৰিব বুলি সকীয়াই দিয়ে।

কোকৰাঝাৰত এ বি এমছুৰ অষ্টম দ্বিবাৰ্ষিক অধিবেশনৰ সামৰণি

## ধৰ্মীয় সংখ্যালঘুক ভূমিৰ অধিকাৰৰ পৰা খৰ্ব কৰা হৈছে ঃ ইছলাম

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ ২৬ ফেব্ৰুৱাৰী ঃ** সমাজত জীয়াই থাকিবলৈ ভূমিৰ অধিকাৰ অতীকৈ প্ৰয়োজনী। বিটিআৰত মানুহ হিচাপে জীয়াই থাকিবলৈ যি ন্যূনতম ভূমিৰ অধিকাৰ তাকো খৰ্ব কৰা হৈছে । এই অভিযোগ সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি আশ্ৰাফুল ইছলামৰ । উল্লেখ্য যে, কোকৰাঝাৰ চহৰৰ ৰয়নাডাব্ৰীত আজি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ কোকৰাঝাৰ জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকি এবিএমছুৰ কেন্দ্ৰীয় সভাপতি ইছলামে অসম তথা বিটিআৰত ধৰ্মীয় সংখ্যালঘু জনতাৰ ভূমিৰ অধিকাৰৰ ক্ষেত্ৰত চৰম ভাবুকিৰ সন্মুখীন হোৱা বুলি অভিযোগ উত্থাপন কৰে । তেওঁ এইক্ষেত্ৰত সংখ্যালঘু ৰাইজৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ অসম চৰকাৰক দাবী জনোৱাৰ লগতে অসমৰ ভূমিত যুগ যুগান্তৰৰ পৰা বসবাস কৰি অহা খিলঞ্জীয়া মুছলমান সকলক ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰা কাৰ্য কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি হুংকাৰ দিয়ে। ইছলামে ছাত্ৰ নেতা লাফিকুল ইছলাম আঠ পৃষ্ঠাত চাওক

■ গাড়ীৰ ওপৰত বাগৰি পৰিল প্ৰকাণ্ড গছ

## দেওশালত পথ দুৰ্ঘটনাত নগাঁৱৰ এছবিআইৰ দুই বিষয়া নিহত



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৬ ফেব্ৰুৱাৰী ঃ** যোৱা নিশা প্ৰায় ৮-১০ বজাত জাগীৰোডৰ সমীপৰ দেওশাল মন্দিৰৰ সমীপত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত নগাঁওস্থিত ভাৰতীয় ষ্টেট বেংকৰ এটা শাখাৰ দুজন বিষয়াই কৰুণ মৃত্যুক সাৱটি ল'বলগীয়া হয়। দুৰ্ঘটনাটোত নিহত বেংক বিষয়া দুজন হ'ল নগাঁও চহৰৰ খুটিকটীয়া শাখা ভাৰতীয় ষ্টেট বেংকৰ মুখ্য প্ৰৱন্ধক কৃষ্ণ বাহাদুৰ ঠাকুৰী (৪৫) আৰু দীপ পাল (২৯)। দুয়োজন গুৱাহাটীৰ বাসিন্দা। প্ৰাপ্ত তথ্য অনুসৰি, কালি সন্ধিয়া দুয়ো নগাঁৱৰ পৰা এএছ-০২ বি-৯৭২৩ নম্বৰৰ এখন ব্যক্তিগত বাহনৰে গুৱাহাটীলৈ গৈ থকাৰ পথত জাগীৰোডৰ সীতাজখলাত চাহ কৰি কিছুসময় বিশ্ৰাম লয়। তাৰ পাছত কিনকিনিয়া বৰষুণৰ মাজতে দুয়ো পুনৰ যাত্ৰা আৰম্ভ কৰে। গাড়ীখন বেংক বিষয়া ঠাকুৰীয়ে নিজেই চলাইছিল। বেংক বিষয়া দুজন গাড়ীৰে কিছু দূৰ যোৱাৰ পাছতে দেওশাল মন্দিৰৰ সমীপতে পথৰ দাঁতিত থকা এজোপা প্ৰকাণ্ড আঁহত গছ গাড়ীখনৰ ওপৰত বাগৰি পৰাত শোকাবহ ঘটনাটো সংঘটিত হয়। নিশাই জাগীৰোড আৰক্ষীয়ে বিষয়াদ্বয়ৰ মৃতদেহ উদ্ধাৰ কৰি আঠ পৃষ্ঠাত চাওক

■জংগী আন্দোলনৰ হুংকাৰ গাৰো জাতীয় পৰিষদৰ

## স্বায়ত্ত শাসন প্ৰদানৰ দাবীত বকোৰ সাপ্তাহিক বজাৰত কলা বেজ পৰিধান কৰি প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**বকো, ২৬ ফেব্ৰুৱাৰী ঃ** অসমৰ গাৰো অসমত ৰখা আৰু গাৰোসকলক স্বায়ত্বশাসন প্ৰদানৰ দাবীত সাতটাকৈ গাৰো জাতীয় সংগঠনে এলানি প্ৰতিবাদৰ কাৰ্যসূচী হাতত লৈছে। যোৱা ২৪ ফেব্ৰুৱাৰীত ছয়গাঁৱৰ শান্তিপুৰত কামৰূপৰ প্ৰায় ৮৫খন গাঁৱৰ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত প্ৰতিবাদী সভাত ঘোষণা কৰিছিল এই প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰথম কাৰ্যসূচীৰূপে আজি কামৰূপ আৰু গোৱালপাৰা জিলাৰ সাতোটাকৈ গাৰো জাতীয় সংগঠনৰ বিষয়ববীয়াসহ খেতিয়ক তথা গাঁওবাসীয়ে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পুৱাৰ ভাগত গাৰো ব্যৱসায়ীসকলে ক'লা আঠ পৃষ্ঠাত চাওক

■ যোৰহাটত শাসক-বিৰোধীৰ তুমুল প্ৰতিদ্বন্দ্বিতা হ'ব ■

## পৌৰসভা দখল কৰা সহজ নহ'ব বিজেপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৬ ফেব্ৰুৱাৰী ঃ** সমাগত পৌৰসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ক্ৰমে উত্তাল হৈ পৰিছে যোৰহাটৰ নিৰ্বাচনী বতাহ। যোৰহাট পৌৰসভাৰ ১৯ টা ৱাৰ্ডৰ অধিকাংশ ৱাৰ্ডতে এইবাৰ শাসকীয় দলটো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। উল্লেখ্য যে বিজেপিয়ে তিনিখন আসন মিত্ৰদল অগপক এৰি দিয়াৰ বিপৰীতে প্ৰধান বিৰোধী দলটোৱে ১৯ টা ৱাৰ্ডৰ ১৯ টাতে এককভাৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইতিমধ্যে দুয়োটা দলেই ভোট ভিক্ষা কৰি ৰাইজৰ মাজত সোমাই পৰিছে। প্ৰধান বিৰোধী কংগ্ৰেছে বিগত কাৰ্যকালত বিজেপিয়ে পৌৰসভা গঠন কৰাৰ পাছত আভ্যন্তৰীণ কন্দলৰ বাবে চাৰিবাৰকৈ পৌৰপতি সলনি কৰা আৰু বিজেপিয়ে পৌৰসভাখনৰ ব্যৰ্থতাকে মূল ইছ্যুৰূপে লৈ প্ৰাৰ্থী আৰু দলীয় সদস্যসকলে ৰাইজৰ কৰদাতা ৰাইজৰ মাজত সোমাবলৈ চেষ্টা কৰাৰ বিপৰীতে নতুন নতুন প্ৰতিশ্ৰুতি আৰু কেন্দ্ৰ-ৰাজ্যত বিজেপিৰ চৰকাৰ থকাৰ কথা দোহাই দি উন্নয়নৰ সপোন দেখুৱাইছে শাসকীয় মিত্ৰদল বিজেপি-অগপই। পৌৰসভাত জয়-পৰাজয় নিৰ্ভৰ কৰে প্ৰাৰ্থীৰ যোগ্যতা আৰু ৱাৰ্ডত থকা জনপ্ৰিয়তাৰ ওপৰত। এই ক্ষেত্ৰত দুয়োটা দলে গুৰুত্ব দিছে যদিও বহু ক্ষেত্ৰত দুয়োটা দলেই উজুটি খাইছে। যোৱাবাৰ বিজেপিয়ে প্ৰথমবাৰৰ বাবে পৌৰসভা দখল কৰাৰ পাছত পৌৰপতিৰ দৰে গুৰুত্বপূৰ্ণ পদৰ বাবে উপযুক্ত প্ৰাৰ্থী উলিয়াব নোৱাৰাৰ কলংক মচিবলৈ এইবাৰ চেষ্টা কৰা দেখা গৈছে যদিও পৌৰপতি আঠ পৃষ্ঠাত চাওক

## বঙাইগাঁও জিলা নিৰীক্ষণ সমিতিৰ সভা সম্পন্ন

**অগ্ৰদূত ব্যুৰ',**
**বঙাইগাঁও, ২৬ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াৰ সভাপতিত্বত জিলা উপায়ুক্তৰ সভাকক্ষত আজি স্বাস্থ্য বিভাগৰ জিলা নিৰীক্ষণ সমিতিৰ এখন সভা অনুষ্ঠিত হয়। অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) শ্যামল ক্ষেত্ৰ গগৈ, উপ-আৰক্ষী অধীক্ষক, জিলা ছাৰ্ভিলেন্স বিষয়া, জিলা ছাৰ্ভিলেন্স গোটৰ আন আন কৰ্মকৰ্তা, আই ডি এছ পিৰ বিষয়ববীয়াসকল, সংক্ৰামক ৰোগৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ আঠ পৃষ্ঠাত চাওক

## জামুগুৰি বিজেপিৰ ৩৬ দফীয়া ইস্তাহাৰ পত্ৰ প্ৰকাশ বিধায়ক হাজৰিকাৰ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৬ ফেব্ৰুৱাৰীঃ** পৌৰসভা নিৰ্বাচনক লৈ শাসক বিৰোধীৰ তীব্ৰ প্ৰচাৰ অভিযানৰ মাজতে শনিবাৰে জামুগুৰি পৌৰসভাৰ নিৰ্বাচনক লৈ বিজেপিয়ে প্ৰকাশ কৰে ইস্তাহাৰ পত্ৰ। জামুগুৰিহাটৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত বিধায়ক পদ্ম হাজৰিকাই ৩৬ দফীয়া এই ইস্তাহাৰ পত্ৰ মুকলি কৰে। মূলত জামুগুৰিহাটক সৰ্বাংগসুন্দৰ কৰাৰ লক্ষ্য আগত ৰাখি 'ক্লীন জামুগুৰি গ্ৰীণ জামুগুৰি' গঢ়ি তোলা, ডিচেম্বৰৰ ভিতৰত ইতিমধ্যে ২৮ কোটি টকাৰে নিৰ্মাণ কাৰ্য চলি থকা বাৰেচহৰীয়া ভাঁওনাৰ সাংস্কৃতিক প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰি তোলা, বাৰেচহৰীয়া ভাঁওনা উদ্যাপনস্থলী পকামুৱা পথাৰৰ ভূমি চৰকাৰীভাৱে ক্ৰয় কৰি সু-পৰিকল্পিতভাৱে ভূমিখণ্ডৰ উন্নয়ন, জামুগুৰি নগৰাঞ্চলত আৰবান ডেভলপমেণ্ট বৰ্ডৰ দ্বাৰা বিশুদ্ধ খোৱাপানী যোগানৰ সু-ব্যৱস্থা, পৌৰসভা অঞ্চলত পৰ্যাপ্ত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা, জামুগুৰি সাহায্যপ্ৰাপ্ত চিকিৎসালয়ক ৩০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নত কৰা, পৌৰসভা অঞ্চলত উন্নত মানৰ শ্মশান নিৰ্মাণ কৰা, ইতিহাস প্ৰসিদ্ধ পুখুৰীসমূহ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হোৱাকৈ গঢ়ি তোলাকে আদি কৰি ৩৬ দফীয়া ইস্তাহাৰ পত্ৰ জামুগুৰি পৌৰ অঞ্চলৰ ৰাইজৰ বাবে প্ৰকাশ কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। ইস্তাহাৰ আঠ পৃষ্ঠাত চাওক

## টিহু পৌৰসভাত মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰ



**অগ্ৰদূত বাৰ্তা**
**টিহু, ২৬ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ পৌৰসভা নিৰ্বাচনৰ বাবে সমগ্ৰ ৰাজ্যৰ লগতে টিহু পৌৰসভাৰ প্ৰাৰ্থীসকলে নিজৰ নিজৰ ৱাৰ্ডসমূহত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে। ১০টা ৱাৰ্ডৰে গঠিত টিহু পৌৰসভা দখলৰ বাবে শাসকীয় বিজেপিৰ নেতা-মন্ত্ৰীয়েও প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। বিজেপিৰ কৰ্মকৰ্তাসকলৰ লগতেই যুৱ মৰ্চাৰ কৰ্মীসকলেও প্ৰাৰ্থীসকলক লগত লৈ ৱাৰ্ডসমূহত ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ উন্নয়নৰ স্বাৰ্থত বিজেপিক ভোট দিবলৈ আহ্বান জনায়। আজি টিহু পৌৰসভাৰ প্ৰচাৰ চলাবলৈ এছ টি মৰ্চাৰ নলবাৰী জিলাৰ সভাপতি হিতেশ ব্ৰহ্ম, আই টি ডিৰ সভাপতি বিনয় বড়ো আৰু এছ টি মৰ্চাৰ টিহু মণ্ডলৰ সভাপতি অমৰ সিং বড়োই পৌৰসভাৰ ৱাৰ্ডসমূহত প্ৰাৰ্থীসকলক লগত লৈ প্ৰচাৰ চলায়। টিহু পৌৰসভাৰ চাৰি নম্বৰ ৱাৰ্ডৰ বিজেপি আৰু অগপ মিত্ৰজোঁটৰ আঠ পৃষ্ঠাত চাওক

## হোজাইত আৰক্ষীৰ নামত ধন বিচাৰি গ্ৰেপ্তাৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২৬ ফেব্ৰুৱাৰী ঃ** হোজাইৰ মোৱাঝাৰত আৰক্ষীৰ নামত ধন দাবী কৰি গ্ৰেপ্তাৰ হ'ল গাঁওৰক্ষী বাহিনীৰ এজন সম্পাদক। মোৱাঝাৰ আৰক্ষী থানাত পঞ্জীয়ন হৈ থকা এটা গোচৰ মীমাংসাৰ নামত ধন দাবী কৰাৰ অভিযোগত মোৱাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে চামৰালি বজাৰ গাঁৱৰ ৰছিদ আহমেদ নামৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদকজনক। হোজাইৰ ডবকা ৰাজহ চক্ৰৰ অধীনস্থ চামৰালি বজাৰ গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক আহমেদে বিভিন্ন গোচৰ মীমাংসাৰ ভুৱা প্ৰলোভন দি সাধাৰণ লোকৰ পৰা দীৰ্ঘদিন ধৰি ধন সংগ্ৰহ কৰি অহাৰ গুৰুতৰ অভিযোগ আগৰে পৰা উত্থাপিত হৈ আহিছিল। শেহতীয়াকৈ ধৃত আহমেদে আৰক্ষীৰ আঠ পৃষ্ঠাত চাওক

## নামতিত বনৰীয়া কাঠফুলা খাই ছাত্ৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নামতি, ২৬ ফেব্ৰুৱাৰী ঃ** নামতি খৰঙী খনিকৰ গাঁৱৰ এগৰাকী কণমানি ছাত্ৰী বনৰীয়া কাঠফুলা খাই মৃত্যুৰ মুখত পৰা বাতৰিয়ে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা ২৩ ফেব্ৰুৱাৰীত হাবিৰ পৰা বুটলি অনা বনৰীয়া কাঠফুলা খাই নামতি খৰঙী খনিকৰ গাঁৱৰ ৩ পৰিয়ালৰ ৭ গৰাকী ব্যক্তিৰ লগতে পঞ্চম শ্ৰেণীৰ ছাত্ৰী পৰী চেতিয়া (১১) অসুস্থ হৈ চিকিৎসাধীন হৈছিল। আৰু আজি ডিব্ৰুগড়স্থিত অসম মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়! উল্লেখ্য যে ছাত্ৰী গৰাকীৰ মাতৃ অমিয়া আঠ পৃষ্ঠাত চাওক

■ ৰাজ্যৰ শিল্পীৰ অংশগ্ৰহণৰে জীপাল বিদ্যালয় চৌহদ

## তেজপুৰৰ খেলমাটি মধ্য ইংৰাজী বিদ্যালয়ৰ হীৰক জয়ন্তী উৎসৱ



**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** একাংশ বিদ্যানুৰাগী তথা দূৰদৰ্শী লোকৰ ঐকান্তিক প্ৰচেষ্টাত গঞ্জ লৈ উঠা তেজপুৰৰ নিকটৱৰ্তী খেলমাটি মধ্য ইংৰাজী বিদ্যালয়ৰ হীৰকজয়ন্তী উদযাপন যোৱা চপ্ত ফেব্ৰুৱাৰীত অতি উৎসাহৰে আৰম্ভ হয়। প্ৰধান শিক্ষক নৰেশ্বৰ বড়োৱে ছবছৰীয়া বিদ্যালয়খনৰ পতাকা উত্তোলনৰে আৰম্ভ কৰা হীৰকজয়ন্তী উৎসৱৰ প্ৰথম দিনটোত হীৰকজয়ন্তীৰ মূল তোৰণ উদ্বোধন কৰে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ, দাতা তথা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডাঃ ৰুমেন চন্দ্ৰ বড়োৱে।হীৰক জয়ন্তী সমাৰোহৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি থানেশ্বৰ বড়োৱে। উল্লেখ্য যে বিদ্যালয়খনৰ হীৰক জয়ন্তী উপলক্ষে ৬৭ খন পতাকা উত্তোলন কৰা হয়। মুখ্য উত্তোলক হিচাপে অংশ লয় সমাজকৰ্মী তথা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কেশৱ বৰুৱাই। স্মৃতি স্তম্ভ মুকলি কৰে অসম ৰাইফলচৰ অৱসৰ প্ৰাপ্ত বিষয়া তথা প্ৰাক্তন ছাত্ৰ দুৰ্গেশ্বৰ বড়োৱে। আঠ পৃষ্ঠাত চাওক

## নাগ্ৰীজুলিত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰক্ষী চকীৰ অন্তৰ্গত পূব গয়বাৰীৰ বৰনদী পাৰত আজি এটি অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। পুৱাৰ ভাগত পূব গয়বাৰীৰ বৰনদী পাৰৰ নাও ঘাটত এটি অচিনাক্ত মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে নাগ্ৰীজুলি আৰক্ষী চকীত খবৰ দিয়ে। লগে লগে নাগ্ৰীজুলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মইদুল ইছলামৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হৈ প্ৰায় ৫৫ বছৰীয়া লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি প্ৰথমে নাগ্ৰীজুলি আৰক্ষী চকীলৈ লৈ আনে। পাছত আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বাগ্সা জিলা সদৰ মুছলপুৰলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে জনোৱা মতে নীলা ৰঙৰ টি চাৰ্ট আৰু সেউজীয়া ৰঙৰ গামোচা পৰিহিত অচিনাক্ত লোকজনৰ মৃতদেহ মৰণোত্ত পৰীক্ষাৰ অন্তত চিনাক্তকৰণৰ বাবে ৭২ ঘণ্টাৰ বাবে মৰ্গত ৰখা হ'ব।

## চকলাঘাটত ২৩ টা গৰু-এটা ম'হসহ চাৰিখন বাহন জব্দ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৬ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত চকলাঘাটত আজি দুপৰীয়া আৰক্ষীয়ে তৎপৰতাৰে ২৩ টা গৰু আৰু এটা ম'হসহ চাৰিখন বাহন জব্দ কৰে। ফুলগুৰিৰ পৰা বটদ্ৰৱাৰ শান্তিজানলৈ এ এছ জি চি ০৯১৫, এ বি ০২ বি চি ৬৪৮০, এ এছ বি চি ২৪৮৯ নম্বৰৰ চাৰিচকীয়া বাহন তিনিখনৰ লগতে এখন নম্বৰ প্লেটবিহীন বাহনত গৰু-ম'হ কেইটা কঢ়িয়াই আনি থকা অৱস্থাত চকলাঘাট চাৰিআলিত তহলদাৰী আৰক্ষীৰ সন্মুখত পৰে। হঠাৎ সন্মুখত আৰক্ষীৰ আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্রদূত
গুৱাহাটী, দেওবাৰ ১৪ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৭ ফেব্ৰুৱাৰী ২০২২



## যুদ্ধৰ পৰিণাম




অৱশেষত ৰাছিয়া আৰু ইউক্রেইনৰ মাজত যুদ্ধ আৰম্ভ হ'ল। ৰাছিয়াৰ সেনাবাহিনীয়ে ইউক্রেইনৰ তিনিও দিশ ঘেৰাও কৰি আক্ৰমণ কৰিছে। ক্ৰিমিয়া, ডনেস্ক আৰু লুহানস্ক প্ৰদেশ আৰু ৰাছিয়াৰ মিত্ৰদেশ বেলাৰুছ— এই তিনিও দিশৰ পৰা ৰুছ সেনাই ইউক্রেইন আক্ৰমণ কৰিছে। ৰাছিয়াৰ এই আক্ৰমণক ইউক্রেইনৰ সেনাই বাধা দিয়াৰ আপ্ৰাণ চেষ্টা চলাইছে। বহুতো দেশপ্ৰেমী নাগৰিকে ইউক্রেইনৰ সেনাৰ স'তে লগ হৈ ৰুছ সেনাৰ বিৰুদ্ধে যুদ্ধত নামিছে; কিন্তু ইউক্রেইনৰ সেনাই ৰুছ সেনাক বাধা দিবলৈ সক্ষম হোৱা নাই। ৰুছ সেনা অগ্ৰসৰ হৈছে ইউক্রেইনৰ ৰাজধানী কিয়েভৰ দিশে। আশংকা কৰা হৈছে যে শীঘ্ৰে ইউক্রেইনৰ ৰাজধানী ৰুছ সেনাই দখল কৰিব। বৰ্তমান বোমা আৰু ক্ষেপণাস্ত্ৰৰে ৰাজধানী কিয়েভত আক্ৰমণ অব্যাহত ৰাখিছে। বৃহৎ সংখ্যক অত্যাধুনিক টেংক আৰু অন্যান্য যুদ্ধাস্ত্ৰৰে সজ্জিত ৰুছ বাহিনী অগ্ৰসৰ হৈছে। ইতিমধ্যে ইউক্রেইনৰ ৰাজধানী এৰি লাখ লাখ লোক পোলেণ্ড, ৰোমানিয়া, ৰাছিয়া আদিত আশ্ৰয় ল'বলৈ যাত্ৰা কৰিছে। দেশখনৰ বিমানকোঠসমূহ ৰাছিয়াই বোমা পেলাই ধ্বংস কৰাত কেৱল স্থলপথেৰে বিভিন্ন যান-বাহন, ৰেল আদিৰে নাগৰিকসকল পশ্চিম সীমান্তৰ দিশলৈ যাত্ৰা কৰিছে। দেশখনৰ বহু চহৰ-নগৰ বিধ্বস্ত হৈছে ৰাছিয়াৰ বোমা তথা ক্ষেপণাস্ত্ৰৰ আক্ৰমণৰ ফলত। চহৰ-নগৰসমূহৰ বাট-পথ জনশূন্য হৈ পৰিছে। কেৱল বোমা আৰু বন্দুকৰ শব্দই আকাশ-বতাহ কঁপাই তুলিছে। কোন পক্ষৰ কিমান হতাহত হৈছে, কিমান ক্ষয়-ক্ষতি হৈছে, সেই বিষয়ে সঠিক তথ্য কোনেও দিবলৈ সক্ষম হোৱা নাই। ইউক্রেইন আৰু ৰাছিয়া দুয়ো পক্ষই সফলতাৰ বিভিন্ন দাবী কৰিছে। যুদ্ধৰ সময়ত এনেদৰে নিজৰ নিজৰ সপক্ষে প্ৰচাৰ চলোৱা দেখা যায়; কিন্তু ৰাছিয়াৰ বৃহৎ আৰু বিশ্বৰ অন্যতম সৰ্ববৃহৎ সামৰিক শক্তিক ইউক্রেইনে বেছিদিনলৈ বাধা দি থাকিব যে নোৱাৰিব তাত সন্দেহ নাই। ইউক্রেইনৰ ৰাষ্ট্ৰপতিয়ে সেয়ে যুদ্ধ চলি থকাৰ মাজতে আলোচনাৰ বাবে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক আহ্বান জনাইছে; কিন্তু ৰাষ্ট্ৰপতি পুটিনে চৰ্ত সাপেক্ষে যুদ্ধ বন্ধ কৰিবলৈ সন্মতি জনাইছে। সেই চৰ্ত অনুসৰি ইউক্রেইনৰ সেনাবাহিনীয়ে অস্ত্ৰ-শস্ত্ৰ প্ৰত্যাহাৰ কৰিব লাগিব আৰু আত্মসমৰ্পণ কৰিব লাগিব। এই চৰ্ত মানিলে ৰাছিয়াই আক্ৰমণ বন্ধ কৰিব। ইউক্রেইনৰ ৰাষ্ট্ৰপতি তথা সেনাই এই চৰ্ত সহজে মানিব বুলি আশা কৰিব নোৱাৰি। সেয়েহে যুদ্ধ অব্যাহত থাকিব আৰু ইয়াৰ ফলত ৰক্তপাত আৰু ধ্বংসযজ্ঞ অব্যাহত থাকিব বুলিয়েই আশংকা কৰা হৈছে।

উল্লেখ্য যে এই যুদ্ধত ইউক্রেইনক আমেৰিকা আৰু ইউৰোপৰ দেশবিলাকে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ৰাছিয়াই আক্ৰমণ কৰিলে আমেৰিকা আৰু ইয়াৰ নেতৃত্বাধীন সামৰিক গোষ্ঠী নাটোৱে ইউক্রেইনৰ পক্ষত থিয় দি সহায় কৰিব বুলি কৈ আছিল। ইউক্রেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন্‌স্কীয়ে আমেৰিকা আৰু নাটোৰ এই প্ৰতিশ্ৰুতি লাভ কৰিয়েই ৰাছিয়াৰ বৃহৎ শক্তিৰ বিৰুদ্ধে থিয় দিবলৈ সাহস কৰিছিল; কিন্তু এতিয়া ৰাষ্ট্ৰপতি জেলেন্‌স্কীয়ে কৈছে যে তেওঁক দিয়া প্ৰতিশ্ৰুতি অনুসৰি আমেৰিকা আৰু নাটোৱে কাম কৰা নাই। তেওঁ ক্ষোভেৰে কৈছে যে ইউক্রেইনক বিশ্বৰ শক্তিশালী দেশসমূহক প্ৰতাৰণাহে কৰিলে। এতিয়া ইউক্রেইনক অকলশৰে যুদ্ধ কৰিবলৈ এৰি দিয়া হ'ল। নাটো গোষ্ঠীৰ ৰাষ্ট্ৰবিলাকে অতি লেহেমীয়া গতিৰে সহায় আগবঢ়াইছে বুলি ইউক্রেইনৰ ৰাষ্ট্ৰপতিয়ে অভিযোগ কৰিছে। বিশেষকৈ নাটো ৰাষ্ট্ৰসমূহে ইউক্রেইনলৈ সেনা প্ৰেৰণ কৰি যুদ্ধত সহায় নকৰি মাত্ৰ ৰাছিয়াৰ বিৰুদ্ধে আৰ্থিক-বাণিজ্যিক আদি ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। এনে নিষেধাজ্ঞাই ৰাছিয়াকেই যে ক্ষতি কৰিব তেনে নহয়, ইয়াৰ ফলত ইউৰোপীয় দেশবিলাকো ক্ষতিগ্ৰস্ত হ'ব। সমগ্ৰ ইউৰোপ ৰাছিয়াৰ তেল-গেছৰ ওপৰত নিৰ্ভৰশীল। এই তেল-গেছ আন দেশে যোগান ধৰি ইউৰোপৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰিব। ৰাছিয়াৰ বিৰুদ্ধে আমেৰিকাই আগৰে পৰাই বিভিন্ন আৰ্থিক-বাণিজ্যিক নিষেধাজ্ঞা জাৰি কৰি আহিছে; কিন্তু যোৱা বছৰবোৰত ৰাছিয়া অধিক শক্তিশালীহে হৈছে। সেয়ে অৰ্থনৈতিক-বাণিজ্যিক নিষেধাজ্ঞা জাৰি কৰি ৰাছিয়াক শাস্তি দিয়া হৈছে যদিও সেই শাস্তি ৰাছিয়াই সহ্য কৰিবলৈ সাজু। ইউক্রেইনৰ ৰাষ্ট্ৰপতি জেলেন্‌স্কীয়ে হয়তো আশা কৰিছিল আমেৰিকা তথা নাটোৱে সামৰিক বাহিনী প্ৰেৰণ কৰি যুদ্ধত সহায় কৰিব; কিন্তু ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে কৈছে যে যিসকলে ৰাছিয়াৰ বিৰুদ্ধে আক্ৰমণ কৰিব, তেওঁলোকে এনে ভয়ানক শাস্তিৰ সন্মুখীন হ'ব লাগিব, যি এতিয়ালৈকে ইতিহাসত সংঘটিত হোৱা নাই। পুটিনৰ এনে ভাবুকিৰ অৰ্থ বুজি পোৱা টান নহ'ব। এই ধৰণৰ ভাবুকিৰ অৰ্থ হ'ল নাটোৰ দেশবিলাকে যদি ৰাছিয়াৰ বিৰুদ্ধে আক্ৰমণ চলায়, তেন্তে ৰাছিয়াই মানৱবিধ্বংসী পৰমাণু অস্ত্ৰ ব্যৱহাৰ কৰিব। উল্লেখ্য যে আমেৰিকা আৰু ৰাছিয়া— দুয়োখন দেশৰ আছে বিশ্বৰ সৰ্বাধিক সংখ্যক (প্ৰায় ৯০ শতাংশ) পৰমাণু বোমা। এই মুহূৰ্তত ৰাছিয়াৰ হাতত আছে ৬,২৫৭টা পৰমাণু বোমা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত আছে ৫,৫৫০টা পৰমাণু বোমা। ৰাছিয়াই শেহতীয়াকৈ হাইপাৰছ'নিক কিঞ্জেল ক্ষেপণাস্ত্ৰ নিৰ্মাণ কৰি আমেৰিকা, চীন সকলোকে স্তম্ভিত কৰিছে। এই ক্ষেপণাস্ত্ৰ প্ৰতি ছেকেণ্ডত তিনি কিলোমিটাৰ গতিবেগত যায় আৰু সেয়ে কোনো ক্ষেপণাস্ত্ৰৰে ইয়াক বাধা দিয়া সম্ভৱ নহয়। পৰমাণু বোমা নিক্ষেপ কৰাৰ সামৰ্থ্য আছে ইয়াৰ। সামৰিক ক্ষেত্ৰত ৰাছিয়া বৰ্তমান ইমানেই শক্তিশালী যে ইয়াৰ বিৰুদ্ধে নাটোৱে আক্ৰমণ কৰাৰ পৰিণাম হ'ব অকল্পনীয়। যোৱা ২০২০ত ৰাষ্ট্ৰপতি পুটিনে এখন নতুন আইন প্ৰণয়ন কৰি গৃহীত কৰিছে। এই আইন অনুসৰি কোনো দেশে ৰাছিয়াক আক্ৰমণ কৰিলে আত্মৰক্ষাৰ কাৰণে ৰাছিয়াই পৰমাণু বোমাৰে প্ৰত্যাক্ৰমণ কৰিব পাৰিব। ইয়াৰ পূৰ্বৰ আইন অনুসৰি শত্ৰু ৰাষ্ট্ৰই পৰমাণু বোমাৰে আক্ৰমণ কৰিলেহে ৰাছিয়াই পৰমাণু বোমাৰে প্ৰত্যাক্ৰমণ কৰিব বুলি কোৱা হৈছিল। এই পুৰণি আইনৰ ঠাইত ৰাষ্ট্ৰপতি পুটিনে অনুমোদন জনোৱা নতুন আইনে পুটিনক পৰমাণু বোমাৰে আক্ৰমণ কৰাৰ বাবে অভূতপূৰ্ব ক্ষমতা দিলে। ফলত এখন পৰম্পৰাগত (পৰমাণু বোমা ব্যৱহাৰ নকৰা) যুদ্ধ যিকোনো মুহূৰ্ততে পৰমাণু যুদ্ধলৈ পৰিণত হোৱাৰ সম্ভাৱনা বহুগুণে বৃদ্ধি পালে। সামান্য অসাৱধানতা বা সামান্য ভুলেই বিশ্বত পৰমাণু যুদ্ধৰ সূচনা কৰিব পাৰে। আমেৰিকা আৰু ইয়াৰ নেতৃত্বাধীন নাটো সামৰিক গোষ্ঠীৰ দেশবোৰে সেয়ে পোনপটীয়াভাৱে ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধত নমা নাই। ইয়াৰ পৰিণামত ইউৰোপ, আমেৰিকা, ৰাছিয়া সকলো ধ্বংসস্তূপত পৰিণত হ'ব। মানৱ জাতি বিধ্বংসী পৰমাণু যুদ্ধ সৃষ্টিৰ ভাবুকি আনিব পৰা কোনো ধৰণৰ ভুল যাতে কোনেও কৰিব নোৱাৰে, সেই কথাৰ প্ৰতি পশ্চিমীয়া দেশবোৰে নিশ্চয় লক্ষ্য ৰাখিছে। সেয়ে ৰাছিয়াৰ বিৰুদ্ধে পশ্চিমীয়া দেশে পোনপটীয়াকৈ যুদ্ধত লিপ্ত হোৱা নাই। ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনেও জানে নাটো বাহিনীয়ে যুদ্ধত অৱতীৰ্ণ হ'লে পৰিণাম কি হ'ব। সেয়ে ইউক্রেইনত ৰাছিয়াৰ লক্ষ্য পূৰণ কৰিবলৈ যুদ্ধ অব্যাহত ৰাখিছে। আমেৰিকা তথা নাটো গোষ্ঠীৰ পৰা মুক্ত এখন ইউক্রেইন চৰকাৰ স্থাপন কৰিব বিচাৰে পুটিনে। ৰুছভাষী তথা ৰাছিয়ান মূলৰ বাসিন্দা প্ৰধান অঞ্চলবিলাক ইউক্রেইনৰ পৰা মুক্ত কৰাটোও পুটিনৰ অন্যতম লক্ষ্য। পুটিনৰ এই লক্ষ্য পূৰণত আমেৰিকা আৰু নাটোৱে কিদৰে বাধা দিয়ে, তাৰ ওপৰত যুদ্ধৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব। সমগ্ৰ মানৱ জাতিয়ে কামনা কৰে, এই যুদ্ধ পৰমাণু যুদ্ধলৈ পৰিণত নহওক আৰু সোনকালে যুদ্ধ শেষ হওক।

# সংবিধান কেৱল মাত্ৰ কেইখিলামান পাত নহয়

## ধৰ্মীয় ৰাজনীতিয়ে মানুহক অসহিষ্ণু আৰু হিংস্ৰ কৰি তোলে



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

হিমালয়ৰ পৰা কন্যাকুমাৰী পৰ্যন্ত বিস্তৃত ভূখণ্ডত বিশেষভাৱে শিক্ষাত অগ্ৰসৰ দাক্ষিণাত্যতো সনাতনী আচাৰ প্ৰথা সংস্কাৰৰ কঠিন শিপা ইমান গভীৰত প্ৰোথিত যে বিজ্ঞানমনস্ক আধুনিকতায়ো সেয়া উভালি পেলাব পৰা নাই। কাৰণ হেজাৰ বছৰৰ লালিত সংস্কাৰৰ শিপা উভালি পেলাবলৈ যি শক্তিৰ দৰকাৰ সেয়া ২১ শতিকাত উপনীত হৈও সমাজে অৰ্জন কৰিব পৰা নাই। আচাৰ প্ৰথাৰ এই সনাতনী ৰক্ষণশীলতাৰ স'তে জাত-পাত-ভেদ আৰু বৰ্ণভেদৰ বিষয় আদি প্ৰত্যক্ষভাৱে সম্প্ৰদায়গত আৰু বৰ্ণ শ্ৰমিক বৈষম্য আৰু বিভেদৰ স'তে জড়িত থাকি পৰোক্ষে সাম্প্ৰদায়িক বিদ্বেষ আৰু সহিংসতাৰ জন্ম দিছে। সমাজৰ পৰা ৰাজনীতিত ইয়াৰ উত্তৰণ ব্যাপক সহিংসতাৰ অন্যতম প্ৰধান কাৰণ। আচাৰ-আচৰণগত ভেদ-বুদ্ধিৰ গুৰুত্ব বিবেচনা কৰি ৰবীন্দ্ৰনাথে ইয়াক 'সামাজিক পাপ' হিচাপে চিহ্নিত কৰিছিল। ৰবীন্দ্ৰনাথে তেওঁৰ নিজস্ব ভংগীত কৈছিল ঃ 'সনাতন বলে যে পদাৰ্থটা আমাদেৰ অস্থিমজ্জায়, মনে-প্ৰাণে হাজাৰখানা হয়ে আকড়ে আছে তাৰ কত দিকে কত মহল। কত দৰজায় কত পাহাৰা। কত যুগ ধৰে ট্যাকশো আদায় কৰে তহবিল হয়ে উঠেছে পৰ্বত প্ৰমাণ তাৰ বিচাৰ ব্যাখায় হিন্দু-মুছলমান উভয়েই দুৰ্বল। এমনকি উচ্চ শিক্ষিত হিন্দু সমাজ।'

স্বাধীন সাৰ্বভৌম আৰু পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতৰ হিন্দু মন-মগজ-মনন মনীষাই উৎকৰ্ষ লাভ কৰিছে নে হৈছে অৱক্ষয়গ্ৰস্ত? ১৯ শতিকাৰ ৰামমোহনৰ যুক্তিবাদিতা, বিদ্যাসাগৰৰ মানৱতা, বংকিমচন্দ্ৰৰ যৌক্তিক বৌদ্ধিক হিন্দু জাতীয়তা, বিবেকানন্দৰ মানৱসেৱা, কংগ্ৰেছৰ বহু নেতাৰ ভাৰত চেতনা কিম্বা গান্ধী, ৰবীন্দ্ৰনাথৰ গণহিতৈষী প্ৰভৃতিৰ প্ৰভাৱমুক্ত সাম্প্ৰদায়িক হিন্দুত্ব শতকৰা ৮৫ জন হিন্দু ভাৰতত নাজানো কেনেকৈ হিন্দু মনত মুছলিম আতংক সৃষ্টি কৰে আৰু জিগিৰ বা শ্ল'গানৰ উৎপত্তি হয় ঃ

হিন্দুকা পহচান
ত্ৰিশূল কা নিচান
যব হিন্দু জাগা হ্যায়
তব দেশছে মুছলিম ভাগা হ্যায়
মুছলিম কো দো স্থান
পাকিস্তান অউৰ কবৰস্থান।

ভাৰতবৰ্ষ এক সমন্বিত সংস্কৃতিৰ দেশ। ইয়াত হিন্দু-মুছলমান-বৌদ্ধ-শিখ-খ্ৰীষ্টান প্ৰভৃতি ধৰ্মীয় সংস্কৃতিৰ সমন্বয়ত তৈয়াৰ হোৱাৰ প্ৰয়োজন এক অসাম্প্ৰদায়িক উদাৰ সমাজ। দেশৰ ধৰ্মান্ধতা বহুকালৰ পৰা আছে। তাৰ স'তে যোগ হৈছে ৰাজনীতিত ধৰ্মীয় মৌলবাদ। মৌলবাদক প্ৰতিহত নকৰি আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰ নিৰ্মাণ অসম্ভৱ।

আধুনিকতা আৰু মানৱীয়তা— এই দুটা দিশত দেশৰ ৰাজনীতি পিছফালে হৈছে অগ্ৰসৰ। মুখত আধুনিকতাৰ বাণী, বহিৰংগৰ আচৰণতো মৈত্ৰীৰ বিশ্বাস প্ৰকাশ; কিন্তু ৰাজনীতি আৰু ৰাজনীতিৰ বাস্তৱ আচৰণত ঠিক বিপৰীত পথত যাত্ৰা।

ধৰ্ম এক বস্তু। ধৰ্মীয় সংকীৰ্ণতা আৰু অন্ধত্ব আন এক বস্তু আৰু ধৰ্ম লৈ ৰাজনীতি বা ধৰ্মীয় ৰাজনীতি অন্য এক বস্তু। ধৰ্মই মানুহক হিংসা আৰু কলুষতাৰ পৰা মুক্ত হৈ সুন্দৰ জীৱন যাপনত সহায় কৰে। ধৰ্মীয় সংকীৰ্ণতাই মানুহক সৰু কৰে। ধৰ্মীয় ৰাজনীতিয়ে মানুহক অসহিষ্ণু আৰু হিংস্ৰ কৰি তোলে।

**দুই**

দেশত কোনো স্বপ্ন নাই, আছে দুঃস্বপ্ন। কোনো আশা নাই, আছে নিৰাশা। চৌদিশে হতাশা উৎপাদনৰ কাৰখানা। অসভ্যতা আৰু অজ্ঞানতা সত্ত্বেও সমাজত বিশেষ হৈ উঠা যায়। জীৱনৰ পৰা মানৱীয়তা উধাও স্বাৰ্থপৰতাৰ অবিৰাম চৰ্চাত। ইতিহাসৰ কোন অংশটো আমাৰ জীৱনৰ অংশ, কোন অংশটো আমাৰ জীৱন দৰ্শন আৰু কোন অংশটোৰ গ্লানি আমি পাহৰি থাকিব বিচাৰো, তাকে লৈ আমাৰ মাজততো কোনো বিভ্ৰান্তি থকাৰ কথা নহয়।

নাম, সুনাম, দুৰ্নাম অথবা বদনাম— সকলো কিছুৰ স'তে নাম যুক্ত থাকিলেও যেতিয়া কৰ্মগুণত দাম নহৈ কেৱল নাম-গুণত দাম হয়, তেতিয়া বেনামী বস্তুও নামাংকিত হৈ নামক কৰিব পাৰে কলংকিত। আমাৰ সমাজত কেৱল নাম নহয়, কৰ্ম-গুণতো দামী অনেক মানুহ আছে; যাক কষ্ট কৰি বিচাৰি উলিয়াব লগা হয়। আমাৰ সমাজ ব্যৱস্থাত প্ৰশংসামূলক আৰু লাভজনক কোনো কিছু কৰা দেখিলে হিংসাত অন্তৰ দাউ দাউ কৰি জ্বলে তাৰ আশ-পাশৰ বহু মানুহৰ। আছে নানাভাৱে প্ৰত্যাশিত আৰু অপ্ৰত্যাশিত বাধা। আমাৰ চিন্তা-চেতনা, কৰ্ম-কাণ্ড, আহাৰ-বিহাৰ-বিশ্ৰাম-বিনোদন প্ৰভৃতি সকলো কামত অদ্ভুত বৈপৰীত্য লক্ষ্য কৰা যায়। নিৰ্মল আনন্দ, কৃতজ্ঞতা প্ৰকাশ, বিনয়ী হোৱা, সঁচা বীৰত্ব দেখুওৱা আৰু বুদ্ধি খটুৱাই পৰিশ্ৰম কৰাৰ উদাহৰণ খুব কমেই দেখা যায়। আমি কষ্ট পাবলৈ ভালপাওঁ আৰু আনক কষ্ট দি চৰম আনন্দ লাভ কৰো। তাৰ কাৰণ ব্যক্তিগত, পাৰিবাৰিক, সামাজিক আৰু ৰাষ্ট্ৰীয় জীৱনত শত-সহস্ৰ ব্যৰ্থতাৰ গ্লানি। ব্যৰ্থতা আহে অলসতাৰ পৰা আৰু ব্যৰ্থতাৰ একমাত্ৰ পৰিণতি হৈছে অসন্মানজনক পৰাজয়। আমাৰ ব্যক্তিগত চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য হ'ল কাম নকৰাকৈ সৰ্বোচ্চ ফল লাভৰ সীমাহীন লোভ। আমাৰ কিংবদন্তিতুল্য অলসতাই আমাক কৰি তুলিছে কৰ্মবিমুখ। কাম নকৰাৰ বাবে আমি ব্যৰ্থ আৰু এটাৰ পাছত এটা পৰাজয়ৰ গ্লানিয়ে আমাক কৰিছে গ্ৰাস। ফলত আমি হৈ পৰিছো হিংসাকুৰীয়া আৰু পৰশ্ৰীকাতৰ।

দেশৰ প্ৰতি ভালপোৱা নাথাকিলে কোনো জাতিয়েই উন্নতি সাধন কৰিব নোৱাৰে। যিকোনো জাতিৰ বাবে দেশপ্ৰেম অত্যাৱশ্যক। আমাৰ দেশত দেশৰ কল্যাণকামী মানুহৰ সংখ্যা তেনেই তাকৰ। বেছিভাগেই সুবিধাবাদী আৰু লুণ্ঠনকাৰী। আত্মকেন্দ্ৰিক আৰু সাংঘাতিক ধৰণৰ স্বাৰ্থপৰ। নিজৰ বাহিৰে, নিজৰ স্বাৰ্থৰ বাহিৰে আন একো নুবুজে। আমি এক চৰম ভাবাপন্ন জাতি। আমাৰ ভক্তি আৰু ঘৃণা প্ৰায় অন্ধ।

দেশৰ বুদ্ধিজীৱীৰ মাজত সততাৰ অভাৱ। বুদ্ধিজীৱীৰ ভূমিকাই হ'ল নিৰপেক্ষভাৱে সমাজক দেখা, ৰাজনীতিক দেখা, সমাজক আগুৱাই যাবৰ বাবে জাতিক উদ্বুদ্ধ কৰা। এই দায়িত্ব দেশৰ বুদ্ধিজীৱীয়ে পালন কৰা নাই। অৱশ্যে নিৰপেক্ষতাত বিশ্বাসী হাতৰ আঙুলিত গণিব পৰা আছে কিছু ব্যতিক্ৰম। মানৱ ইতিহাসত চাটুকাৰ আৰু দালাল বুদ্ধিজীৱীৰ অনৈতিক কাৰ্যকলাপৰ যেনেকৈ প্ৰমাণ পোৱা যায়, তেনেকৈ নিৰ্লোভ ত্যাগী বুদ্ধিজীৱীৰ ন্যায় আৰু শুভশক্তিৰ পক্ষে অৱস্থানৰ কাহিনীও লিপিবদ্ধ আছে। যি চৰিত্ৰ থাকিলে মানুহক চৰিত্ৰৱান বুলি ক'ব পাৰি, তেনে চৰিত্ৰ বিচাৰি পোৱা কঠিন হ'লেও কিছু ভাল চৰিত্ৰৰ মানুহ আছে বাবেই দেশ চলি আছে। কথাতে কয়, হওকনা তেওঁ দৰিদ্ৰ, আচল হ'ল চৰিত্ৰ; কিন্তু চৰিত্ৰই যাৰ দৰিদ্ৰ, সিহঁতক লৈ দেশৰ জানো উন্নতি হ'ব?

**তিনি**

দেশৰ অসংখ্য সমস্যাৰ ভিতৰত প্ৰধান হৈছে দেশৰ শাসক শ্ৰেণী। সকলো কিছু এওঁলোকেই কৰে আৰু যি কিছু কৰে, তাৰ বেছিভাগেই জনগণৰ বাবে হৈ পৰে ক্ষতিকৰ। এই শাসক শ্ৰেণীৰ নানা অংশ আৰু অংগ-প্ৰত্যংগ আছে। ৰাজনৈতিক দল আছে। মানুহ আছে নানা ধৰণৰ। সকলোৱে যে ব্যক্তিগতভাৱে অত্যন্ত বেয়া স্বভাৱৰ সেয়াও নহয়; কিন্তু শ্ৰেণী হিচাপে অখণ্ড। আৰু এওঁলোকৰ সমষ্টিগত চৰিত্ৰ হৈছে জনবিৰোধী। নিঃসন্দেহে ক'ব পাৰি আজিৰ দিনত আমাৰ দেশত প্ৰধান দ্বন্দ্বটো হৈছে শাসকৰ স'তে জনগণৰ দ্বন্দ্ব।

অসমীয়া ভাষাৰ শত্ৰু আন কোনো নহয়, শত্ৰু হৈছে দেশৰ শাসক শ্ৰেণী আৰু সিহঁতৰ সাম্ৰাজ্যবাদী প্ৰভু। দেশত অসমীয়া ভাষা তেতিয়াই সৰ্বস্তৰত আৰু সৰ্বপৰ্যায়ত প্ৰচলন হ'ব, যেতিয়া দেশ পৰিণত হ'ব জনগণৰ দেশত। তাৰ আগতে নহয়।

> **অসমীয়া ভাষাৰ শত্ৰু আন কোনো নহয়, শত্ৰু হৈছে দেশৰ শাসক শ্ৰেণী আৰু সিহঁতৰ সাম্ৰাজ্যবাদী প্ৰভু। দেশত অসমীয়া ভাষা তেতিয়াই সৰ্বস্তৰত আৰু সৰ্বপৰ্যায়ত প্ৰচলন হ'ব, যেতিয়া দেশ পৰিণত হ'ব জনগণৰ দেশত। তাৰ আগতে নহয়**

**চাৰি**

ইউক্রেইনক লৈ ইউৰোপত বাজিছে যুদ্ধৰ ডংকা। ৰুছ প্ৰেছিডেন্ট পুটিনৰ কাষত পশ্চিম বিশ্ব আগতেও হাৰিছে। এইবাৰো হাৰিব যেন লাগে।

ক্ৰুশ্চেভৰ নীতিৰ স'তে পুটিনৰ নীতিৰ বহুখিনি সামঞ্জস্য আছে। ভয়াৱহ কিউবা সংকটত তৎকালীন মাৰ্কিন প্ৰেছিডেন্ট কেনেডীয়ে কিউবাৰ উপকূলত সৈন্য নিয়োগৰ আদেশ দিছিল। ফিডেল কাষ্ট্ৰোৰ কিউবাক অৰ্থনৈতিক অৱৰোধৰ দ্বাৰা বশ কৰিব নোৱাৰি, এনেকি কিউবাত জাল নোট বিয়পাই তাৰ সমাজতন্ত্ৰী অৰ্থনীতিক ধ্বংস কৰিব নোৱাৰি প্ৰেছিডেন্ট কেনেডীয়ে কিউবাৰ ওপৰত সামৰিক অৱৰোধ আৰোপৰ চেষ্টা কৰিছিল। ক্ৰুশ্চেভে কিউবাত আণৱিক বোমা স্থাপনৰ ঘোষণা কৰে। আণৱিক বোমা লৈ ৰুছ জাহাজ 'বে অৱ পিগছ'ত উপনীত হয়। চতুৰ ক্ৰুশ্চেভে আণৱিক অস্ত্ৰবাহী জাহাজ কিউবালৈ পঠিয়ালেও তাত আণৱিক ঘাটি স্থাপন কৰা নাছিল। আণৱিক বোমাবাহী ৰুছ জাহাজ ৰাছিয়ালৈ উভতি গৈছিল। কাৰণ আমেৰিকাই তাৰ সেনাবাহিনী কিউবাৰ উপকূল 'বে অৱ পিগছ'ৰ পৰা ওভতাই আনিছিল। ইয়াতে বুজা যায় ক্ৰুশ্চেভৰ নীতি আছিল যুদ্ধ কৰা নহয়। চাপ দি পশ্চিমা শক্তিৰ যুদ্ধ যুদ্ধ খেলা বন্ধ কৰা।

সাম্প্ৰতিক ইতিহাসত আণৱিক শক্তিৰ অধিকাৰী হোৱাৰ আগত আৰু পাছত আমেৰিকাৰ যুদ্ধ জয়ৰ কোনো নজিৰ নাই। কোৰিয়ান যুদ্ধত পৰাজয় লজ্জাজনক। ভিয়েটনাম যুদ্ধত পৰাজয় আৰু লজ্জাজনক। আফগান যুদ্ধ ভিয়েটনাম যুদ্ধতকৈও আৰু বেছি লজ্জাজনক।

এই যুদ্ধ যুদ্ধ খেলাৰ অৰ্থনৈতিক প্ৰতিক্ৰিয়া ইউৰোপে ভুগিব লাগিব। জাৰ্মানী, ফ্ৰান্স আদি দেশে ইউক্রেইন হৈ যি তেল আহে তাৰ ওপৰত নিৰ্ভৰশীল। ৰাছিয়াই যদি তেল সৰবৰাহ বন্ধ কৰি দিয়ে, তেনেহ'লে ইউৰোপৰ অৰ্থনীতিৰ চকা অচল হৈ পৰিব। ইউৰোপে আমেৰিকাৰ উচটনিত যুদ্ধত জড়িত হ'ব নিবিচাৰে। আনপিনে পুটিনে নাটোৰ ভাবুকি মোকাবিলাত চীনৰ স'তে বন্ধুত্ব কৰিছে। দুয়োখন দেশৰেই আছে আণৱিক অস্ত্ৰ।

বৰ্তমান কৰ'না আৰু ইউক্রেইন সংকট শেষ হ'লেই এক নতুন পৃথিৱীৰ চেহেৰা আমি দেখিবলৈ পাম।

**পাঁচ**

বৰ্তমান যুগ সহযোগিতা আৰু সৌহাৰ্দ্যৰ যুগ। যুগৰ সত্য আৰু বাস্তৱতাক মানি লৈ নিজৰ অৰ্থনৈতিক নীতিমালা আৰু কৰ্মসূচী প্ৰণয়ন কৰিবলৈ যি দেশেই সক্ষম হৈছে, সেই দেশৰ উন্নয়ন আৰু অগ্ৰগতিও হৈছে ত্বৰান্বিত। পৃথিৱীত এতিয়া নতুন ধাৰা। এই ধাৰাৰ নাম উন্নয়ন আৰু সমৃদ্ধি। দেশে দেশে প্ৰৱাহিত এই উন্নয়নৰ ধাৰা। লক্ষ্য এটাই— উন্নতি আৰু সমৃদ্ধি। অৰ্থনৈতিকভাৱে দুৰ্বল আৰু স্থৱিৰ বহু দেশতেই অৰ্থনীতি আৰু জীৱনধাৰাত ঘটিছে ব্যাপক পৰিৱৰ্তন। উদ্যম, সাহস, আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্ৰম এই কেইটা উপাদানক পুঁজি কৰিয়েই বহু দেশে বহু ক্ষেত্ৰতেই অৰ্থনৈতিক বিপ্লৱ সাধন কৰিছে।

সৰু এখনি দেশ কোষ্টাৰিকা। আয়তনত অসমতকৈও সৰু। চৌদিশে বিৰাজমান শান্তি। শোষণ নাই, শত্ৰুতা নাই। বেকাৰ যুৱক নাই। দুৰ্নীতি নাই। হিংসা-বিদ্বেষ নাই, আছে সহমৰ্মিতা। আছে কৰ্মমুখৰতা। সন্ত্ৰাস নাই, সৈন্য নাই, হৰতাল নাই। গণতন্ত্ৰৰ জনগুৰুত্ব আছে। আইন আছে। বন্ধন আছে। দায় আছে, দায়িত্ব আছে। আছে জবাবদিহিতা। আশা কৰিছো অসম পৰিণত হ'ব কোষ্টাৰিকাৰ দৰে। মানুহৰ এটা ডাঙৰ বন্ধু আছে। সেই বন্ধুৰ নাম আশা। আশা, ৰূপ, স্বপ্ন আছে বাবেই ইমান উজ্জ্বল হৈ ফুটি উঠে পৃথিৱীৰ ৰং। জীৱনত ইপ্সিত বস্তু পোৱাৰ প্ৰতীক্ষা আৰু পোৱাৰ আনন্দই মনোজগতত এক ধৰণৰ সৃষ্টিশীলতাৰ জন্ম দিয়ে। সৃষ্টি কৰে এক ধৰণৰ কাব্যময়তাৰ আৱেশ।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# মোৰ পিতৃ-মাতৃৰ হাত দুখনহে ধুনীয়া

**ৰিজু হাজৰিকা**

**মহিলা** বা গাভৰু ছোৱালীসকলৰ একো-একোটা অংগ বেছি ধুনীয়া। কাৰোবাৰ নাকটো ধুনীয়া, কাৰোবাৰ চকু দুটা ধুনীয়া, কাৰোবাৰ ওঁঠ দুটা ধুনীয়া, কাৰোবাৰ বুকুখন ধুনীয়া, কাৰোবাৰ হাত দুখন ধুনীয়া, কাৰোবাৰ ভৰিৰ আঙুলি ধুনীয়া, কাৰোবাৰ হাতৰ আঙুলি ধুনীয়া, কাৰোবাৰ উৰু, তপিনা ধুনীয়া, কাৰোবাৰ দাঁতবোৰ ধুনীয়া। এই ধুনীয়া অংগবোৰে ডেকা সকলক আকৰ্ষণ কৰে। কাৰোবাৰ গোটেই গাটো বগা, কাৰোবাৰ কলা, কাৰোবাৰ মাগুৰ বৰণীয়া। প্ৰেমত পৰিলে সব ধুনীয়া। বৰলাৰ আগত ভেঁটাকানি হ'লেও ধুনীয়া। কাৰোবাৰ মাতটো ধুনীয়া, কথা ক'লেও গান গোৱা যেন লাগে।

এজন মিনিষ্টাৰৰ ঘৰত তিনিজনী অতি সুন্দৰী ছোৱালী আছিল। তেওঁলোকে এদিন ৰাতিপুৱা এখন মনোৰম বাগিচাত সোমাল। তিনিওৰে মাজত আলোচনা হ'ল— কাৰ হাত দুখন বেছি ধুনীয়া। এজনীৰ নাম কন্যা কুমাৰী, এজনীৰ নাম পলাশী, এজনীৰ নাম মাধৱী লতা।

কন্যা কুমাৰীয়ে ক'লে— চোৱা, মোৰ হাত দুখন কিমান ধুনীয়া। মোৰ হাতৰ আঙুলিবোৰত কেনে জেতুকাৰ বোল সানিছো— যেন জেতুকাৰ গছহে আঙুলিবোৰত ওলমি আছে। যেন ডুব যাব খোজা সুৰুযৰ আভা হে মোৰ আঙুলিবোৰৰ ফাকে ফাকে লুকা-ভাকু খেলি আছে।

পলাশী নামৰ ছোৱালীজনীয়ে ক'লে— চোৱা, মোৰ আঙুলিবোৰ যেন পলাশ ফুলৰ কলিৰ দৰে, অলপ পাছতে যেন কলিবোৰে পাহি মেলিব আৰু গোটেই ঠাই খণ্ড পলাশ ফুলৰ দৰে ৰঙচুৱা হৈ পৰিব। মাধৱী লতা নামৰ ছোৱালীজনীয়ে ক'লে— চোৱা, মোৰ আঙুলিবোৰ যেন মাধৱী লতা ফুলৰ দৰে হালি-জালি আছে, ৰাতিপুৱা বাগিচাত ফুল চিঙিবলৈ অহা মালীহঁতে মাধৱী লতা ফুলৰ থোপা বুলি চিঙি নিব খোজে।

> মোৰ পিতৃ-মাতৃৰ হাত দুখন ধুনীয়া আছিল। তেওঁলোকে নামৰ গাজি বিলালে, ভোজৰ ভাত বিলালে সকলোকে সমান দৃষ্টিৰে চাইছিল, নিজৰ ভাগত নৰলেও কথা নাছিল। গতিকে মই কওঁ— মোৰ পিতা-মাতাৰ হাত দুখনহে আছিল ধুনীয়া, সবাতোকৈ ধুনীয়া। প্ৰেমিকক স্পৰ্শ কৰিবলৈ দিয়া হাত কেতিয়াও ধুনীয়া হ'ব নোৱাৰে

গতিকে তিনিওজনীয়ে দাবী কৰিলে- মোৰ হাত দুখন বেছি ধুনীয়া। কন্যা কুমাৰীয়ে ক'লে— মোৰ হাতৰ বাহু দুটা চোৱা যেন পদুমৰ ঠাঁৰিৰ দৰে, পলাশী নামৰ জনীয়ে ক'লে— মোৰ হাতৰ বাহু দুটা চোৱা যেন মান কচুৰ আধা পকা ঠাঁৰিৰ দৰে, মাধৱী লতা নামৰ জনীয়ে ক'লে- মোৰ হাতৰ বাহু দুটালৈ চোৱা যেন নীল কচুৰ ঠাঁৰিৰ দৰে গোল। ৰঙীন, ৰান্ধনীসকলে বাগিচাত সোমাই কচুৰ ঠাৰি বুলি কাটি নিব খোজে।

এনেদৰে তিনিওৰ মাজত এটা প্ৰতিযোগিতা আৰম্ভ হ'ল। তৰ্ক যুদ্ধ হ'ল। তেনেতে সিহঁতৰ ওচৰলৈ এজনী ভিক্ষাৰী ছোৱালী আহিল। তাই অলপ দূৰৈৰ পৰা বাক্যুদ্ধ শুনি আছিল। তাই ওচৰলৈ আহি ছোৱালী তিনিজনীক ভিক্ষা খুজিলে। ধুনীয়া বুলি দাবী কৰা ছোৱালী তিনিজনীয়ে তাইক খেদি দিলে।

তাৰ পাছত ভিক্ষাৰী ছোৱালীজনীয়ে ওচৰৰে এটা কুটিৰলৈ গৈ ভিক্ষা মাগিলে। সেই কুটিৰৰ তিৰোতাজনীয়ে তেওঁৰ লেতেৰা হাত দুখন পখালি ভিক্ষাৰী ছোৱালীজনীক কেইখনমান ৰুটি দিলে। ভিক্ষাৰীজনী পৰম সন্তুষ্ট হ'ল। তাই ক'লে— আই আপোনাৰ কল্যান হ'ব। আচলতে আপোনাৰ হাত দুখনহে বেছি ধুনীয়া। সৌ তিনিজনী ছোৱালীৰ মাজত তৰ্ক লাগি আছে কাৰ হাত দুখন বেছি ধুনীয়া বুলি। মই সিহঁতৰ ওচৰলৈ গৈছিলো ভিক্ষা মাগিবলৈ, কিন্তু তেওঁলোকে মোক খেদি দিলে— যাঃ আমি তোক ভিক্ষা-চিক্ষা দিয়াত নাই। বেলেগত যা। মই গুচি আহি আপোনাৰ ওচৰ পালো। আপুনিহে আচল হাতৰ অৰ্থাৎ ধুনীয়া হাতৰ তিৰোতা—যিখন হাতেৰে মানুহক ভিক্ষা দিব পাৰে, সহায় কৰিব পাৰে, দুখীয়া-দৰিদ্ৰ মানুহক সহায়ৰ হাত আগবঢ়াব পাৰে সেই দুখনহে ধুনীয়া হাত। হাত দুখন ধুনীয়া হ'লেই নহ'ব, ধুনীয়া হাতেৰে ধুনীয়া কাম কৰি দেখুৱালেহে ধুনীয়া হাত বুলি গৰ্ব কৰিব পাৰে। যিদুখন হাতেৰে প্ৰসাদ বিলালে, ভাত বিলালে সবকে সমানে দিয়ে সেইবোৰ হাতহে ধুনীয়া। বিলনীয়া বোৰতহে প্ৰমাণ কৰিব পাৰি কাৰ হাত ধুনীয়া।

মোৰ পিতৃ-মাতৃৰ হাত দুখন ধুনীয়া আছিল। তেওঁলোকে নামৰ গাজি বিলালে, ভোজৰ ভাত বিলালে সকলোকে সমান দৃষ্টিৰে চাইছিল, নিজৰ ভাগত নৰলেও কথা নাছিল। গতিকে মই কওঁ— মোৰ পিতা-মাতাৰ হাত দুখনহে আছিল ধুনীয়া, সবাতোকৈ ধুনীয়া। প্ৰেমিকক স্পৰ্শ কৰিবলৈ দিয়া হাত কেতিয়াও ধুনীয়া হ'ব নোৱাৰে।

# দক্ষৰ জীয়েক আছিল সতী যক্ষৰ জীয়েক মোৰ শ্ৰীমতী

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— আপুনি শিৱৰাত্ৰিত আগে-পিছে ক'ৰবালৈ যায়নে?
— কিয়? যাওঁ।
— ক'লৈ যায়?
— দিছপুৰলৈ।
— তাতো শিৱপূজা হয় নেকি? ডাঙৰকৈ পাতেনে?
— ভাল কথা কৈছা দিয়া। শিৱ ভক্তৰেই দেখোন গোটেই দিছপুৰখন ঠাহ খাই আছে।
— মই কিন্তু এবাৰো গৈ পোৱা নাই। কোনখিনিত হয় কওকচোন? পাৰিলে এইবাৰ শিৱৰাত্ৰিত তালৈকে যাম।
— কোনখিনিত হয় বুলি সোধাতকৈ কোনখিনিত নহয়, তাকেই নোসোধা কিয়? হাটে-বজাৰে, দোকানে-পোহাৰে, অলিয়ে-গলিয়ে, গাড়ীয়ে-মটৰে দিছপুৰৰ সকলোতে পূজা হয়। শিৱৰ আচল প্ৰসাদবিধো দিছপুৰতেই আটাইতকৈ বেছি বিক্ৰী হয়।
— অ' সেয়াহে পূজা! আপুনি পূজা চাবলৈ যায় নে প্ৰসাদ খাবলৈ যায়?
— পূজাও নাচাওঁ, প্ৰসাদো নাখাওঁ। মই যাওঁ অফিচলৈহে। শিৱৰাত্ৰিত আমাৰ অফিচ বন্ধ নাথাকে নহয়।
— এইবাৰ আমি উমানন্দলৈ যাম দিয়ক। আপুনি উমানন্দলৈ গৈছেনে কেতিয়াবা?
— নাই যোৱা।
— তাতহে শিৱৰাত্ৰি ভাল হয়। দিনে-ৰাতিয়ে মানুহেই মানুহ। নাৱেৰে গ'লে ইমান যে ভাল লাগে!
— দৰকাৰ নাই। উমানন্দলৈ গৈ শিৱক পূজা নকৰিলেও হ'ব দিয়া।
— আপুনি ইমান নাস্তিক বুলি মইতো জনা নাছিলো।
— উমানন্দলৈ নগ'লে নাস্তিক হয় নেকি?
— নহয়নো কি? তাৰমানে আপুনি ভগৱানক বিশ্বাস নকৰে। মই কিন্তু শিৱভক্ত। শিৱই মোৰ একমাত্ৰ আৰাধ্য দেৱতা।
— বাদ দিয়াহে তোমাৰ কথা। ঘৰতে দেখিছো নহয় শিৱৰ প্ৰতি তোমাৰ কিমান ভক্তি।
— আপোনাৰ দৰে বুলি ভাবিছে নেকি মোক? চাবচোন থাপনাত শিৱলিংগ আছে নে নাই? সদায় ৰাতিপুৱা আৰু গধূলি ধূপ, চাকি লগাই সেৱা কৰো নে নাই?
— তুমি বেয়া পালেও পাবা, সেইবোৰ একধৰণৰ বাহ্যিকতা। তাত মোৰ অলপো বিশ্বাস নাই।
— কিয় ক'লে তেনেকৈ? মই এতিয়া হনুমানৰ দৰে বুকুখন ফালি দেখুৱালেহে হ'ব! তেতিয়াহে কিজানি বিশ্বাস কৰিব আপুনি।
— ঘৰৰ শিৱক সন্তুষ্ট কৰি ৰাখিব নোৱাৰিলে সকলো মিছা।
— সেইবাবেই নিতৌ ধূপ-চাকি ...।
— থৈ দিয়াহে তোমাৰ ধূপ-চাকি। সেইবোৰ অন্ধবিশ্বাস। মাটিৰ বা শিলৰ মূৰ্তিক পূজা কৰাতকৈ তেজ-মঙহৰ জীৱন্ত মানুহকহে পূজা কৰা উচিত। মানুহেই ভগৱান নহয় জানো।
— মানুহক অনাদৰ কৰি ঈশ্বৰতে মন-প্ৰাণ সপি দিয়া নাই নহয়। মানুহকো মই ভক্তি কৰো।
— কৰিছা দিয়া? মই হেন ভোলানাথক তুমি কিমান ভক্তি কৰি আছা জানো নহয়।
— নিজৰ ভোলানাথটোৰ মাহাত্ম্য অনুপাতে ভক্তিৰ পৰিমাণ কম বুলি ক'ব পাৰিবনে আপুনি? পিছে ভোলানাথৰ ভাং খোৱা স্বভাৱটোৰ বাহিৰেতো বাবা ভোলানাথৰ লগত একোতে সাদৃশ্য দেখা নাই।
— তাতকৈ তুমি একোতে পাৰ্থক্য নাই বুলি নোকোৱা কিয়? পাৰ্থক্য আছে যদি এটাত আছে। ভোলানাথৰ পত্নী যেনে আছিল, তুমি তেনে নহয়।
— এইবাৰ কাঁড়পাত পোনে পোনে মোলৈ টোঁৱালে দেখোন! কওকচোন ক'ত কেণা লগালো মই?
— শিৱৰ পত্নী আছিল সতী। পতিব্ৰতা।
— মই হ'বলা পতিব্ৰতা নহওঁ?
— নহয়তো। সতীয়ে দেউতাকৰ মুখত পতিৰ নিন্দা শুনি সহ্য কৰিব নোৱাৰি দেহত্যাগ কৰিছিল নে নাই কোৱাচোন?
— কৰিছিল।
— আৰু তুমি কি কৰিছা? সিদিনা তোমাৰ সন্মুখতে তোমাৰ দেউতাৰাই মোক কিমান ভৰ্ৎসনা কৰিলে, আৰু তুমিতো মনে মনেই সকলোবোৰ সহ্য কৰি থাকিলা।
— আপুনিনো দেউতাক নতুন স্কুটী এখন কিয় খুজিছিল?



— সেইটো মোৰ কথা। অফিচলৈ অহা-যোৱা কৰাত কিমান কষ্ট হয়, মইহে জানো। স্কুটী এখনতনো কিমান টকা গ'লহেঁতেন? দিব নোৱাৰা মানুহতো তেওঁ নহয়। আজি-কালি কিমানে ছোৱালীৰ লগত দামী গাড়ী দিয়ে, অথচ মই সামান্য এখন স্কুটী খোজোতেই...।
— আপুনিনো সেইটো কথাকেই ধৰি আছে কিয়?
— নধৰিম? কিয় নধৰিম মই? লগতে তোমাকো মই বেয়া পাইছো।
— মোক আকৌ বেয়া পায় কিয়? মইনো কি কৰিব লাগিছিল?
— তুমি প্ৰতিবাদ কৰিব লাগিছিল। আপত্তি কৰিব লাগিছিল। কান্দি-কাটি হ'লেও স্কুটী এখন তুমি আদায় কৰিব পাৰিব লাগিছিল।
— দেউতাকতো আপুনি জানেই? একেবাৰে একাচেকা। ক'লেও একো লাভ নাই।
— জানো। ভালকৈয়ে জানো। দেউতাৰাকো জানো, তোমাকো জানো।
— মোক আকৌ কি জানে?
— দেউতাৰাই মোক অপদাৰ্থ বুলি পৰা গালি তুমি সহ্য কৰিলা যেতিয়া তুমি সতী হ'বই নোৱাৰা।
— কি ক'লে আপুনি? মই তাৰমানে অসতী।
— সেইটোতো সিদিনাই প্ৰমাণ হৈ গ'ল। তুমিয়েই প্ৰমাণ কৰি দিলা।
— আৰু আপুনি ভোলানাথ। বাবা ভোলানাথৰ একাদশ অৱতাৰ। দোষ কেৱল মোৰেই। সতী হ'ব নোৱাৰাৰ দোষ। সেইটোৰেই, নহয় জানো?
— হওঁতে হয়। পিছে সতী আৰু তোমাৰ মাজত এটাই মাত্ৰ পাৰ্থক্য আছে।
— কওকচোন, শুনো।
— সতী আছিল দক্ষৰ জীয়েক আৰু তুমি হ'লা যক্ষৰ জীয়েক।
— কি ?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

## বঙাইগাঁৱত চাইবাৰ অপৰাধীৰ বলি বিজেপি নেতা ঃ গ্ৰেপ্তাৰ এক

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৬ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁৱত এইবাৰ চাইবাৰ ক্ৰাইমৰ বলি হ'ল এজন বিজেপি নেতা। বঙাইগাঁও জিলা বিজেপিৰ সামাজিক মাধ্যম কোষৰ আহ্বায়ক সুব্ৰত মণ্ডলৰ নামত এটা নতুন ভুৱা ফেচবুক একাউণ্ট খুলি অশোভনীয় প'ষ্ট কৰা হৈছিল। মণ্ডলৰ ভুৱা এই ফেচবুক একাউণ্টত নেতাজনক অন্য ধৰ্মৰ বুলি পৰিচয় প্ৰদান কৰাৰ লগতে কংগ্ৰেছৰ চিহ্ন প্ৰ'ফাইলত প্ৰদৰ্শন কৰা হৈছিল। এই ঘটনা সন্দৰ্ভত মণ্ডলে যোৱা ২২ ফেব্ৰুৱাৰীত বঙাইগাঁও আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰাৰ পাছত পৰহি নিশা উক্ত ঘটনাৰ স'তে জড়িত ৰাকেশ কুমাৰ মণ্ডল (২৫)ক বঙাইগাঁও জিলাৰ মেৰেৰচৰ থানাৰ অন্তৰ্গত বালাৰচৰৰ পৰা গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে বিজেপি নেতাজনৰ ঘৰো একেখন গাঁৱতে। আৰক্ষীয়ে মণ্ডলক কালি আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

## কলিবাৰী শিৱথানত শিৱ চতুৰ্দশী মহোৎসৱৰ আয়োজন

বিশেষ সংবাদদাতা

**পাঠশালা, ২৬ ফেব্ৰুৱাৰী ঃ** বজালীৰ জালিখাটা কলিবাৰী শ্ৰীশ্ৰীশিৱথানত প্ৰতিবছৰৰ দৰে এইবেলিও পাঁচদিনীয়া কাৰ্যসূচীৰে শিৱৰাত্ৰি পূজা উদ্‌যাপনৰ দিহা কৰা হৈছে। অহা ১৬ৰ পৰা ২০ ফাগুনলৈ এছিয়া মহাদেশৰ অন্যতম বৃহৎ ২১০ বছৰীয়া বটবৃক্ষৰ তলত ৮৯ সংখ্যক 'দক্ষিণ বজালী শ্ৰীশ্ৰীশিৱ চতুৰ্দশী সভা মহোৎসৱ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা প্ৰাতঃপ্ৰসংগ, মহাপ্ৰভু শ্ৰীশ্ৰীশিৱৰ মূৰ্তি স্থাপন, ৮৯ সংখ্যক শিৱ চতুৰ্দশী সভা মহোৎসৱৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, ভাগৱত শোভাযাত্ৰা, মুখ্য দ্বাৰ উদ্‌ঘাটন, বৃক্ষৰোপণ, ভাগৱত পাঠ, আয়তীৰ নাম-প্ৰসংগৰ পাছতে দুপৰীয়া অক্ষয় বন্তি প্ৰজ্বলনত ৮৯ সংখ্যক দক্ষিণ বজালী শিৱ চতুৰ্দশী সভা মহোৎসৱৰ উদ্বোধন, মহাপ্ৰভু শ্ৰীশ্ৰীসদা শিৱক ভোগ অৰ্পণ আৰু ভক্তৰ ভোগ গ্ৰহণ কৰা হ'ব। আবেলি আয়তীৰ নাম প্ৰসংগৰ পাছতে সন্ধিয়া নাগাৰা নাম প্ৰদৰ্শন, বন্তি প্ৰজ্বলন, ধুনি প্ৰজ্বলন, সংকীৰ্তন আৰু নিশা জল আহৰণ তথা আতচবাজি প্ৰদৰ্শনৰ পাছতে পূজা আৰম্ভ হ'ব। ইয়াৰ পাছতে পুষ্পাঞ্জলি গ্ৰহণেৰে প্ৰথমদিনা কাৰ্যসূচীৰ অন্ত পৰিব। ১৭ ফাগুনৰ পুৱা প্ৰাতঃপ্ৰসংগ, ভাগৱত পাঠ, আয়তীৰ নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। আবেলি ঢুলীয়া প্ৰদৰ্শনৰ পাছতে সন্ধিয়া সম্বৰ্ধনা অনুষ্ঠানত স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু বোলছবি পৰিচালক ৰাজেন দাসক সম্বৰ্ধনা জনোৱা হ'ব। নিশা সাংস্কৃতিক অনুষ্ঠানেৰে দ্বিতীয় দিনৰ কাৰ্যসূচীৰ অন্ত পৰিব। আনহাতে, ১৮ ফাগুনত প্ৰাতঃপ্ৰসংগ, ভাগৱত পাঠ, আয়তীৰ নাম প্ৰসংগ, ঢুলীয়া প্ৰদৰ্শন আৰু নাট প্ৰদৰ্শন কৰা হ'ব। ১৯ ফাগুনৰ পুৱা প্ৰাতঃপ্ৰসংগ, ভাগৱত পাঠ, আয়তীৰ নাম-প্ৰসংগৰ পাছতে দুপৰীয়া আয়তীৰ ঘোষানাম প্ৰতিযোগিতা আৰু সন্ধিয়া অসমীয়া সংগীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২০ ফাগুনত প্ৰাতঃপ্ৰসংগ, ভাগৱত পাঠ, আয়তীৰ নাম প্ৰসংগৰ পাছতে দুপৰীয়া ভেশছন প্ৰতিযোগিতা আৰু আবেলি বিয়নামা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৰাকেশ ৰিয়ানকে আদি কৰি কে'বাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীৰ সংগীত পৰিৱেশনেৰে ৮৯ সংখ্যক দক্ষিণ বজালী শিৱ চতুৰ্দশী সভা মহোৎসৱৰ সামৰণি পৰিব।

## বৰভাগৰ কৰিয়াত চকুৰ ৰোগৰ সজাগতা সভা



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৬ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগৰ কৰিয়া-বিজুলীঘাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি চকুৰ যতন আৰু ছানি পৰা ৰোগৰ চিনাক্তকৰণ সম্পৰ্কীয় সজাগতা শিবিৰ অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন আৰু জিলা অন্ধতা নিয়ন্ত্ৰণ সমিতি, নলবাৰীৰ উদ্যোগত আয়োজিত সজাগতা শিবিৰৰ আৰম্ভণিতে জিলা অন্ধতা নিয়ন্ত্ৰণ সমিতিৰ কাৰ্যসূচী বিষয়া ডাঃ অৰুণ বৰ্মনে ভাষণ প্ৰদান কৰি কয়, 'চকুযুৰিৰ সহায়তে আমি আমাৰ জগতখনৰ সৌন্দৰ্য উপভোগ কৰি আছো। চকুৰ ৰোগৰ ক্ষেত্ৰত আমি সদা সতৰ্ক হোৱা উচিত। প্ৰতিৰোধ ব্যৱস্থাইহে আমাৰ চকুক ৰক্ষা কৰিব পাৰে। সেয়ে চকুহাল ভালে ৰাখিব লগা হ'লে সুষম আহাৰ গ্ৰহণ কৰা উচিত। কাৰণ মানুহৰ দৃষ্টিশক্তি হ্ৰাস পালে কাৰ্যক্ষমতা হ্ৰাস পায়।' ভাষণ প্ৰসংগত তেওঁ পুনৰ কয় যে ৭৮ শতাংশ লোকে চকুত ছানি পৰা ৰোগৰ বাবে অন্ধতাক আঁকোৱালি ল'বলগীয়া হৈছে। চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ স্পৃহা গগৈয়ে আঁতধৰা সজাগতা সভাখনত কৰিয়া-বিজুলীঘাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি দিগাম্বৰ মেধি, আশা ছুপাভাইজাৰ ৰীতা দাসে ভাষণ দিয়ে। সজাগতা শিবিৰত শতাধিক লোকক চকু পৰীক্ষা কৰা হয়। ইয়াৰে ২০ গৰাকী ছানি পৰা ৰোগী চিনাক্ত কৰি তেওঁলোকক বিনামূলীয়াকৈ নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত অস্ত্ৰোপচাৰৰ ব্যৱস্থা কৰিব বুলি কয়। শিবিৰত ডাঃ হীৰেন্দ্ৰ নাথ শৰ্মা, ডাঃ ৰিতুমণি শৰ্মা, পৰিচালনা সমিতিৰ সদস্য দিপুল বৈশ্য, স্বাস্থ্য কেন্দ্ৰটোৰ কৰ্মচাৰী, আশাকৰ্মী উপস্থিত থাকে।

## গোসাঁইগাঁও বি এড মহাবিদ্যালয়ৰ চৌহদত চৰকাৰী আঁচনিৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**গৌসাঁইগাঁও, ২৬ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও বিএড মহাবিদ্যালয় খেলপথাৰত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ কালি আধাৰশিলা স্থাপন কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য উকিল মুছাহাৰীয়ে। গোসাঁইগাঁও উন্নয়ন খণ্ডৰ জৰিয়তে শিতানৰ চৰকাৰী আঁচনিৰ যোগেদি মুকলি কৰা এক লাখ ৬০ হেজাৰ টকা ব্যয়ৰে বিএড মহাবিদ্যালয় চৌহদৰ খেলপথাৰত মাটি পুৰোৱা আঁচনিখনৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানটোত অংশ লৈ কাৰ্যবাহী সদস্যজনে প্ৰদান কৰা ভাষণত গোসাঁইগাঁও বিএড মহাবিদ্যালয়ৰ উন্নতিৰ হ'কে চৰকাৰে পৰ্যায়ক্ৰমে কাম কৰি যাব বুলি প্ৰকাশ কৰে। কাৰ্যসূচীত গোসাঁইগাঁও বিএড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত বড়ো, খণ্ড উন্নয়ন বিষয়া, ভিচিডিচি'ৰ কৰ্মীসকল উপস্থিত থাকে।

### পৌৰসভা নিৰ্বাচনক লৈ উথপথপ মৰিয়নি নগৰ

## বিজেপিক প্ৰত্যাহ্বান জনাবলৈ নিৰ্দলীয় প্ৰাৰ্থীৰ দীঘলীয়া তালিকা

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৬ ফেব্ৰুৱাৰী ঃ** মৰিয়নি পৌৰসভাৰ আসন্ন নিৰ্বাচনক লৈ শাসক বিৰোধীৰ সমানে সমানে নিৰ্দলীয় প্ৰাৰ্থীও তৎপৰ হৈ পৰিছে। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই তৎপৰতাও বৃদ্ধি পাইছে প্ৰাৰ্থীসমূহৰ মাজত। এইবাৰ মৰিয়নি পৌৰসভাৰ ৱাৰ্ডৰ সংখ্যা ১০ টালৈ বৃদ্ধি কৰা হ'ল। নিৰ্বাচনত এইবাৰ মুঠ ৩১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। ৩২ গৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল যদিও এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰে। ইয়াৰে সৰ্বাধিক ১৩ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী। আনহাতে, বিজেপিৰ ন গৰাকী, কংগ্ৰেছৰ আঠ গৰাকী আৰু অগপৰ এগৰাকী প্ৰাৰ্থীয়ে এইবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্দলীয় প্ৰাৰ্থীৰ অধিকাংশই বিসম্বাদী বিজেপি। তেওঁলোকে বিজেপিৰ পৰা ওলাই আহি নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াকে লৈ বিজেপিৰ ভিতৰ চ'ৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। আনকি বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ ভূমিকাৰ প্ৰতিও আঙুলি তুলিছিল একাংশ দলীয় কৰ্মীয়েই। আনহাতে, নিজৰ পছন্দৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ পূৰ্ণোদ্যমে নামি পৰিছে সপত্নীক মৰিয়নিৰ বিধায়ক কুৰ্মী। এক, চাৰি, পাঁচ নম্বৰ, আঠ নম্বৰ, ন নম্বৰ আৰু ১০ নম্বৰ ৱাৰ্ডৰ প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে বিজেপি আৰু মিত্ৰজোঁট অগপৰ প্ৰাৰ্থী। লক্ষ্যণীয় যে এই প্ৰত্যাহ্বান বিৰোধী কংগ্ৰেছৰ প্ৰাৰ্থীৰ পৰিৱৰ্তে নিৰ্দলীয় প্ৰাৰ্থীৰ পৰা আহিছে। এক নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰদীপ দাস, চাৰি নম্বৰ ৱাৰ্ডত নিৰ্দলীয় পিকলু ৰয়, পাঁচ নম্বৰ ৱাৰ্ডত নিৰ্দলীয় ৰঞ্জুশ্ৰী দাস, আঠ নম্বৰ ৱাৰ্ডত নিৰ্দলীয় গায়ত্ৰী চক্ৰৱৰ্তী, ন নম্বৰ ৱাৰ্ডত নিৰ্দলীয় বিশ্বপ্ৰভা শইকীয়া আৰু ১০ নম্বৰ ৱাৰ্ডত নিৰ্দলীয় বিজন মজুমদাৰ শক্তিশালী প্ৰাৰ্থীৰূপে বিবেচিত হৈছে। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যাৰ নেতৃত্বতেই মৰিয়নি পৌৰসভা গঠন নহওক কিয়, মৰিয়নি নগৰৰ সমস্যাসমূহ সমাধান কিদৰে হ'ব। দীৰ্ঘদিন ধৰি জ্বলন্ত সমস্যাৰ মাজত জীয়াই থকা মৰিয়নি নগৰবাসীৰ এই সমস্যাসমূহ সমাধান কৰিব পৰাকৈ এখনো নগৰ সমিতি বা পৌৰসভা গঠন নহ'ল।

## টেঙাখাত পাণধোৱাত পিঞ্জৰাবদ্ধ নাহৰফুটুকী

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৬ ফেব্ৰুৱাৰী ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত পাণধোৱা গাঁৱত যোৱা ২৪ ফেব্ৰুৱাৰীৰ নিশা গাঁৱৰ ৰাইজে এটা নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হয়। নাহৰফুটুকী বাঘটোৱে বহুদিনৰ পৰা পাণধোৱা গাঁৱৰ লগতে ওচৰৰ গাঁৱত বিচৰণ কৰি গৰু, ছাগলী, কুকুৰ, গাহৰি পোহনীয়া জন্তু ভক্ষণ কৰি আহিছিল। একপ্ৰকাৰ বাঘটোৱে সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। ডিব্ৰুগড় জিলা বন বিভাগক বাঘটো ধৰিবলৈ আবেদন জনোৱাত গাঁৱৰ ৰাইজক বন বিভাগে এটা পিঞ্জৰা প্ৰদান কৰে। এমাহ ধৰি পিঞ্জৰা পাতি অহাৰ পাছত বাঘটো পিঞ্জৰাবদ্ধ হয়। পাছত জিলাৰ বন বিষয়াই আহি বাঘটো লৈ যায়।

## ডিমৌত দুই ডকাইত গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২৬ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ ডিমৌ আৰক্ষীয়ে কালি দুজন ডকাইতক গ্ৰেপ্তাৰ কৰে। ধৃত ডকাইত দুজন হ'ল ডিমৌৰ সমীপৰ পালেঙী এৱালতলীৰ কমল চাংমাই আৰু দিচাংমুখৰ নাৰায়ণ দাস (ৰিকি)। ডিমৌৰ ৰাজমাইত ব্যৱসায়ীৰ পৰা টকা কাঢ়ি নিয়াৰ অভিযোগত ডিমৌ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে ডকাইত দুজনক। উল্লেখ্য যে ডিমৌ আৰক্ষী থানাত পঞ্জীভূত হৈ থকা ১১/২০২০ নম্বৰৰ গোচৰৰ ভিত্তিত ডিমৌ থানাৰ আৰক্ষীয়ে ডকাইত দুজনক গ্ৰেপ্তাৰ কৰে।

## গোৰেশ্বৰত মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৬ ফেব্ৰুৱাৰী ঃ** গোৰেশ্বৰত দিনে-নিশাই সংঘটিত হৈছে মটৰ চাইকেল চুৰিৰ ঘটনা। এইবাৰ নিশা ঘৰৰ বাৰাণ্ডাৰ পৰাই চুৰি কৰি নিলে গোৰেশ্বৰ প্ৰেছ ক্লাবৰ সভাপতিৰ দুচকীয়া বাহন। অলপতে সাতজনকৈ গাড়ী চোৰ গোৰেশ্বৰ আৰক্ষীয়ে আটক কৰাৰ পাছতো স্তব্ধ হোৱা নাই গাড়ী চোৰৰ সন্ত্ৰাস। এইবাৰ গোৰেশ্বৰৰ বটীয়ামাৰীৰ পৰা গোৰেশ্বৰ প্ৰেছ ক্লাবৰ সভাপতি নিৰঞ্জন ডেকাৰ এ এছ-২৫ এম-৩৫২৫ নম্বৰৰ গ্লেমাৰ বাহনখন যোৱা ২৪ ফেব্ৰুৱাৰীৰ নিশা দুৰ্বৃত্তই চুৰি কৰি নিয়ে। উল্লেখ্য যে মাত্ৰ দুদিন পূৰ্বে আৰক্ষীক চেলেঞ্জ কৰি থানাৰ সন্মুখৰ পৰাই চুৰি হৈছিল মিণ্টু বড়ো নামৰ যুৱকজনৰ বাহনখন। পুনৰ ২৫ ফেব্ৰুৱাৰীত সাংবাদিকৰ ঘৰৰ পৰা মটৰ চাইকেল চুৰি হোৱা ঘটনাই এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে অঞ্চলটোত।

### ধিঙৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মনোৰমা ভূঞাৰ স্মৃতিচাৰণ সভা

## পৰমাত্মাৰ স'তে বিলীন হ'বলৈ পৃথিৱীত মানুহে ভাল কাম কৰিব লাগে



অগ্ৰদূত বাৰ্তা

**ধিং, ২৬ ফেব্ৰুৱাৰী ঃ** 'ভগৱানে মানুহক তেওঁৰ এটা অংশৰূপে জন্ম দিয়ে। যাৰ যেতিয়া কৰ্ম শেষ হয় তেতিয়াই মৃত্যু হয়। মানুহৰ মৃত্যুত আমি কান্দিব নালাগে। মৃতকৰ আত্মাই সদগতি লাভ কৰাকৈ আমি সদায়ে ভাল কাম কৰিব লাগে।' এই মন্তব্য অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীৰ। ধিং ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মনোৰমা ভূঞাৰ আজি মাহেকীয়া স্মৃতিচাৰণ অনুষ্ঠানত 'মনোজ্যোতি' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰি তেওঁ আৰু কয় যে জন্মতেই মানুহক ভগৱানে দিন ঠিক কৰি দিয়ে। সেয়ে মানুহে সদায়ে ভাল কাম কৰিব লাগে। যাতে পৰম আত্মাৰে বিলীন হ'ব পাৰে। উল্লেখ্য যে প্ৰয়াত মনোৰমা ভূঞাই ধিং অঞ্চলৰ নাৰী শিক্ষাৰ ক্ষেত্ৰত তিনি দশকৰো অধিক কাল কষ্ট সাধনাৰে শিক্ষাজ্যোতি বিলাই অহাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছিল। এইগৰাকী কৃতী শিক্ষয়িত্ৰীৰ যোৱা ২৬ জানুৱাৰীত মৃত্যু হয়। ১৯৫৭ত হালোৱা গাঁও হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰীৰূপে কৰ্মজীৱনৰ পাতনি মেলি ১৯৬০ত কাষৰীগাঁও হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰীৰূপে যোগদান কৰাৰ পাছত ১৯৬১ত উৰিয়াগাঁও হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰী আৰু ১৯৬৩ত চকৰি গাঁও হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰীৰূপে যোগদান কৰে। পৰৱৰ্তী সময়ত ১৯৬৫ত ধিং ছোৱালী হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰীৰূপে যোগদান কৰি ১৯৯৬ত প্ৰধান শিক্ষয়িত্ৰীৰূপে দায়িত্বভাৰ গ্ৰহণ কৰি ১৯৯৯ত এই বিদ্যালয়ৰ পৰাই অৱসৰ গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত তেওঁ ধিং শাখা সাহিত্য সভাৰ সদস্য পদ গ্ৰহণ কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় তথা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ পৰিছিল। কালি তেওঁৰ পৰিয়ালবৰ্গৰ উদ্যোগত ধিং আঠগাঁওস্থিত নিজা বাসভৱনত আয়োজন কৰা স্মৃতিচাৰণ সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক পদুম ৰাজখোৱা, ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকা, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকা আৰু অখিল ভাৰতীয় অসম সাহিত্য সভাৰ সভাপতি ধীৰেন শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে স্মৃতিচাৰণ সভাত অংশ লোৱাৰ প্ৰাকমুহূৰ্তত ধিং মহাবিদ্যালয় আৰু 'পায়নিয়াৰ বেম্বো কষ্টিউম এণ্ড ক্ৰফট'ণৰ যুটীয়া উদ্যোগত কালিৰে পৰা ২৮ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিতত কৰা বাঁহৰ শিল্প কৰ্মশালাৰ উদ্বোধন কৰে।

## চিত্ৰশিল্পী সঞ্জু হাজৰিকাক যুৱ শিল্পী বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৬ ফেব্ৰুৱাৰী ঃ** বাটৰ কেনভাছ, অসমে ২০২১ৰ বাবে চিত্ৰশিল্পী হাজৰিকাক 'সম্ভাৱনী যুৱ শিল্পী বঁটা ২০২১' প্ৰদান কৰে। বাটৰ কেনভাছ, অসমে অসমৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত অনুষ্ঠিত কৰি অহা ছবি অঁকা কাৰ্যসূচীত নিয়মীয়াকৈ অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰকাশ কৰি অহাৰ উদীয়মান চিত্ৰশিল্পী হাজৰিকাক সম্ভাৱনীয় যুৱ শিল্পী বঁটা ২০২১ৰ বাবে নিৰ্বাচিত কৰে। যোৱা ২২ ফেব্ৰুৱাৰীত চাবুৱাৰ গ্ৰন্থমেলাত হাজৰিকাক বাটৰ কেনভাচ, অসমে বঁটাটো প্ৰদান কৰে। হাজৰিকা টেঙাখাত অগ্ৰগামী চিত্ৰকলা বিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ। নাহৰসাঁকো গাঁৱৰ হাজৰিকাই চিত্ৰশিল্প চৰ্চা কৰাৰ লগতে বিভিন্ন ঠাইত ছাত্ৰ-ছাত্ৰীক চিত্ৰকলাৰ শিক্ষা প্ৰদান কৰি আহিছে। বঁটা লাভ কৰি গৌৰৱ কঢ়িয়াই অনাত উদীয়মান চিত্ৰশিল্পী হাজৰিকাক টেঙাখাত অগ্ৰগামী চিত্ৰকলা বিদ্যালয়ৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰাৰ লগতে চিত্ৰশিল্প চৰ্চাৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ উৎসাহ যোগোৱা হয়।

## শ্ৰীশ্ৰী যোগেশ্বৰ দেৱালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস-শ্ৰীশ্ৰী বিষ্ণু যজ্ঞৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৬ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বালিকুছিত বিগত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠিত শ্ৰীশ্ৰী যোগেশ্বৰ দেৱালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। তদুপলক্ষে যোগেশ্বৰ দেৱালয় পৰিচালনা সমিতিৰ সভাপতি মনোৰঞ্জন ভট্টাচাৰ্যই দেৱালয়ৰ পতাকা উত্তোলন কৰাৰ পাছত মহাবিষ্ণু যজ্ঞৰ মাংগলিক ধ্বজা উত্তোলন কৰে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ কাৰ্যকৰী সভাপতি দিপুল তালুকদাৰে। ড° কাশীনাথ শৰ্মাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰে ক্ৰমে বৰবৰী হাইস্কুলৰ প্ৰধান শিক্ষক মনোৰঞ্জন শৰ্মা আৰু যোগেশ্বৰ দেৱালয় পৰিচালনা সমিতিৰ সম্পাদকদ্বয় যতীন শৰ্মা আৰু মুকুল কলিতাই। শ্ৰীশ্ৰী বিষ্ণু যজ্ঞৰ মুকলি আৰু বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী উমেশ বৰুৱাই। দিনৰ ভাগত দেৱালয় পৰিচালনা সমিতিৰ সভাপতি মনোৰঞ্জন ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডাঃ পূৰ্ণ ভট্টাচাৰ্যই স্মৃতিগ্ৰন্থ 'ৰুদ্ৰাক্ষ' উন্মোচন কৰে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি তেওঁ ধৰ্মৰ তাত্ত্বিকতা আৰু স্মৃতিগ্ৰন্থৰ প্ৰাসংগিকতাৰ ওপৰত গুণাত্মক বিশ্লেষণ কৰে। উক্ত সভাতে কামৰূপ জিলাৰ পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল চন্দ্ৰ শৰ্মাই লেখিকা জোনা শৰ্মাৰ ৰচিত অন্য এখন গ্ৰন্থ 'তীৰ্থ দৰ্পণ' উন্মোচন কৰে। সভাত নলবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দীনমণি ভাগৱতীয়ে অলংকৃত কৰি শাক্ত ধৰ্মৰ সাৰতত্ত্ব আৰু যাগযজ্ঞ প্ৰচলনৰ বিশ্লেষণ কৰে। ইয়াৰ উপৰি সভাত বৰভাগ উন্নয়ন খণ্ডৰ উন্নয়ন বিষয়া অপূৰ্ব কুমাৰ চক্ৰৱৰ্তী, সমাজসেৱী বলেন্দ্ৰ মোহন চক্ৰৱৰ্তী আৰু স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি যোগেন্দ্ৰ কলিতা উপস্থিত থাকে। তদুপৰি চতমা নৰেন্দ্ৰ ৰুদ্ৰবৰ চতুৰপাঠীৰ প্ৰধান অধ্যাপক ইন্দ্ৰ প্ৰসাদ মিশ্ৰ, অৱসৰপ্ৰাপ্ত শিক্ষক অচ্যুত গোস্বামী আৰু থানেশ্বৰ গোস্বামী নিমন্ত্ৰিত অতিথিৰূপে সভাত যোগদান কৰে। অজস্ৰ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত সভাত যোগেশ শৰ্মা আৰু নৃপেন শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে অঞ্চলটোৰ প্ৰায় ৮০গৰাকী বয়োজ্যেষ্ঠ লোকক সম্বৰ্ধনা জনায়।

## ম'বাইল-সোণৰ গহনাসহ চোৰ গ্ৰেপ্তাৰ হোজাইত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৬ ফেব্ৰুৱাৰী ঃ** হোজাই আৰক্ষীয়ে কালি অভিযান চলাই হোজাইৰ পূব ধনিৰাম পথাৰৰ পৰা তিনিটা ম'বাইল আৰু সোণৰ গহনাসহ এজন চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰজন পূব ধনীৰাম পথাৰৰ উজ্জ্বল দেৱনাথ ওৰফে বিশাল। ধৃত চোৰটোৱে নিজ আত্মীয়ৰ ঘৰতে চুৰি কাৰ্য সংঘটিত কৰিছিল। আত্মীয়ৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে।

## আছুৰ সাধাৰণ সদস্য পদৰ পৰা পদত্যাগ শোণিতপুৰ জিলাৰ সম্পাদকৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ ফেব্ৰুৱাৰী ঃ** সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ বৰ্তমানৰ সহকাৰী সম্পাদক লক্ষ্যজ্যোতি হাজৰিকাই ছাত্ৰ সন্থাৰ সকলো সদস্য পদৰ পৰা পদত্যাগ কৰিছে। এক বিজ্ঞপ্তিযোগে ছাত্ৰ নেতাজনে আজি এই কথা জানিবলৈ দিয়ে। একান্ত ব্যক্তিগত অসুবিধাৰ বাবেই ছাত্ৰ নেতাজনে ছাত্ৰ সন্থাৰ পৰা পদত্যাগ কৰিছে যদিও অতি শীঘ্ৰে বিজেপিত যোগদান কৰিব বুলি এক বিশেষ সূত্ৰই সদৰী কৰিছে। ছাত্ৰ নেতাজনে ইতিমধ্যে বিজেপিৰ নদুৱাৰ মণ্ডল কমিটীৰ বিষয়ববীয়াৰে এই সন্দৰ্ভত আলোচনা সম্পন্ন কৰিছে। উল্লেখ্য যে হাজৰিকাই জামুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ কে'বাটাও কাৰ্যকাল সভাপতি-সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি মহকুমা আৰু জিলা ছাত্ৰ সন্থাৰ দায়িত্ব বহন কৰি আহিছিল। ১৫ টাকৈ বছৰ আছুত থাকি তথা আছুৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰি অহা হাজৰিকাৰ এই আকস্মিক পদত্যাগে ছাত্ৰ সন্থাৰ ভিতৰচ'ৰাত নিশ্চিতভাৱে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

### ■ গোৱালপাৰাত নিৰ্বাচনী প্ৰচাৰ

## কংগ্ৰেছক ভোট নিদিবলৈ আহ্বান কলিতাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৬ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই কালি গোৱালপাৰাত উপস্থিত হৈ প্ৰচাৰ চলায়। চহৰৰ বিহুফিল্ডত ৰাজনৈতিক সভা- সমিতিৰ বাবে নিষিদ্ধ ঘোষণা কৰি নামফলক আৰি দিয়া সত্ত্বেও আজি আবেলি এখন নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। সভাত গোৱালপাৰা পৌৰসভাৰ বিজেপি আৰু অগপৰ প্ৰাৰ্থীসকলৰ লগতে ভালেসংখ্যক সমৰ্থকে উপস্থিত থকা সভাখনত জিলা বিজেপিৰ সভাপতি হিমাদ্ৰী দাস আৰু অগপৰ সভাপতি জিতেন দাস উপস্থিত থাকে। উক্ত সভাত গোৱালপাৰা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি মবিদুল হুছেইনসহ কংগ্ৰেছ, এআইইউডিএফ, অগপৰ ভালেসংখ্যক নেতা কৰ্মীয়ে বিজেপিত যোগদান কৰে। উক্ত সভাত চিপিএমৰ নেতা পূৰ্ণ চন্দ্ৰ ৰাভাও বিজেপিত যোগদান কৰে আৰু বিজেপিৰ সভাপতি কলিতাই আগন্তুক পৌৰসভা নিৰ্বাচনত চহৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে বিজেপি আৰু মিত্ৰ জোঁট অগপৰ প্ৰাৰ্থীসকলক বিজয়ী কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছৰ ভ্ৰষ্টাচাৰীৰ হাতত যাতে কোনেও ভোট নিদিয়ে তাৰ বাবেও উপস্থিত ৰাইজক আহ্বান জনায়।

## আজিৰে পৰা কাংসপাৰ বৰঠাই সত্ৰৰ সত্ৰাধিকাৰৰ শৰণ-ভজন

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৬ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ শ্ৰীশ্ৰী কাংসপাৰ বৰঠাই সত্ৰ সত্ৰাধিকাৰ ঈশ্বৰকান্ত দেৱ মহন্তই মহাপুৰুষ গুৰুজনাৰ বাণীৰে সত্ৰৰ অনুগামী শিষ্যসকলৰ মাজত বৈষ্ণৱ পন্থাৰ ধাৰা অব্যাহত ৰখাৰ লক্ষ্যৰে শৰণ-ভজন প্ৰদানৰ উদ্দেশ্যে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰ বকতা নেমুগুৰিত উপস্থিত হৈ জিলাৰ বকতা নেমুগুৰিৰ ৰাজহুৱা নামঘৰ প্ৰাংগণত কাৰ্যসূচীত শৰণ-ভজন প্ৰদান কৰিব। উল্লেখ্য যে বিগত বহু বছৰ ঐতিহাসিক সত্ৰ ভাগত সত্ৰাধিকাৰ নথকাত এই কাৰ্য স্থবিৰ হৈ আছিল। সেয়েহে নৱ অধিষ্ঠিত সত্ৰাধিকাৰগৰাকীৰ ঐকান্তিক প্ৰচেষ্টাত পুনৰ সত্ৰ ভাগি প্ৰাণ পাই উঠিছে। উল্লেখনীয় সত্ৰ এখন সুচাৰুৰূপে পৰিচালিত হ'বলৈ প্ৰয়োজনীয় পাঁচটা দিশ যেনে আধ্যাত্মিক, সাংস্কৃতিক, অৰ্থনৈতিক, শাৰীৰিক আৰু সামাজিক ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰাটো অতি প্ৰয়োজনীয়। সেয়ে উক্ত শৰণ-ভজন অনুষ্ঠানত শিষ্য ভক্তৰ সহযোগিতা অধিকাৰগৰাকীয়ে কামনা কৰিছে।

## নাগৰিকত্ব সংশোধনী আইন নামানে অসম সাহিত্য সভাই

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** নাগৰিকত্ব সংশোধনী আইন কোনোপধ্যেই নামানে বুলি পুনৰ স্পষ্ট কৰিছে অসম সাহিত্য সভাই। অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা এই ক'লা আইনৰ বিৰুদ্ধে অসম সাহিত্য সভাই প্ৰতিবাদ সাব্যস্ত কৰি অহাৰ মাজতে শেহতীয়াকৈ দেশৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অচিৰেই এই আইন কাৰ্যকৰী কৰা হ'ব বুলি ঘোষণা কৰাত গভীৰ উদ্বেগ প্ৰকাশ কৰি এই সন্দৰ্ভত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই তেজপুৰত এক বিজ্ঞপ্তিৰ জৰিয়তে গৃহমন্ত্ৰীৰ এই ঘোষণাই অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানটোৰ অনুভৱ তথা সিদ্ধান্তক নস্যাৎ কৰিছে বুলি উল্লেখ কৰে। শৰ্মাই বিবৃতিটোত উল্লেখ কৰে যে অসমৰ নিজৰ ভাষা সাহিত্য-সংস্কৃতিক আঘাত হানিব খোজা আইন এখন জনমতক উপেক্ষা কৰি জোৰ-জবৰদস্তি জাপি দিব বিচৰাতো গণতন্ত্ৰৰ পৰিপন্থী কাৰ্য হ'ব। গণমতক উপেক্ষা কৰি এই আইন জাপি দিবলৈ প্ৰয়াস চলালে অন্যান্য জাতীয় অনুষ্ঠানৰ দৰে অসম সাহিত্য সভাও নীৰৱে হাত সাবটি বহি নাথাকে বুলি উল্লেখ কৰি বিজ্ঞপ্তিটোৰ জৰিয়তে এই সিদ্ধান্ত বাতিলৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনায়। আনহাতে, একেটা বিজ্ঞপ্তিতে অসমৰ একাংশ বিদ্যালয়ত বহিঃৰাজ্যৰ শিক্ষক নিযুক্তি দিয়া বিষয়টোৰ ক্ষেত্ৰতো উদ্বেগ প্ৰকাশ কৰি এয়া এক হঠকাৰী সিদ্ধান্ত বুলি উল্লেখ কৰি লগতে এনে ব্যৱস্থাই শৈক্ষিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব বুলি উল্লেখ কৰে।

### ৰাজ্যৰ বিদ্যালয়ত বহিঃৰাজ্যৰ শিক্ষক নিযুক্তিক লৈও প্ৰতিক্ৰিয়া

## ২৮ ফেব্ৰুৱাৰীত শৈশৱ বিদ্যাপীঠত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা


**নলবাৰী, ২৬ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অন্তৰ্গত অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত অহা ২৮ ফেব্ৰুৱাৰীত নলবাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ আয়োজন কৰা হৈছে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰীয়ে শৈশৱ বিদ্যাপীঠ,বৰমুৰিকোণাৰ সহযোগত শৈশৱ বিদ্যাপীঠত জিলা পৰ্যায়ত এই ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ আয়োজন কৰিছে। বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি জিলা পৰ্যায়ত এখন পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। দুটা শাখাত আয়োজন কৰা প্ৰতিযোগিতাত জিলাখনৰ তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ এটা শাখা আৰু ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ আন এটা শাখাত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। নিম্ন শাখাৰ বিষয়' 'আমাৰ দৈনন্দিন জীৱনত বিজ্ঞান' আৰু উচ্চ শাখাৰ বিষয় 'বিজ্ঞান আৰু পৰিৱেশ'। অংশগ্ৰহণকাৰীসকলে পোষ্টাৰসমূহ ঘৰতে অংকন কৰি অহা ২৮ ফেব্ৰুৱাৰীৰ পুৱা ১০ বজাৰ ভিতৰত ৮৮২২১২৭৪৫৫ নম্বৰৰ হোৱাটছএপ যোগে প্ৰেৰণ কৰিব লাগিব। প্ৰতিটো শাখাৰ শ্ৰেষ্ঠ তিনিগৰাকীক পুৰস্কৃত কৰা হ'ব। আনহাতে, ২৮ ফেব্ৰুৱাৰীত দিনৰ এক বজাত এক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বক্তৃতা প্ৰদান কৰিব জনপ্ৰিয় বিজ্ঞান লেখক, বৰভাগ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° মহানন্দ পাঠকে। ইয়াৰ উপৰি প্ৰাচীৰ পত্ৰিকা উন্মোচন, মুকলি কুইজকে ধৰি কে'বাটাও আন অনুষ্ঠান ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা হৈছে বুলি আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ জিলা সমন্বয়ক প্ৰদীপ মহন্তই জনাইছে।


## কামপুৰ পৌৰসভাত নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ ঘৰে ঘৰে নিৰ্বাচনী প্ৰচাৰ

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৬ ফেব্ৰুৱাৰী ঃ** ক্ৰমাৎ তুংগত উঠিছে কামপুৰৰ পৌৰসভাৰ নিৰ্বাচনৰ প্ৰচাৰ। আজি কামপুৰ পৌৰসভাত নিৰ্বাচনী প্ৰচাৰ চলায় নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। কামপুৰ পৌৰসভাৰ ১০টা ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা কৰা ১০জন কংগ্ৰেছ প্ৰাৰ্থীৰ লগত নিৰ্বাচনী ৰণকৌশল সম্পৰ্কত এক বৈঠকত মিলিত হয় সাংসদজনে। ইয়াৰ পাছতে সাংসদজনে কংগ্ৰেছ কৰ্মীসকলক লগত লৈ চাৰি নম্বৰ ৱাৰ্ডৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। সাংসদ বৰদলৈয়ে সংবাদ মাধ্যমৰ আগত কয় যে নগাঁও জিলাৰ তিনিখন পৌৰসভাত কংগ্ৰেছে শক্তিশালী স্থিতি ল'ব। নানান ঘাত-প্ৰতিঘাত, ধুমুহায়ো কংগ্ৰেছৰ ক্ষতি কৰিব নোৱাৰে। কংগ্ৰেছৰ শিপাডাল পাতাললৈকে যোৱা। ডাই'ছৰৰ দৰে বিলুপ্তি হৈ নাযায় পৃথিৱীৰ পৰা এতিয়া কংগ্ৰেছ চাৰিওফালে নতুন মুখ। নতুন মুখৰে স'তে কংগ্ৰেছ এতিয়া আগবাঢ়ি যাব। নাম নোলোৱাকৈ বিজেপিক 'ম্যাদ উকলা' বুলি তুলনা কৰি ৰাইজে বিচাৰ কৰিব আৰু এইবাৰ কামপুৰৰ কংগ্ৰেছৰ সকলো যোগ্য প্ৰাৰ্থী জয়ী হৈ পৌৰসভা দখল কৰিব বুলি দাবী কৰে।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
যোৰহাট, ২৭ ফেব্ৰুৱাৰী, দেওবাৰ, ২০২২ পৃষ্ঠা ১১





# কোলেষ্টেৰলে কেনেকৈ ক্ষতি কৰে শৰীৰৰ


**শৰীৰত** দুই ধৰণৰ কোলেষ্টেৰল পোৱা যায়। এবিধ শৰীৰৰ উপকাৰ সাধন ক ৰাৰ বিপৰীতে আনবিধে অপকাৰহে কৰে। সেইবাবে অপকাৰী কোলেষ্টেৰলবিধ যাতে শৰীৰত বেছি পৰিমাণে বৃদ্ধি হ'ব নোৱাৰে তাৰ বাবে সতৰ্কতা অৱলম্বন কৰিব লাগিব। বিশেষকৈ খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সতৰ্ক হোৱা উচিত। কণী, ৰেড মিট আদিত প্ৰচুৰ পৰিমাণে কোলেষ্টেৰল পোৱা যায়। সাধাৰণতে উচ্চ সংপৃক্ত চৰ্বি বা ট্ৰেন্স ফেট আদি কম পৰিমাণে গ্ৰহণ কৰাটোৱেই মংগলজনক। কাৰণ শেষৰ পৰ্যায়ত এইবোৰে শৰীৰত কোলেষ্টেৰলৈ পৰিৱৰ্তিত হয়। যিসকলে খাদ্যত ওমেগা–3ৰ পৰিৱৰ্তে ওমেগা-6 যুক্ত খাদ্য বেছি পৰিমাণে গ্ৰহণ কৰে তেওঁলোকৰ শৰীৰত ক্ষতিকাৰক কোলেষ্টেৰল বা এলডিএল বৃদ্ধি পায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে মানৱ শৰীৰৰ সকলো কোষৰ এবিধ অত্যাৱশ্যকীয় তথা গুৰুত্বপূৰ্ণ উপাদান হ'ল কোলেষ্টেৰল। সুস্বাস্থ্যৰ বাবে এইবিধ উপাদানৰ প্ৰয়োজন আছে; কিন্তু ইয়াৰ অপকাৰী উপাদানবিধ শৰীৰত বৃদ্ধি পালে বিভিন্ন সমস্যাই গা কৰি উঠে। শৰীৰৰ বাবে কোলেষ্টেৰলৰ পৰিমাণ কম বা বেছি হ'লেই বিপদ। যেতিয়া কোলেষ্টেৰলৰ পৰিমাণ 200 এম জিû ডিলৰ বেছি হয় তেতিয়া কাৰ্ডিঅ'ভাস্কুলাৰ ডিজিজ বা চিভিডিৰ প্ৰৱণতা বৃদ্ধি পায়। লো ডেনচিটি লাইপোপ্ৰ'টিন বা এলডিএল কোলেষ্টেৰল লিভাৰ বা যকৃতৰ পৰা শৰীৰৰ বিভিন্ন কোষত প্ৰৱেশ কৰে। ফলত ধমনীৰ বেৰত অতিৰিক্ত কোলেষ্টেৰল জমা হ'বলৈ ধৰে। লাহে লাহে ই ৰক্তনলীত তেজ চলাচলত ব্যাঘাত জন্মায়। সেইবাবে পৰৱৰ্তী সময়ত হৃদযন্ত্ৰৰ বিভিন্ন সমস্যাই দেখা দিয়ে। বিভিন্ন ধৰণৰ গৱেষণাত এইটো প্ৰমাণিত হৈছে যে শৰীৰত এলডিএল কোলেষ্টেৰল বেছি পৰিমাণে থাকিলে হাৰ্ট এটেকৰ প্ৰৱণতা বৃদ্ধি পায়।

শৰীৰত কোলেষ্টেৰলৰ পৰিমাণ ভাৰসাম্য কৰি ৰাখিবলৈ হ'লে এইবিধ উপাদানৰ সৰবৰাহৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব লাগিব। উপকাৰী এইছডিএল কোলেষ্টেৰল বৃদ্ধি কৰাৰ বিপৰীতে অপকাৰী এলডিএল হ্ৰাস কৰিব লাগিব। সাধাৰণতে ৰক্তবাহী ধমনীত কোলেষ্টেৰল জমা হৈ ধমনীৰ বেৰ টান সৰু কৰে। সৰু হোৱাৰ ফলত তেজৰ সৰবৰাহ স্বাভাৱিকভাৱে নহয়। সেইবাবে হৃদযন্ত্ৰ আৰু মস্তিষ্কৰ দৰে গুৰুত্বপূৰ্ণ অংগলৈ অক্সিজেনযুক্ত তেজৰ সৰবৰাহ কম হোৱাত হাৰ্ট এটেক অথবা ষ্ট্ৰোক আদিৰ সমস্যাই গা কৰি উঠে। এইক্ষেত্ৰত নেচনেল হাৰ্ট, লাং এণ্ড ব্লাড ইনষ্টিটিউটে কিছুমান নিৰ্দেশনা জাৰি কৰিছে।

যিসকলৰ তেজত কোলেষ্টেৰলৰ পৰিমাণ (এলডিএল) বেছি আছে তেওঁলোকে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। ওমেগা – 3 ফেটী এচিডবিধ হ'ল সংপৃক্ত চৰ্বি আৰু ই হৃদযন্ত্ৰৰ বাবে খুব উপকাৰী বুলি বিশেষজ্ঞসকলে মতপোষণ কৰিছে। আনহাতে ই শৰীৰত কোলেষ্টেৰলৰ পৰিমাণ স্বাভাৱিক কৰি ৰখাত সহায় কৰে। বিশেষকৈ মাছৰ তেল, নহৰু, আদা, জলফাইৰ তেল, কণীৰ বগা অংশ, সতেজ ফল, বাদাম, বেঙেনা আদি নিয়মীয়াকৈ খালে এইবিধ প্ৰয়োজনীয় উপাদান লাভ কৰাটো সম্ভৱ। ভিটামিন বি-৩ বা নিয়াছিন খালে অপকাৰী কোলেষ্টেৰলৰ পৰিমাণ হ্ৰাস পায়। সেইবাবে নিতৌ 250 মিলিগ্ৰাম ভিটামিন বি-৩ খোৱা উচিত। এইবিধ ভিটামিনে ট্ৰাইগ্লিছাৰাইডৰ পৰিমাণে হ্ৰাস কৰে। এবিধ শক্তিশালী এণ্টি অক্সিডেণ্ট ফেক্‌ট হ'ল $CoQ_{10}$ আৰু এইবিধ নিয়মীয়াকৈ গ্ৰহণ কৰিলে হাৰ্ট এটেক এলজাইমাৰৰ পৰা হাত সাৰিব পাৰি। আনহাতে ষ্টেনিসহ $CoQ_{10}$ গ্ৰহণ কৰিলে কোলেষ্টেৰলৰ পৰিমাণ হ্ৰাস কৰাটো সম্ভৱ। কোলেষ্টেৰল নিয়ন্ত্ৰণ কৰিবলৈ খাদ্য গ্ৰহণত সতৰ্কতা অৱলম্বনৰ লগতে শৰীৰ চৰ্চাও কৰিব লাগিব।

কোলেষ্টেৰল বেছিপৰিমাণে থকা খাদ্য বৰ্জনৰ লগতে ফাইবাৰযুক্ত খাদ্য বৃদ্ধিত গুৰুত্ব দিব লাগিব। সেইবাবে সতেজ শাক-পাচনিৰ লগতে অংকুৰিত বুট, মগু আদি খোৱা উচিত। এইবোৰ খাদ্যই অপ্ৰয়োজনীয় কোলেষ্টেৰল বাহিৰলৈ উলিয়াই দিয়ে। শাক-পাচলিৰ লগতে ফলমূলত থকা এণ্টি এক্সিডেণ্টে এল কোলেষ্টেৰলৰ জাৰণ ৰোধ কৰে। যিসকলৰ পৰিয়ালত হৃদৰোগ হোৱাৰ ইতিহাস আছে তেওঁলোকে নিয়মীয়াকৈ লিপিড প্ৰফাইল পৰীক্ষা কৰা উচিত। যদিহে কোলেষ্টেৰলৰ সমস্যা থাকে তেতিয়াহ'লে চৰ্বিযুক্ত আহাৰ বেছি পৰিমাণে গ্ৰহণৰ পৰিৱৰ্তে প্ৰচুৰ পৰিমাণে কাৰ্ব'হাইড্ৰেটযুক্ত খাদ্য খোৱাৰহে অভ্যাস গঢ়ি তুলিব লাগে। খাদ্য গ্ৰহণৰ সময়ত নিশ্চিত হ'ব লাগে যে প্ৰাণীজ চৰ্বি নে পাচলিৰ পৰা আহৰণ কৰা উপাদানেই গ্ৰহণ কৰা হৈছে। সাধাৰণতে প্ৰাণীজ খাদ্যৰ পৰা লাভ কৰা চৰ্বিয়ে তেজত কোলেষ্টেৰলৰ পৰিমাণ বৃদ্ধি কৰে। যিমান সম্ভৱ সিমানে কম পৰিমাণে শৰ্কৰাযুক্ত খাদ্যহে গ্ৰহণ কৰা উচিত। খাদ্যৰ ভিতৰত বিশেষকৈ আলু, বীন, ভাত আৰু ৰুটীত প্ৰচুৰ পৰিমাণে কাৰ্ব'হাইড্ৰেট পোৱা যায়। খাদ্য তালিকা প্ৰস্তুত কৰোতে প্ৰাণীজ আৰু পাচলিৰ পৰা চৰ্বি আহৰণ কৰিব পৰা খাদ্যহে অন্তৰ্ভুক্ত কৰিব লাগে। কণী, মাখন, চীজ, ৰেড মিট আদিয়ে যিদৰে কোলেষ্টেৰলৰ পৰিমাণ বৃদ্ধি কৰে তাৰ বিপৰীতে ঘেঁহু, ছয়াবিন, সেউজীয়া শাক-পাচলিয়ে কোলেষ্টেৰলৰ পৰিমাণ হ্ৰাস কৰে। কোলেষ্টেৰলৰ বাবে যিহেতু হৃদযন্ত্ৰৰ বিভিন্ন ৰোগ হোৱাৰ আশংকা থাকে সেয়েহে এনে উপাদানযুক্ত খাদ্য কম পৰিমাণে গ্ৰহণ কৰাটোৱে মংগলজনক। আনহাতে, হৃদৰোগত যে কোলেষ্টেৰলে বিশেষ ভূমিকা গ্ৰহণ কৰে সেই বিষয়ে সাধাৰণ ৰাইজক অৱগত কৰা উচিত।





# উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণৰ বাবে কি কি কৰিব

**উচ্চ** ৰক্তচাপ নিয়ন্ত্ৰণৰ বাবে দৈনন্দিন জীৱনত সৃষ্টি হোৱা চাপ নিয়ন্ত্ৰণ কৰিবই লাগিব। উচ্চ ৰক্তচাপৰ মূলতে হ'ল অত্যধিক চাপ। দৈনন্দিন জীৱন যাপনত প্ৰত্যেক লোকেই চাপৰ সন্মুখীন হয়। চাপৰ কাৰণ ভিন্ন। এজনৰ বাবে যি কাৰণত চাপৰ সৃষ্টি হয় আন এজনৰ সেই কাৰণত নহ'বও পাৰে। এই কথা স্পষ্টকৈ ক'ব পাৰি যে কোনো লোকেই নিজকে সম্পূৰ্ণৰূপে চাপমুক্ত কৰি ৰাখিব নোৱাৰে। ধন-সোণ, পুত্ৰ-পৰিবাৰৰ লগতে আন সদস্যৰে ঘৰখন ভৰি থাকিলেও চাপমুক্ত হৈ থাকিব নোৱাৰে। দৰাচলতে চাপ কি কাৰণত সৃষ্টি হয় সেয়া পূৰ্বানুমান কৰাটো অসম্ভৱ। সি যি কি নহওক চাপৰ মাজত থাকিয়েই আমি দৈনন্দিন কাৰ্য সম্পাদন কৰিব লাগিব। তথাপি কিছুমান কাম কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ বিপৰীতে যিবোৰে কামে বেছি চাপৰ সৃষ্টি কৰে সেইবোৰৰ পৰা নিজকে কিছু পৰিমাণে হ'লেও আঁতৰাই ৰাখিবলৈ চেষ্টা কৰা উচিত। দৈনন্দিন কাম-কাজৰ ক্ষেত্ৰত পুৰাই তালিকাখন প্ৰস্তুত কৰিব লাগে। যিবোৰ কাম প্ৰথমতে সম্পাদন কৰিব লাগে সেইবোৰক অগ্ৰাধিকাৰ দিয়াৰ বিপৰীতে পলমকৈ কৰিবলগীয়া কামবোৰ পাছত কৰিব লাগে। তেতিয়া সময়ৰ কাম সময়মতে সম্পাদন হ'লে বহুলাংশে চাপৰ বোজা কমে। বহুতেই নকৰিবলগীয়া বা পলমকৈ কৰিবলগীয়া কামটো প্ৰথমতে সম্পাদন কৰি যিবোৰ গুৰুত্বপূৰ্ণ কাম সেইবোৰ পলমকৈ কৰাৰ ফলত চাপৰ সৃষ্টি হয়। চাপ নিয়ন্ত্ৰণ কৰাৰ কৌশল আয়ত্ত কৰি ল'ব পাৰিলে এনেধৰণৰ সমস্যাৰ পৰা নিজকে আঁতৰাই ৰখাটো সম্ভৱ। চাপ আৰু অত্যধিক চাপৰ মাজত পাৰ্থক্য আছে। চাপৰ মাজত থাকি কাম কৰিব লাগে। কিন্তু অত্যধিক চাপৰ মাজত থাকি কাৰ্য সম্পাদন কৰিবলগীয়া হ'লে ৰক্তচাপ বৃদ্ধি পাবলৈ ধৰে। সমান্তৰালভাৱে আন বহুতো সমস্যাৰ সৃষ্টি হয়। সেই বাবে যিকোনো প্ৰকাৰে চাপ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা উচিত। বেছি চাপৰ মাজত থাকিলে কাম-কাজ স্বাভাৱিকভাৱে আৰু উপযুক্ত সময়ত সম্পাদন কৰিব নোৱাৰি। ফলত চাপৰ ওপৰতে আৰু চাপৰ সৃষ্টি হ'বলৈ ধৰে। এনেদৰে চাপে যেতিয়া দীৰ্ঘস্থায়ী ৰূপ লয় বা দীৰ্ঘদিন ধৰি চাপৰ মাজত থাকিলে ৰক্তচাপ বৃদ্ধি পাবই।


❖ ইয়াৰ পৰা মুক্তি পাবলৈ হ'লে কেফিনযুক্ত খাদ্য কম পৰিমাণে খোৱা উচিত। কিয়নো কেফিনে উত্তেজনাৰ সৃষ্টি কৰে। যিসকলে নিয়মীয়াকৈ প্ৰচুৰ পৰিমাণে কেফিনযুক্ত খাদ্য বিশেষকৈ কফি, চাহ আদি বেছিকৈ খাব তেওঁলোকৰ ৰক্তচাপ বৃদ্ধিৰ আশংকা থাকে। এনেধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ কমকৈ কফি, চাহ আদি খোৱা উচিত। আনহাতে, যিসকলে এই সমস্যাত ইতিমধ্যে আক্ৰান্ত হৈছে তেওঁলোকে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিহে খাব লাগে। বহুক্ষেত্ৰত দেখা যায় যে কিছুমান লোকে ক্লান্তি দূৰ কৰিবলৈ বেছিকৈ কফি, চাহ খায়। এনে অভ্যাসে যে সময়ত বিপদত পেলাব পাৰে সেই বিষয়ে এবাৰো ভাবি নাচায়। যি কি নহওক কফি, চাহ আদি খোৱাৰ ক্ষেত্ৰত সকলোৰে সতৰ্কতা অৱলম্বন কৰা উচিত।

❖ এনে লোকে কম পৰিমাণে নিমখ খোৱা উচিত। কাৰণ প্ৰয়োজনতকৈ বেছি খালে বিপদ হ'ব পাৰে। দৰাচলতে শৰীৰত ছ'ডিয়ামৰ পৰিমাণ বৃদ্ধি পালে ৰক্তচাপ বৃদ্ধি পায় আৰু ফলত ইয়াৰ প্ৰভাৱ হৃদযন্ত্ৰৰ পৰা আৰম্ভ কৰি মস্তিষ্কলৈকে সকলোতে পৰে। ছ'ডিয়াম বেছি থকা মানে শৰীৰক বেছি পানীৰ প্ৰয়োজন। যেতিয়া প্ৰয়োজনতকৈ বেছি ছ'ডিয়াম থাকে, তেতিয়া পানীৰ পিয়াহ বেছিকৈ লাগে। শৰীৰত বেছি পানী জমা হোৱা মানে ইয়াৰ প্ৰভাৱ কিড্‌নীৰ ওপৰত পৰিব। কিড্‌নীৰ শৰীৰৰ বৰ্জ্যসমূহ প্ৰস্ৰাৱৰ মাধ্যমেদি বাহিৰলৈ উলিয়াই দিয়ে। অতিৰিক্ত পানীখিনি চেকি প্ৰস্ৰাৱথলীত জমা কৰে। পৰৱৰ্তী সময়ত প্ৰস্ৰাৱৰ ৰূপত শৰীৰৰ পৰা ওলায় যায়। অতিৰিক্ত পৰিমাণে নিমখ খোৱাৰ লগে লগে তেজত ছ'ডিয়ামৰ পৰিমাণ অস্বাভাৱিকভাৱে বৃদ্ধি পাব। ফলত ধমনীত ইয়াৰ পৰোক্ষ চাপ পৰিব। অতিৰিক্ত ছ'ডিয়ামে কিডনীৰ পানী পৰিশোধন কৰিব পৰা ক্ষমতা হ্ৰাস কৰে। অতিৰিক্তভাৱে চাপ দি পানী পৰিশোধন কৰিবলগীয়া হোৱাৰ ফলত কিডনীৰ ৰোগ হোৱাৰ আশংকা বৃদ্ধি পাব। যেতিয়া বৰ্জ্যসমূহ শৰীৰৰ পৰা উলিয়াই দিয়াত ব্যৰ্থ হয় তেতিয়া শৰীৰৰ বাবে অপকাৰী পদাৰ্থসমূহ জমা হ'বলৈ ধৰে। এনেদৰে ক্ষতিকাৰক পদাৰ্থসমূহ জমা হোৱাৰ ফলত পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। যেতিয়া কিডনীৰ অসুখৰ চিকিৎসা কৰা নহয় আৰু ৰক্তচাপ নিয়ন্ত্ৰণ নহ'লে 'কিডনী ফেইলিউৰ' হোৱাৰ আশংকাও নোহোৱা নহয়। সেইবাবে কম পৰিমাণে নিমখ খোৱাটোৱে মংগলজনক।

বেছি নিমখ খোৱাৰ ফলত ৰক্তচাপ বৃদ্ধি পালে কেৱল কিডনীয়ে নহয় ধমনীৰো ক্ষতি হয় অধিক। বেছি পৰিমাণে নিমখ খোৱাৰ ফলত ধমনীৰ ভিতৰত চাপ বেছিকৈ পৰিবলৈ ধৰে। এই চাপ প্ৰতিহত কৰিবলৈ ধমনীৰ বেৰ বেছি ডাঠ আৰু ঘন হ'বলৈ আৰম্ভ কৰে। এনে হোৱাৰ ফলত ধমনীৰ ভিতৰ ভাগৰ পৰিসৰ হ্ৰাস পায়। অৰ্থাৎ সৰু বা সংকুচিত হয়। এনেদৰে ধমনী সংকুচিত হোৱাৰ ফলত চাপ বৃদ্ধি পাবলৈ ধৰে। এনে পৰিস্থিতিৰ সৃষ্টি হ'লে লাহে লাহে ধমনীত প্ৰতিবন্ধকতা বা 'ব্লক' হ'বলৈ আৰম্ভ কৰে। কেতিয়াবা ধমনীডাল কম পৰিমাণে আৰু কেতিয়াবা সম্পূৰ্ণৰূপে বন্ধ হৈ যাব পাৰে। এইধৰণৰ সমস্যাৰ সৃষ্টি হ'লে শৰীৰৰ আন অংগৰ ওপৰতো প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱ পৰে। সহজ অৰ্থত ক'বলৈ হ'লে যিবোৰ অংগ-প্ৰত্যংগলৈ ধমনীৰ পৰা তেজ সৰবৰাহ হয় সেইবোৰ অংগ-প্ৰত্যংগত ইয়াৰ প্ৰভাৱ পৰে। অক্সিজেন আৰু পুষ্টিৰ অভাৱত কোষ আৰু পেশীসমূহ অকামিলা হ'বলৈ ধৰে। এনেদৰে অকামিলা হোৱাৰ ফলত স্বাভাৱিক কাম-কাজত ব্যাঘাত জন্মে। ফলত অংগ-প্ৰত্যংগই লাহে লাহে ইয়াৰ কাৰ্যক্ষমতা হেৰুৱাবলৈ ধৰে।

নিমখ বেছিকৈ খোৱাৰ ফলত হৃদযন্ত্ৰৰ ওপৰত প্ৰভাৱ পৰিবলৈ ধৰে। যেতিয়া ছ'ডিয়াম বেছি খোৱাৰ ফলত ৰক্তচাপ বৃদ্ধি পায় তেতিয়া ধমনীৰ ক্ষতি হয়। ধমনীৰ ক্ষতি হোৱা বাবে হৃদযন্ত্ৰলৈ তেজৰ সৰবৰাহ স্বাভাৱিকভাৱে নহয়। ফলত 'এঞ্জিনা' হয়। অৰ্থাৎ কাম-বন কৰি থকাৰ সময়তে বুকুত প্ৰচণ্ড বিষ আৰম্ভ হ'বলৈ ধৰে। যেতিয়া হৃদযন্ত্ৰৰ কোষবোৰে অক্সিজেন আৰু পুষ্টি সময়মতে লাভ নকৰে তেতিয়া ধ্বংস হ'বলৈ ধৰে।

নিমখ বেছি খোৱাৰ পৰিণতিত মস্তিষ্কৰো ক্ষতিসাধন হয়। কিয়নো যেতিয়া ৰক্তচাপ বৃদ্ধি পায় তেতিয়া মস্তিষ্কলৈ অক্সিজেন আৰু তেজৰ সৰবৰাহ স্বাভাৱিকভাৱে হোৱাত ব্যাঘাত জন্মে। যেতিয়া ৰক্তচাপ বৃদ্ধি পাবলৈ ধৰে তেতিয়া ইয়াৰ ক্ষতিৰ পৰিমাণ বেছি হোৱাৰ আশংকা থাকে। সেইবাবে উচ্চ ৰক্তচাপত আক্ৰান্তই কম পৰিমাণে নিমখ খোৱা উচিত। কেঁচা নিমখ খোৱাটো নিষিদ্ধ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ষ্ট্ৰোক আদি প্ৰতিহত কৰিবলৈ প্ৰত্যেকেই প্ৰয়োজনতকৈ বেছি নিমখ খাব নালাগে।



❖ চৰ্বিযুক্ত আহাৰ কম পৰিমাণে গ্ৰহণ কৰিব লাগে। কিয়নো চৰ্বিযুক্ত আহাৰ বেছিকৈ খালে শৰীৰত অতিৰিক্ত চৰ্বি জমা হ'বলৈ ধৰে। অতিৰিক্ত চৰ্বিৰ ফলত মেদবহুলতাৰ সমস্যাই গা কৰি উঠে। মেদবহুলতা হ'ল বিভিন্ন ৰোগৰ অন্যতম কাৰক। বিশেষকৈ উচ্চ ৰক্তচাপ, হৃদৰোগ, ডায়েবেটিছ, ষ্ট্ৰোক আদি ৰোগ হোৱাৰ কাৰক সমূহৰ ভিতৰত মেদবহুলতা বা অতিৰিক্ত চৰ্বিকে চিহ্নিত কৰা হৈছে।

❖ তেজত কোলেষ্টেৰলৰ পৰিমাণ নিয়ন্ত্ৰণ কৰিব লাগিব। বিশেষকৈ শৰীৰৰ বাবে অপকাৰী এলডিএল কোলেষ্টেৰলৰ পৰিমাণ হ্ৰাস কৰিব লাগিব। ইয়াৰ বিপৰীতে উপকাৰী এইছডিএল বৃদ্ধি হ'লেও কোনো কথা নাই।

**উচ্চ ৰক্তচাপৰ ফলত হাৰ্ট ফেইলিউৰ হ'লে যিবোৰ লক্ষণ ফুটি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল—**

❖ শ্বাস-প্ৰশ্বাস চুটি হ'বলৈ ধৰে।

❖ ভৰি, কিলাকুটি আৰু পেটৰ অংশত বেছিকৈ ঘাম ওলাবলৈ ধৰে।

❖ সাধাৰণতে এনে হ'লে চিৎ হৈ শোৱাৰ সময়ত সমস্যাৰ সৃষ্টি হয়।


❖ আক্ৰান্ত লোকজনৰ নাড়ীৰ স্পন্দন অস্বাভাৱিক হ'বলৈ ধৰে।

❖ এনে হোৱাৰ লগে লগে বমি ভাব বা উকালি হ'বলৈ ধৰে।

❖ সাধাৰণতে নিশাৰ ভাগত তুলনামূলকভাৱে বেছি প্ৰস্ৰাৱ লাগে।



## ষ্ট্ৰোকত আক্ৰান্ত হ'লে




সাধাৰণতে যিকোনো ব্যক্তিক যিবোৰ ৰোগে আক্ৰমণ কৰে সেইবোৰৰ ভিতৰত অকস্মাৎ হোৱা ৰোগ হ'ল ষ্ট্ৰোক। ইস্কিমিক ষ্ট্ৰোকত মগজুৰ এটা বিশেষ অংশত তেজ চলাচল বন্ধ হৈ পৰে। যেতিয়া মগজুলৈ তেজৰ চলাচল বন্ধ হয় তেতিয়া মগজুৰ সেই অংশটোৰ কোষবোৰ ধ্বংস হয়। ফলত স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰিলে অংশটো অকামিলা হ'বলৈ ধৰে। ষ্ট্ৰোক মূলতঃ দুই ধৰণৰ হয়— ইস্কিমিক আৰু হেমাৰেজিক বা ৰক্তক্ষৰণজনিত। ইস্কিমিক ষ্ট্ৰোক হোৱাৰ আঁৰত থাকে তেজৰ সৰবৰাহত ব্যাঘাত জন্মা প্ৰক্ৰিয়া। ইস্কিমিক ষ্ট্ৰোক হ'লে মস্তিষ্কলৈ তেজ আৰু অক্সিজেনৰ সৰবৰাহ স্বাভাৱিকভাৱে নহয়। যেতিয়া অক্সিজেন আৰু তেজৰ সৰবৰাহ নহয় তেতিয়া মস্তিষ্কৰ কিছুমান অংশৰ টিছ্যু বা কলা ধ্বংস হ'বলৈ আৰম্ভ কৰে। এনে হোৱাৰ ক্ষেত্ৰত চাৰিটা কাৰণ থাকে আৰু এই কেইটা হ'ল— থ্ৰম্ব'ছিছ, ইমব'লিজম, ছিষ্টেমেটিক হাইপ'পাৰডিউছন আৰু ভেনাছ থ্ৰম্ব'ছিছ। যেতিয়া পুনৰাই মস্তিষ্কলৈ ৰক্ত সঞ্চালন হয় তেতিয়া কোষসমূহে স্বাভাৱিকভাৱে কাৰ্য আৰম্ভ হোৱাটোৱে হ'ল থ্ৰম্ব'ছিছ ইমব'লিজম হ'লে শৰীৰৰ আন ঠাইত ধমনীত তেজ চলাচলত ব্যাঘাত জন্মে। ইস্কিমিক ষ্ট্ৰোকত আক্ৰান্ত হ'লে ৰোগীৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে।

আনহাতে, হেমাৰেজিক ষ্ট্ৰোক হ'লে মস্তিষ্কৰ যিকোনো স্থানত ৰক্তক্ষৰণ হৈ তেজ জমা হয়। সহজ অৰ্থত ক'বলৈ হ'লে লাওখোলাৰ ভিতৰত বিভিন্ন অংশত ৰক্তক্ষৰণ হৈ তেজ জমা হোৱাটোৱেই হ'ল হেমাৰেজিক ষ্ট্ৰোক। কেতিয়াবা কোনো আঘাত নোহোৱাকৈ মস্তিষ্কৰ সৰু সৰু সিৰা ফাটি যায়। এনেদৰে সৰু সিৰা ফাটি যোৱাৰ ফলত তেজ জমা হয়। সাধাৰণতে সাৰে থকা অৱস্থাত অথবা কাম কৰি থাকোতে নতুবা অত্যধিক উত্তেজনাৰ বাবে এনে ধৰণৰ ষ্ট্ৰোক হোৱা পৰিলক্ষিত হয়। মস্তিষ্কৰ ধমনীত এক ধৰণৰ টেমুনাৰ সৃষ্টি হৈ নিজে ফাটি যোৱাৰ ফলত ছাব-এৰাকনইড নামৰ ঠাইডোখৰত ৰক্তক্ষৰণ হ'ব পাৰে। সচৰাচৰ মস্তিষ্কৰ আঘাত পালে ছাবডিউৰেল, এপিডিউৰেল আদি ঠাইত ৰক্তক্ষৰণ হোৱা দেখা যায়। সহজ অৰ্থৎ ক'বলৈ হ'লে হেমাৰেজিক ষ্ট্ৰোকত সিৰাসমূহ ফাটি গৈ প্ৰচুৰ পৰিমাণে মস্তিষ্কত ৰক্তক্ষৰণ হয়। ইয়াৰ ফলত পক্ষাঘাত হোৱাৰ লগতে চকুৰে নেদেখা পৰ্যন্ত হ'ব পাৰে।

সাধাৰণতে বিদেশত ইস্কিমিক ষ্ট্ৰোকত ৮০ শতাংশ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ ২০ শতাংশ লোকৰহে হেমাৰেজিক ষ্ট্ৰোক হোৱা দেখা যায়। আনহাতে, ভাৰতত ইয়াৰ ওলোটা প্ৰতিচ্ছবি দেখা পোৱা যায়। ভাৰতত দুয়োটা ৰোগতে আক্ৰান্তৰ সংখ্যা ৫০ শতাংশ।

শৰীৰৰ যিকোনো অংগত ষ্ট্ৰোক নহয়। ষ্ট্ৰোকৰ স'তে মস্তিষ্কৰ সম্পৰ্ক আছে। কাৰণ মস্তিষ্কৰ বিশেষ অংশ কিছুমানত ষ্ট্ৰোক হোৱা দেখা যায়। এই অংশসমূহৰ ভিতৰত অন্যতম হ'ল— বেজেল গেংলিয়া, ইণ্টাৰনেল কেপছুল, ইনট্ৰা ভেনট্ৰিকুল বা লোৱাৰ ষ্ট্ৰোক, ব্ৰেইন ষ্টেম আদি। কেতিয়াবা একেলগে দুই-তিনি ঠাইত ষ্ট্ৰোক হ'ব পাৰে। অৰ্থাৎ হেমাৰেজিক আৰু ইস্কিমিক ষ্ট্ৰোক দুয়োবিধ একেলগে হ'ব পাৰে। এনে হ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰে। বহুতেই ষ্ট্ৰোক আৰু হাৰ্ট এটেকৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব নোৱাৰে। সেইবাবে হাৰ্ট এটেক আৰু ষ্ট্ৰোকক উপযুক্তভাৱে উপস্থাপন কৰিব নোৱাৰে। ষ্ট্ৰোক সদায় মস্তিষ্কত হয় আৰু হাৰ্ট এটেক হৃদযন্ত্ৰতহে হয়।


## ধূমপান-চিঅ'এডিৰ সম্পৰ্ক



ধূমপানৰ অপকাৰিতা সম্পৰ্কে ইতিমধ্যে বিশ্বৰ বিভিন্ন ঠাইত গৱেষণা চলিছে। ধূমপানৰ ফলত হ'ব পৰা অপকাৰিতা সম্পৰ্কে মানুহক সজাগ হ'বলৈ পৰামৰ্শ আগবঢ়াইছে গৱেষকসকলে।

ইয়াৰ অপকাৰী দিশসমূহৰ বিষয়ে বিভিন্ন প্ৰান্তত চৰ্চা হোৱা সত্ত্বেও প্ৰায়ভাগে বিষয়টো আওকাণ কৰি নিয়মীয়াকৈ সেৱন কৰি আছে। যিহেতু এনে ধৰণৰ সতৰ্কবাণী প্ৰচাৰ কৰা সত্ত্বেও প্ৰায়ভাগে ধূমপান কৰি আছে সেয়েহে ধূম্ৰপায়ীসকলৰ তেজত নিকোটিনৰ পৰিমাণ যদি ঔষধৰ দ্বাৰা বৃদ্ধি কৰিব পাৰি তেতিয়া হ'লে এনে ধৰণৰ অভ্যাসৰ পৰিৱৰ্তন কৰাটো সম্ভৱ হ'ব। এনে ধৰণৰ চিন্তা-চৰ্চাও চিকিৎসকসকলে আৰম্ভ কৰিছে। যিসকলে ধূমপানৰ অভ্যাস ত্যাগ কৰিবলৈ চেষ্টা কৰিব তেওঁলোকে নিশ্চয় সুফল লাভ কৰিব। এনে ঔষধ টেবলেট অথবা চুইংগামৰ ৰূপতো পোৱা যায়। সম্প্ৰতি ইনফ্লুয়েঞ্জাৰ টিকা সহজলভ্য হৈছে। যিসকল চিঅ'এডিত আক্ৰান্ত তেওঁলোকৰ পক্ষে খুবেই ফলদায়ক হিচাপে চিহ্নিত হৈছে। সেইবাবে এনে সমস্যাত আক্ৰান্তসকলে সময়মতে ইনফ্লুয়েঞ্জাৰ টিকা লোৱাটো বাঞ্ছনীয়। চিঅ'এডিত আক্ৰান্তসকলৰ হাওঁফাওঁত নিজস্ব প্ৰতিৰোধ ক্ষমতা কম থাকে আৰু সেইবাবে তুলনামূলকভাৱে ভাইৰাছৰ সংক্ৰমণ অথবা বেক্টেৰিয়াৰ সংক্ৰমণ বৃদ্ধি পায়। সেইবাবে প্ৰতিৰোধী ব্যৱস্থা হিচাপে ভেকচিন লোৱাটো নিতান্তই প্ৰয়োজনীয়।





## জীয়াই থকাৰ বাবে শ্বাস-প্ৰশ্বাসৰ প্ৰক্ৰিয়া

উশাহ-নিশাহৰ বাবে শৰীৰৰ এটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ প্ৰয়োজন। শ্বাসৰ জৰিয়তে শৰীৰে অক্সিজেন লাভ কৰাৰ বিপৰীতে প্ৰশ্বাসত কাৰ্বন-ডাই-অক্সাইড এৰি দিয়া হয়। এই প্ৰক্ৰিয়া আমাৰ অজ্ঞাতেই সম্পাদিত হৈ থাকে। মানুহৰ শ্বাসতন্ত্ৰ গঠিত হয় নাক, নাসিকা, লেৰিংছ, ফেৰিংছ, শ্বাস নলিকা বা ব্ৰংকাছ আৰু হাওঁফাওঁৰে। হাওঁফাওঁ লক্ষ লক্ষ বায়ুকোষেৰে গঠিত। হৃদযন্ত্ৰ আৰু হাওঁফাওঁৰ ওপৰত পাতল দুতৰপীয়া আৱৰণ থাকে। শ্বাস-প্ৰশ্বাসৰ সময়ত শ্বাসতন্ত্ৰৰ মাজেৰে হাওঁফাওঁত বায়ু প্ৰৱেশ কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে বায়ুৰ পৰা লাভ কৰা অক্সিজেন হৃদযন্ত্ৰৰ পৰা হাওঁফাওঁলৈ অহা তেজলৈকে পৰিব্যাপ্ত হয়। আনহাতে, তেজৰ কাৰ্বন-ডাই-অক্সাইড হাওঁফাওঁলৈ আহি নিশ্বাসত বাহিৰলৈ ওলাই যায়। এনে ধৰণৰ স্বাভাৱিক প্ৰক্ৰিয়াৰে সকলো কলাৰ কোষে তেজৰ মাধ্যমত অক্সিজেন লাভ কৰে আৰু কোষসমূহে নিজৰ জৈৱিক ক্ৰিয়া সম্পাদন কৰে। যিসকলে শ্বাস কষ্টত আক্ৰান্ত হয় তেওঁলোকে শ্বাস-প্ৰশ্বাস কষ্ট অনুভৱ কৰাটো স্বাভাৱিক কথা। শ্বাস কষ্টত ভুগিলে পেশীসমূহ হঠাতে সংকুচিত হৈ উশাহ-নিশাহ লোৱা ৰন্ধ্ৰবোৰ সৰু কৰে। যেতিয়া এনে সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰে তেতিয়া অক্সিজেনৰ স্বাভাৱিক সৰবৰাহত ব্যাঘাত জন্মে। শ্বাস-প্ৰশ্বাস প্ৰধানকৈ নিয়ন্ত্ৰণ কৰে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰই। এইটো সকলোৰে জ্ঞাত যে শৰীৰত বায়ু প্ৰৱেশ কৰে নাকৰ ফুটাৰে। যেতিয়া বায়ু শৰীৰত প্ৰৱেশ কৰে তেতিয়া তাত থকা দূষিত পদাৰ্থসমূহ নোমত লাগি ধৰে। আনহাতে, ই বায়ুৰ স'তে জলীয় বাষ্প মিহলাই আৰ্দ্ৰ কৰে। নাকৰ ফুটা দুটা আৰু মুখ গহ্বৰৰ ভিতৰত ফুটা দুটা যি ঠাইত মিলিত হয় সেয়া হ'ল গ্ৰাস নলী। শ্বাসনলীডাল বুকুৰ মাজত ঠিক ৰাজহাড় আৰু গ্ৰাসনলীৰ সন্মুখতে দুডাল শ্বাসনলীত বিভক্ত হয়। সোঁ শ্বাসনলীডাল হাওঁফাওঁত প্ৰৱেশ কৰিয়েই তিনিটা ভাগত বিভক্ত হৈ হাওঁফাওঁৰ তিনিটা খাপত সোমায়। এই নলীসমূহ পুনৰাই ক্ষুদ্ৰ ক্ষুদ্ৰ নলিকা হৈ হাওঁফাওঁৰ বায়ু কোষত প্ৰৱেশ কৰে। স্বৰযন্ত্ৰৰ পৰা আৰম্ভ হৈ শ্বাসনলী, শাসনী আৰু শ্বাসনিকাসমূহৰ ভিতৰত আৱৰণৰত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ চুলিৰ আকৃতিৰ ছিলিয়া থাকে। এইবোৰে বায়ুৰ স'তে প্ৰৱেশ কৰা ধূলিকণা আদি বাহিৰলৈ উলিয়াই দিয়ে। আনহাতে, নলীসমূহে ভিতৰৰ কোষসমূহে নিৰ্গত কৰা ৰস বা শ্লেস্মাসমূহো বাহিৰ কৰি দিয়ে। এনে কাৰ্যৰ দ্বাৰা বায়ু সোমাৰা-ওলোৱা পথটো সদায় মুকলি হৈ থাকে। শ্বাস-প্ৰশ্বাসৰ স'তে জড়িত হৈ থকা বিভিন্ন অংগৰ ভিতৰত উল্লেখযোগ্য হ'ল— নাক, গ্ৰাসনী, স্বৰযন্ত্ৰ, শ্বাসনলী, হাওঁফাওঁৰ বায়ুকোষ, কামিহাড় আৰু ইয়াৰ সংলগ্ন পেষীসমূহ ডায়াফ্ৰাম আৰু পেটৰ পেশীসমূহ। কামীহাড় সংলগ্ন পেশীসমূহ আৰু ডায়াফ্ৰামৰ পেশীসমূহ সংকুচিত হ'লে ডায়াফ্ৰাম তললৈ নামি আহে আৰু বুকুৰ ভিতৰত খালী ঠাই বৃদ্ধি কৰে। এনে হ'লে হাওঁফাওঁৰ আৱৰণ প্লুৰাৰ দুই তৰপৰ ঠাইখিনিৰ চাপ বাহিৰৰ বায়ুমণ্ডলৰ চাপতকৈ কম হয়। চাপৰ এনে তাৰতম্যৰ বাবে বাহিৰৰ বায়ু নাক আৰু শ্বাসনলীৰে হাওঁফাওঁলৈ প্ৰৱেশ কৰে। আনহাতে, কামিহাড় সংলগ্ন পেশীসমূহ আৰু ডায়াফ্ৰামৰ পেশীসমূহ প্ৰসাৰিত হ'লে ডায়াফ্ৰামখন ওপৰলৈ উঠি হাওঁফাওঁত হেঁচা দিবলৈ আৰম্ভ কৰে আৰু হাওঁফাওঁৰ কলাসমূহৰ স্থিতিস্থাপকতা গুণৰ বাবে সংকুচিত হয়। এনে প্ৰক্ৰিয়াৰ বাবে বায়ুকোষসমূহৰ পৰা বায়ু বাহিৰলৈ ওলাই যায়।

অসম দাপোণ

দেওবৰীয়া দৈনিক অগ্ৰদূত

গুৱাহাটী,২৭ ফেব্ৰুৱাৰী, দেওবাৰ ২০২২ পৃষ্ঠা ১৩

# বিজেপিয়ে অগপক গিনিপিগ সজাইছে

**■ মাজুলীত অপূৰ্ব ভট্টাচাৰ্যৰ সংবাদমেলত মন্তব্য**

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৬ ফেব্ৰুৱাৰী ঃ** উপ-নিৰ্বাচনক লৈ মাজুলীৰ সৰ্বত্ৰে নিৰ্বাচন প্ৰচাৰ চলিছে। মাজুলীৰ উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী ভুৱন গামৰ হৈ মাজুলীত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বিপৰীতে বিৰোধী দলৰ সমৰ্থিত প্ৰাৰ্থী চিত্তৰঞ্জন বসুমতাৰীয়ে ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। যোৱা ২৪ ফেব্ৰুৱাৰীত মাজুলীৰ ৰাজীৱ ভৱনত কংগ্ৰেছৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই সংবাদমেলৰ আয়োজন কৰি বিজেপি-অগপক ক্ষুৰধাৰ সমালোচনা কৰে। ভট্টাচাৰ্যই মাজুলীৰ এই উপ-নিৰ্বাচন মাজুলীৰ স্বাভিমান ৰক্ষাৰ যুঁজ বুলি অভিহিত কৰে। এই যুঁজত মাজুলীবাসীয়ে অন্যায়ৰ বিৰুদ্ধে ওলাই আহিব বুলি অভিহিত কৰে। লগতে বিজেপিয়ে অগপক গিনিপিগ সজাইছে বুলি অভিযোগ কৰি এই যুঁজ মিথ্যাচাৰ আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে যুঁজ বুলি কয়। মাজুলীৰ প্ৰাৰ্থী প্ৰদানৰ ক্ষেত্ৰত বিজেপিত সংস্কৃতিবান মানুহৰ অভাৱ বুলিও কটাক্ষ কৰে ভট্টাচাৰ্যই। মাজুলীৰ ১২ হেজাৰ খহনীয়াগ্ৰস্তই পুনঃসংস্থাপন নাপালে, চিকিৎসালয়ত চিকিৎসকৰ অভাৱ আদি বিষয়ক লৈ ক্ষুৰধাৰ সমালোচনা কৰে বিজেপিক।

# অবৈধ খননৰ বিৰুদ্ধে শিৱসাগৰ বন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা জাতীয় সংগ্ৰামী সেনাৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৬ ফেব্ৰুৱাৰী ঃ** জয়সাগৰৰ ঐতিহাসিক পহুগড়ৰ কাষত আৰু ৰূপহী পথাৰত দুৰ্বৃত্তই অবৈধ মাটি খনন কৰি পহুগড় আৰু ৰূপহীপথাৰ ধ্বংস কৰাৰ সম্পৰ্কত বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আজি জাতীয় সংগ্ৰামী সেনা অসমে শিৱসাগৰ জিলা বন বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰে। জয়সাগৰৰ মানকটাস্থিত ঐতিহাসিক পহুগড়ৰ কাষৰীয়া অঞ্চল আৰু ৰূপহী পথাৰ ধৰি কিছুদিন দুৰ্বৃত্তৰ কবলত পৰিছে। যোৱা বহুদিন ধৰি এই দুৰ্বৃত্তৰ দলটো এক্সাভেটৰ আৰু ডাম্পাৰ লৈ অঞ্চলটোত অবৈধ খনন কৰি আহোম ৰাজত্বৰ এক অনন্য প্ৰতীক পহুগড় আৰু ৰূপহী পথাৰ ধ্বংস কৰি আহিছে। জাতীয় সংগ্ৰামী সেনা, অসমে এই দুষ্কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰি এই অবৈধ খনন শীঘ্ৰে বন্ধ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰিছে। সংগঠনটোৱে শিৱসাগৰ বন সংমণ্ডলৰ সমূহ বিষয়া কৰ্মচাৰী এই ক্ষেত্ৰত তৎপৰতাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা, অবৈধ খননত ব্যৱহৃত এক্সাভেটৰ আৰু ডাম্পাৰসমূহ জব্দ কৰা, অবৈধ খননত জড়িত লোকক চিনাক্ত কৰি উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰা আৰু অবৈধ খননকাৰীসকল যদিহে কোনো ৰাজনৈতিক আশীৰ্বাদপুষ্ট নেতাৰ দ্বাৰা পৰিচালিত হৈ আছে তাৰো উপযুক্ত তদন্ত কৰিবলৈ দাবী উত্থাপন কৰে।

# বীমাই কৃষকসকলৰ বিপদৰ বন্ধু হ’ব

*১২ পৃষ্ঠাৰ পৰা* চৰকাৰৰ পৰা ৰবি শস্যৰ বাবে ৩৬,৪৬৪ হেক্টৰ মাটিৰ লক্ষ্য স্থিৰ কৰি দিছিল যদিও জিলা কৃষি বিভাগে ৪৬,৯১৮ হেক্টৰ কৃষিভূমি বীমা যোজনাৰে সামৰি ল’বলৈ সক্ষম হৈছে। মুঠ ৬৭,৬৫০ জন কৃষকে মাত্ৰ এটকাৰ ব্যয়ত এই বীমাৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতি হেক্টৰ মাটিত বীমা প্ৰতিষ্ঠানক দিবলগীয়া ১০৪২.৫০ টকা প্ৰিমিয়ামৰ বাকী অংশ চৰকাৰৰ তৰফৰ পৰা ব্যয় কৰা হ’ব। ইয়াৰে ৯০ শতাংশ ধন ৰাজ্য চৰকাৰে আৰু ১০ শতাংশ ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। কৃষি বিভাগৰ এনএফএছএ আঁচনিৰ জিলা পৰামৰ্শদাতা নমিতা শইকীয়াই আঁত ধৰা সভাখনত স্থানীয় দক্ষিণ পাকা গাঁও পঞ্চায়তৰ সভানেত্ৰী ছুফিয়া খাতুন মণ্ডল, পাকা বেতবাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি আবুল হুছেইন, উপ-সভাপতি হায়দৰ আলী, পাকা বেতবাৰী উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ছফিকুল ইছলাম, কৃষি উন্নয়ন বিষয়া হুমায়ুন খান, দেশভক্ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুৰ ৰহমান আদিকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

# ভাষা, শিক্ষা, সাংস্কৃতিক উত্তৰণেই

*১২ পৃষ্ঠাৰ পৰা* তেতিয়াহে উন্নয়নৰ যাত্ৰাৰে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সক্ষম হ’ব বুলি বক্তব্য ৰাখে। বৰ্ষপূৰ্তি অনুষ্ঠানত বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষ সুজৌন বসুমতাৰী, ইউবিপিঅ’ৰ উপদেষ্টা ললিত চন্দ্ৰ বড়ো, সাংগঠনিক সম্পাদিকা প্ৰাণজিতা বড়ো, কোষাধ্যক্ষ বিষ্টিৰাম নাৰ্জাৰী, মিচিং, স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মলেন্দ্ৰ নাৰ্জাৰী, ধেমাজি জিলা পৰিষদৰ সদস্যা শোভাৰাণী বসুমতাৰী, অবিভক্ত লখিমপুৰ জিলাৰ প্ৰাক্তন বিএলটি কল্যাণ পৰিষদৰ সভাপতি চাণ্ডুমা বসুমতাৰী, ইউবিপিঅ’ৰ ধেমাজি জিলা সমিতিৰ সভাপতি ৰাতিৰাম বসুমতাৰী, উপ-সভাপতি ৰবীন বড়ো, সাধাৰণ সম্পাদক দিপাংকৰ নাৰ্জাৰী, ধেমাজি জিলা আবৌফৰ সাধাৰণ সম্পাদিকা ভাৰতী ব্ৰহ্ম, এছবি বড়ো হাইস্কুলৰ সহকাৰী শিক্ষক ভৰেন দৈমাৰী উপস্থিত থাকে।

# হাবি-জংঘলে আৱৰি ধৰিছে গহপুৰ

*১২ পৃষ্ঠাৰ পৰা* উদ্ভৱ হৈ আহিছে বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে। আনহাতেদি আজিকোপতি শ্মশানখনত বিজ্ঞানসন্মত তথা অত্যাধুনিক শৱ দাহ প্ৰক্ৰিয়াৰ ব্যৱস্থা গঢ় লৈ উঠা নাই। একেদৰে পানী যোগান আৰু বিদ্যুত সংযোগ ব্যৱস্থাও সন্তোষজনক নহয়। গহপুৰ নগৰক নগৰ সমিতিৰ পৰা বৰ্তমান পৌৰসভালৈ উন্নীত কৰা হ’ল যদিও নগৰখনৰ একমাত্ৰ ৰাজহুৱা হিন্দু শ্মশানখনৰ দীৰ্ঘদিনীয়া অসুবিধা তথা দুৰৱস্থা দূৰ নোহোৱাত সচেতন ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত গহপুৰ পৌৰসভাৰ কৰ্তৃপক্ষই অনতি পলমে ৰাজহুৱা শ্মশানখনৰ দুৰৱস্থা দূৰ কৰি অত্যাধুনিক ৰূপত গঢ়ি তুলিব বুলি সচেতন ৰাইজে আশা প্ৰকাশ কৰিছে। বিশেষকৈ বৰ্তমান ঘন হাবি-জংঘলে আৱৰি থকা শ্মশানখন যথোপযুক্ত তদাৰকী ব্যৱস্থাৰে পৰিস্কাৰ-পৰিচ্ছন্ন কৰি তোলাটো জৰুৰী হৈ পৰিছে।

# ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ

*১২ পৃষ্ঠাৰ পৰা* চিকিৎসা কিদৰে উপযুক্ত চিকিৎসকৰ জৰিয়তে গ্ৰহণ কৰিব পাৰি তাক অৱগত কৰোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই স্বাস্থ্য মেলা অনুষ্ঠিত কৰা হয়। বাগ্‌সা আৰু কামৰূপ জিলাৰ সীমামূৰীয়া আল্লিয়াত অনুষ্ঠিত স্বাস্থ্যমেলাত চকু, কাণ, ডিঙি, অস্থি, মেডিচিন, প্ৰসূতি, দন্ত্য আদি ৰোগত আক্ৰান্তসকলক অভিজ্ঞ চিকিৎসকৰ দলে সেৱা আগবঢ়ায়। স্বাস্থ্যমেলা মুকলি কৰে নলবাৰীৰ উপায়ুক্ত গীতিমণি ফুকনে। এনে ধৰণৰ অনুষ্ঠানে চৰকাৰৰ বিভিন্ন আঁচনি সাধাৰণ জনতাক জ্ঞাত কৰাৰ লগতে দুৱাৰডলিত পোৱা সুবিধাসমূহৰ জৰিয়তে ৰাইজ যথেষ্ট উপকৃত হয় বুলি উপায়ুক্তগৰাকীয়ে মন্তব্য কৰে। স্বাস্থ্য মেলাৰ সজাগতা সভাত অংশগ্ৰহণ কৰি জ্যেষ্ঠ চিকিৎসা তথা নলবাৰী জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ উমেশ ফাংচু, ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ সুৰেন মজুমদাৰে বিভিন্ন ৰোগ সন্দৰ্ভত ল’ব লগা আগতীয়া সজাগতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। স্বাস্থ্য মেলাত প্ৰায় চাৰি শতাধিক ৰোগীক চিকিৎসা প্ৰদান কৰে ক্ৰমে ডাঃ জয়ন্ত তামুলী, ডাঃ দিগন্ত ডেকা, ডাঃ বিকাশ শৰ্মা, ডাঃ ভৰেশ দাস, ডাঃ পাৰভিজ নাছৰিন, ডাঃ গুণজিৎ ডেকা আদিয়ে। স্বাস্থ্য মেলাত ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ বিভিন্ন ঔষধ-পাতি যোগান ধৰা হয়।

# বজালী জিলা প্ৰেছ গীল্ডৰ নতুন

*১২ পৃষ্ঠাৰ পৰা* তালুকদাৰ আৰু সাংবাদিক ৰাণা ডেকাক উপদেষ্টাৰূপে লৈ বজালীৰ জ্যেষ্ঠ সাংবাদিক ধ্ৰুৱজ্যোতি তালুকদাৰক সভাপতি, গুনজিৎ কলিতাক কাৰ্যকৰী সভাপতি, ৰাজীৱ তালুকদাৰক উপ-সভাপতি, জিন্টুল তালুকদাৰক মুখ্যসম্পাদক, মৃণ্ময় পাঠকক সম্পাদক, ডিম্পল তালুকদাৰ আৰু ৰাজীৱ চৌধুৰীক সহকাৰী সম্পাদক, কল্যাণ কলিতাক স্মাৰণিকা সম্পাদক, শশাংক তালুকদাৰ, অনুপজ্যোতি দাস, শশাংক ভৰালী আৰু প্ৰাঞ্জল দাসক সাংগঠনিক সম্পাদক, হীৰকজ্যোতি পাটগিৰিক কাৰ্যালয় সম্পাদক আৰু ধনদীপ ৰয়, চিন্ময় শৰ্মা, বুবু কলিতা, নিৰ্মল ৰয়, অনিৰুদ্ধ দাস, জিলিয়াছ দাস, মৃণাল পাটগিৰি, উদ্দীপ্ত ভৰালী, নিশান্ত চৌধুৰীক লৈ আগন্তক বৰ্ষৰ বাবে ২৩ জনীয়া এখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। বজালী জিলা প্ৰেছ গীল্ডৰ সম্পাদক গুণজিৎ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অহা মাৰ্চৰ ২৫ আৰু ২৬ ত বৰ্ণাঢ্য কাৰ্যসূচীৰে বজালী জিলা প্ৰেছ গীল্ডৰ ১৯ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে সভাত সাংবাদিক গীল্ডৰ উপদেষ্টা গিৰিধৰ চৌধুৰী, ৰাণা ডেকা, গুণজিৎ কলিতা, জিন্টুল তালুকদাৰ, ৰাজীৱ চৌধুৰীয়ে গীল্ডৰ উদ্দেশ্য আৰু লক্ষ্য সন্দৰ্ভত মন্তব্য কৰাৰ উপৰি বৃহত্তৰ বজালী অঞ্চলৰ আৰ্থ-সামাজিক সমস্যাসমূহ সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ ক্ষেত্ৰত সাংবাদিকসকলক গুৰুত্বাৰোপ কৰিবলৈ আহ্বান জনায়।

# দিহিংকিনাৰ নেপালী গাঁৱত বুঢ়ীদিহিং

*১২ পৃষ্ঠাৰ পৰা* সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই সহযোগ কৰাৰ লগতে বাঁহৰভেটাৰ বাবে দুশডাল বাঁহৰ মূল্যৰ ধন গাঁওখনৰ মুখীয়াল ভূপেন ছেত্ৰীৰ হাতত প্ৰদান কৰে। শ্ৰমদান কাৰ্যসূচীত আছুৰ কেন্দ্ৰীয় সমিতি, ডিব্ৰুগড় জিলা সমিতি, টেঙাখাত আঞ্চলিক সমিতি আৰু দুলিয়াজান আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু কৰ্মীসকলে অংশগ্ৰহণ কৰে। আছুৰ জিলা সমিতিৰ সাহিত্য সম্পাদক অৰ্জুন ছেত্ৰীয়ে নেতৃত্ব দিয়া শ্ৰমদান কাৰ্যত অংশগ্ৰহণ কৰি আছুৰ সাধাৰণ সম্পাদক বৰুৱাই কয় যে গৰাখহনীয়া সমস্যা কেৱল দিহিংকিনাৰ নেপালী গাঁৱৰে নহয় অসমত বহুতো গাঁৱৰ লোক এনে সমস্যাত ভুগি আহিছে। নিজৰ ঘৰৰ ভেটি ৰক্ষা কৰিবলৈ চৰকাৰক আবেদন-নিবেদন কৰাৰ পাছতো কোনো সঁহাৰি পোৱা নাই। দিহিংকিনাৰ নেপালী গাঁওবাসী ৰাইজে নিজৰ সমস্যা নিজে সমাধান কৰিবলৈ লোৱা পদক্ষেপ শলাগিবলগীয়া। নাহৰকটীয়া আৰু দুলীয়াজান সমষ্টিৰ সীমামূৰীয়া দিহিংকিনাৰ নেপালী গাঁৱৰ দীৰ্ঘদিনীয়া গৰাখহনীয়া সমস্যা সমাধান কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ, সাংসদ আৰু বিধায়ক আগবাঢ়ি আহিব বুলি আশা কৰে গাঁওখনৰ ৰাইজে।

# ইতিহাসবিদে সোঁৱৰিলে মণিৰাম

*১২ পৃষ্ঠাৰ পৰা* তেওঁৰ মোহভঙ্গ হ’বলৈ ধৰে। অন্তৰত থকা স্বদেশ প্ৰেমে আহোম ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ হকে কাম কৰিবলৈ তেওঁক অনুপ্ৰাণিত কৰে। ড° উদয়াদিত্য ভৰালীৰ মতে অসমৰ প্ৰথম থলুৱা পুঁজিপতি ৰূপে মণিৰাম দেৱানেই প্ৰথম ব্ৰিটিছক অৰ্থনৈতিকভাৱে প্ৰত্যাহ্বান জনাইছিল। তেওঁ কয় যে ১৮৩৭ ত অসমত আনুষ্ঠানিকভাৱে চাহৰ ব্যৱসায় আৰম্ভ হয়। ১৮৩৯ ত ব্ৰিটিছে মণিৰামক অসম চাহ কোম্পানীৰ দেৱান নিযুক্ত কৰে আৰু তেওঁৰ সহায়ত দুখন চাহ বাগিচা প্ৰতিষ্ঠা কৰে। কিন্তু পাছত অসমৰ বাহিৰৰ পৰা শ্ৰমিক অনা বিষয়টোক লৈ ব্ৰিটিছ প্ৰশাসনৰ স’তে মনোমালিন্য ঘটে আৰু তেওঁ দেৱান পদত্যাগ কৰে। তাৰ পিছতেই ১৮৪২ ত তেওঁ যোৰহাটৰ চিনামৰা আৰু শিৱসাগৰৰ চেংলুঙত নিজাকৈ দুখন বাগিচা প্ৰতিষ্ঠা কৰে। ইয়াৰ উপৰিও তেওঁ নিজৰ কোম্পানী প্ৰতিষ্ঠা কৰি অন্যান্য ক্ষেত্ৰলৈও ব্যৱসায় প্ৰসাৰিত কৰে। ড° ভৰালীয়ে কয় যে মণিৰাম দেৱানে নিজৰ কোম্পানীৰ উৎপাদিত সামগ্ৰী পঠিয়াই বিখ্যাত লণ্ডন প্ৰদৰ্শনীতো যোগদান কৰিছিল আৰু তেওঁৰ প্ৰদৰ্শিত সামগ্ৰী উচ্চ প্ৰশংসিত হোৱাৰ লগতে মেৰিট চাৰ্টিফিকেতো লাভ কৰিছিল। কিন্তু ঔপনিবেশিক চৰকাৰৰ প্ৰতিবন্ধকতাৰ বাবে ব্ৰিটিছ ব্যৱসায়ীৰ মাজত তেওঁ তিষ্ঠিব পৰা নাছিল। ড° অজিত কুমাৰ দত্তই কয় যে মণিৰাম দেৱান গুৰু-গম্ভীৰ, স্বদেশক লৈ গৌৰৱী আৰু স্বাভিমানী আছিল। তেওঁ অসমৰ চুবুৰীয়া পাহাৰীয়া জনগোষ্ঠীৰ স’তে সু-সম্পৰ্ক ৰক্ষা কৰিছিল। ড° দত্তৰ মতে মণিৰাম দেৱানক নব্য অৰ্থনীতিৰ ধাৰাই আকৰ্ষণ কৰিছিল আৰু লাভৰ আশাৰে কয়লা আৰু নিমখ যোগান, হাতীৰ ব্যৱসায়, সুৰাৰ ব্যৱসায় তথা নিৰ্মাণ কাৰ্য আদিৰ ব্যৱসায়ত ধৰিছিল। আহোম ৰাজশাসন পুনৰ প্ৰতিষ্ঠা কৰিবলৈ কৰা প্ৰচেষ্টাৰ কথা উল্লেখ কৰি ড° দত্তই কয় যে মণিৰামে ১৮৫৭ ত ব্ৰিটিছৰ স’তে যুঁজিবলৈ সৰ্বভাৰতীয় প্ৰেক্ষাপটত এক উমৈহতীয়া অজুহাত লাভ কৰিছিল আৰু এগৰাকী বেঙ্গলী ভদ্ৰলোক মধুমল্লিকৰ সহযোগত এক কৌশল ৰচনা কৰিছিল। এই সম্পৰ্কত তেওঁ আনকি উত্তৰ প্ৰদেশৰ বিখ্যাত বিদ্ৰোহী নেতা কোঁৱৰ সিঙৰ স’তেও যোগাযোগ স্থাপন কৰিছিল। প্ৰধান সহযোগী পিয়লি বৰুৱাৰ লগতে তেওঁক সহায় কৰিছিল বাহাদুৰ গাঁওবুঢ়া, শ্বেখ ফৰমুদ আলী আদি ব্যক্তিসকলে। কিন্তু শক্তিশালী ঔপনিবেশিক ব্ৰিটিছ চৰকাৰে সেই উত্থান কঠোৰ হাতেৰে দমন কৰে আৰু মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক যোৰহাটত ফাঁচি দিয়ে।

মণিৰাম দেৱানৰ সাহিত্যিক প্ৰতিভাৰ কথা উল্লেখ কৰি ড° চন্দন শৰ্মাই কয় যে মণিৰাম দেৱান ৰচিত ‘বুৰঞ্জী বিবেকৰত্ন’ কেৱল পতনমুখী আহোম শাসনৰ দিনৰ বিৱৰণৰ সংকলনেই নহয়, ইয়াত আছে অসমৰ সমাজ, ধৰ্মীয় গঠন, পৰম্পৰা, শাসন প্ৰণালী, কৰ ব্যৱস্থা আদিৰ বিতং পৰ্যালোচনা। তেওঁ উল্লেখ কৰে যে ইয়াৰ প্ৰথম খণ্ডটো হেৰাই যায় আৰু দ্বিতীয় খণ্ডটো প্ৰকাশ পায় ১৮৩৮ ত। ড° শৰ্মাৰ মতে বুৰঞ্জী বিবেকৰত্ন অসমৰ সেই সময়ৰ সমাজ ব্যৱস্থাৰ এখন বিস্তৃত দস্তাবেজ আৰু এগৰাকী থলুৱা পণ্ডিতৰ দ্বাৰা অসমীয়া ভাষাত বুৰঞ্জী লেখনৰ এক নতুন ধাৰা।

বিশিষ্ট ইতিহাসবিদকেইগৰাকীৰ এই কথাখিনিৰ উপৰিও মণিৰাম দেৱান সম্পৰ্কত এক বিস্তৃত আলোচনা সন্নিবিষ্ট হৈছে আকাশবাণী ডিব্ৰুগড়ে শেহতীয়াকৈ প্ৰযোজনা কৰা ‘Maniram Dewan: Martyr Extraordinaire from the Northeast’ শীৰ্ষক এখন ইংৰাজী তথ্যালেখ্যত। এই তথ্যালেখ্যখন বীৰ ছহিদগৰাকীৰ মৃত্যু তিথিৰ পূৰ্বসন্ধ্যা যোৱা ২৫ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় প্ৰসাৰণত আকাশবাণী দিল্লীৰ পৰা নিশা ৯.৩০ বজাত প্ৰচাৰ কৰা হয়। দেশৰ অন্যান্য আকাশবাণী কেন্দ্ৰসমূহে সেই ৰাষ্ট্ৰীয় প্ৰসাৰণ ৰিলে কৰে তথ্যালেখ্যখন ৰচনা কৰিছে ড° ৰাজীৱ সন্দিকৈয়ে আৰু প্ৰযোজনা কৰিছে আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠান মূৰব্বী লোহিত ডেকাই। বৰ্ণনা কৰিছে ড° স্যমন্ত বৰুৱাই। প্ৰযোজনা সহযোগী খুৰছিদ আহমেদ আৰু ইন্দ্ৰজিৎ দাস। সংগীত সংযোজন হিমাংশুজ্যোতি বুঢ়াগোঁহাইৰ।

# ভাওৰাগুৰীৰ বৰুৱাপাৰাত গৰুৰ কৃত্ৰিম প্ৰজননৰ সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২৬ ফেব্ৰুৱাৰী ঃ** বিস্তৃত গো উন্নয়ন আঁচনিৰ কোকৰাঝাৰ জিলাৰ সাতবিল ৰাজ্যিক পশু চিকিৎসালয়ৰ উদ্যোগত গৰুৰ কৃত্ৰিম প্ৰজনন সন্দৰ্ভত আজি সজাগতাৰ লগতে এক দামুৰী প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। গোসাঁইগাঁও মহকুমা পশু চিকিৎসা বিষয়া মুনিন্দ্ৰ নাথ তালুকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত সজাগতা সভাত বিস্তৃত গো উন্নয়ন আঁচনি, কোকৰাঝাৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ ফটিক দাসে গৰুৰ কৃত্ৰিম প্ৰজনন সম্পৰ্কে ভাষণ আগবঢ়ায়। তেওঁ গৰুৰ কৃত্ৰিম প্ৰজননৰ প্ৰয়োজনীয়তা আৰু গৰুৰ ষ্টিকাৰ লগোৱাৰ ক্ষেত্ৰত কৃষকৰ কৰণীয় সম্পৰ্কে মন্তব্য আগবঢ়ায়। সভাখনত কচুগাঁও পৰিষদীয় সমষ্টি টিচিএলচিচিৰ উপাধ্যক্ষ সিদ্ধাৰ্থ নাৰ্জাৰীয়ে স্থানীয় কৃষক আৰু গোপালকসকলক আমূল কোম্পানীৰ উত্থানৰ কথা উল্লেখ কৰি গোপালকক উৎসাহিত কৰে। উক্ত সভাত ক্ৰাস আঁচনিৰ প্ৰকল্প বিষয়া ডাঃ খগেন শৰ্মা, ফকিৰাগ্ৰাম পশু চিকিৎসালয়ৰ পশু চিকিৎসা বিষয়া ডাঃ হাসেম আলী, হাৰুবাৰী পশু চিকিৎসালয়ৰ পশু চিকিৎসা বিষয়া ডাঃ গুণেন চৌধুৰী আদিকে ধৰি কে’বাজনো পশু চিকিৎসক উপস্থিত থাকি মন্তব্য আগবঢ়ায়। সভাখনত চাৰিজন গোপালকক পুৰস্কৃত কৰা হয়।

# হোজাইত দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰথম বৈঠক

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৬ ফেব্ৰুৱাৰী ঃ** আগন্তক বানপানীৰ সময়ত ল’ব লগা প্ৰয়োজনীয় ব্যৱস্থাৱলীৰ ওপৰত হোজাই জিলা দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা বিভাগৰ উদ্যোগত প্ৰথমখন গুৰুত্বপূৰ্ণ বৈঠক কালি হোজাই জিলা সদৰ শংকৰদেৱ নগৰৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত সভাপতিৰূপে জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু বিভিন্ন সংস্থাৰ স’তে আগন্তক বানপানীৰ দুৰ্যোগৰ সময়ত ল’ব লগা প্ৰয়োজনীয় ব্যৱস্থাৰ সম্পৰ্কে আলোচনা কৰে। সভাত উপস্থিত থকা অতিৰিক্ত উপায়ুক্ত গকুল চন্দ্ৰ ব্ৰহ্ম, অসম দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা ২০১৫ৰ অধীনত বানপানীৰ পুৰ্বাৱস্থা, বানপানীৰ সময়ছোৱাত আৰু পাছৰ সময়ছোৱাত ল’ব লগা প্ৰয়োজনীয় ব্যৱস্থাৱলীসমূহৰ ওপৰত পৰ্যালোচনা কৰে। লগতে সময়োপযোগী আঁচনিসমূহ প্ৰস্তুত কৰি দাখিল কৰিবলৈ আহ্বান জনায়। সভাত হোজাইৰ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই বানপানীৰ সময়ছোৱাত উদ্ধাৰ আৰু সাহায্য অভিযানত সহায়-সহযোগ কৰিবৰ বাবে এছডিআৰএফ বাহিনীৰ স’তে সদায় সাজু হৈ আছে বুলি উল্লেখ কৰে। সভাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, বন বিভাগ, অগ্নিনিৰ্বাপন বিভাগ, বিদ্যুত বিভাগ, জলসম্পদ বিভাগ, কৃষি বিভাগ, জলসিঞ্চন, শিক্ষা, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ, পশুপালন, পথ-গৃহ বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগ, সংহত শিশু উন্নয়ন প্ৰকল্প বিভাগ আদি বিভাগসমূহৰ বিষয়াসকল উপস্থিত থকাৰ লগতে নিজৰ দায়িত্বসমূহ পালন কৰিবলৈ সভাত আলোচনা কৰা হয়।

# ৰামদিয়া নসস্তাৰত নৱ নিৰ্মিত মা মনসা মন্দিৰৰ গৃহ দ্বাৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৬ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ তীৰ্থ নগৰী হাজোৰ ৰামদিয়া নসস্তাৰত নতুনকৈ নিৰ্মাণ কৰা মা মনসা মন্দিৰৰ গৃহৰ দ্বাৰ আজি আয়তীৰ উৰুলি, মাংগলিক ধৰ্মীয় ৰীতি-নীতিৰ জৰিয়তে মুকলি কৰা হয়। মুকলি কৰে বিশিষ্ট ব্যৱসায়ী মেৰাজ আচিকুল ৰহমানে। মা মনসা মন্দিৰৰ সাধক তথা বিশিষ্ট সমাজকৰ্মী প্ৰমোদ বেজবৰুৱাই আঁত ধৰা দ্বাৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিযন্তা দিলীপ বৰুৱাই কয় যে প্ৰকৃততে ধৰ্মই মানুহক সুস্থভাৱে জীৱনক জাগৰিত কৰি তোলে। সমাজ একোখনত ধৰ্মৰ প্ৰভাৱৰ জৰিয়তেও বৰ্তি থাকে। সমাজত মানুহে কেনেদৰে জীৱন যাপন কৰিবলৈ লাগে সেয়া প্ৰকৃততে ধৰ্মৰ এক সুদূৰ প্ৰসাৰী প্ৰভাৱ সদায়েই নিৰ্ণয় কৰি আহিছে। সমাজকৰ্মী প্ৰণৱ মজুমদাৰ, মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি কলিতা প্ৰমুখ্যে কে’বাগৰাকী ব্যক্তিয়েই আধ্যাত্মিকতাই মানুহৰ মাজত কেনেকৈ জাগৰিত কৰি আহিছে লগতে মা মনসা দেৱীৰ ওপৰত বক্তব্য আগবঢ়ায়। মাংগলিক ৰীতি-নীতিৰে অৰম্ভণি কৰা মন্দিৰৰ দ্বাৰ মুকলি অনুষ্ঠানত ওজপালি, নাম প্ৰসংগ, ঢুলীয়া প্ৰদৰ্শন কৰা হয়। অনষ্ঠানত জ্যোতিষ কলিতা, সুভাষ বেজবৰুৱা, পংকজ বৈশ্যকে ধৰি অঞ্চলটোৰ কে’বাশতাধিক ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে।

# শিৱসাগৰত ই-ৰিক্সা চালকৰ সমস্যাৰ তাৎক্ষণিক সমাধান সংসদৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৬ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ পৰিবহণ বিভাগে নগৰত চলি থকা ই-ৰিক্সা সমূহক অবৈধ ভাৱে জৰিমনা বিহাক লৈ নগৰৰ বৰ্ডিং খেলপথাৰত চালক সকলে প্ৰতিবাদ সাব্যস্ত কৰিছিল। শিৱসাগৰ পৌৰসভাৰ তালিকাভূক্ত ই-ৰিক্সা সমূহৰ বিৰুদ্ধে পৰিবহণ বিভাগে পঞ্জীয়ন নথকাৰ জৰিমনাৰ লগতে ফিট্‌নেচৰ নামটো বাৰ হাজাৰ টকাৰ পৰা ৫০ হেজাৰ টকালৈকে জৰিমনা বিহাৰ অভিযোগ উত্থাপন হৈছিল। প্ৰায় ছশ-সাতশ ই-ৰিক্সা পৰিবহন বিভাগে জব্দ কৰি বৃহৎ পৰিমাণৰ জৰিমনাৰ বিনিময়ত মুকলি কৰি দিছিল। এই বৃহৎ পৰিমাণৰ জৰিমনাক লৈ ই-ৰিক্সা চালক সকলে নগৰখনত বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰিছিল। তলাবন্ধই জুৰুলা কৰা এইসকল শিক্ষিত নিবনুৱাই কৰ’নাৰ শিথিলতাৰ পাছতেই ই-ৰিক্সাসমূহ চলাবলৈ আৰম্ভ কৰিছিল। তলাবন্ধৰ সময়ত প্ৰায় স্তব্ধ হৈ পৰা জনজীৱনৰ লগতে যাতায়ত ব্যৱস্থাও অতি দুখলগা হৈ পৰিছিল। ই-ৰিক্সা সমূহ বন্ধ হৈ পৰাত প্ৰায় সংখ্যক ই-ৰিক্সাই শিৱসাগৰ পৌৰসভাক দিবলগীয়া কৰ সময়মতে পৰিশোধ কৰিব পৰা নাছিল আৰু সেই কৰৰ সুত বৃদ্ধি হৈ হৈ বহু হেজাৰ টকা হোৱাত চালকসকলৰ মাজত এক সমস্যা সৃষ্টি হোৱাৰ লগতে পৰিয়াল চলাবলৈ তেওঁলোক অপাৰগ হৈ পৰিছিল। এই সন্দৰ্ভত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈক বিষয়টো অৱগত কৰাত সাংসদজনে তাৎক্ষণিকভাৱে বিষয়টোৰ সন্দৰ্ভত জিলা উপায়ুক্তৰ স’তে আলোচনাত মিলিত হৈ এই বৃহৎ সমস্যাটো সমাধা কৰি ই-ৰিক্সা চালক সকলক সকাহ প্ৰদান কৰে।

# মৰিগাঁও জিলা সত্ৰ মহাসভাৰ

*১২ পৃষ্ঠাৰ পৰা* ত্যাগ আগবঢ়ায় অহা শিক্ষাবিদ, সাহিত্যিক নৰেন্দ্ৰ নাথ কেওটক মৰিগাঁও জিলা সত্ৰ মহাসভাই বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিব বুলি সম্পাদক বিমল বৰকাকতিয়ে সদৰী কৰিছে।



*সোণাপুৰত বোৱাৰীৰ মৃতদেহ উদ্ধাৰক লৈ ৰাইজৰ উৎকণ্ঠা, শনিবাৰে।*

# মৰিয়নিত নাৰী সৱলীকৰণ আৰু দক্ষতা বিকাশৰ প্ৰশিক্ষণৰ নতুন গৃহ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৬ ফেব্ৰুৱাৰী ঃ** মৰিয়নিৰ সমীপৰ বাহনী চাহ বাগিচাৰ সৌজন্যত তথা স্নেহপদ আৰু যোৰহাট জনশিক্ষণ সংস্থাৰ উদ্যোগত কালি নাৰী সৱলীকৰণ আৰু দক্ষতা বিকাশৰ বাবে বাহনী বাগিচাত নিৰ্মাণ কৰা এটি স্থায়ী পকী গৃহ উদ্বোধন কৰা হয়। নাৰীৰ দক্ষতা বিকাশৰ এই পকী গৃহটো বাহনী চাহ বাগিচা কৰ্তৃপক্ষই নিৰ্মাণ কৰি দিছে। তিতাবৰ মহকুমাৰ আৰক্ষী বিষয়া নৱনীতা শৰ্মা আৰু বাঘচোং উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কৃতিকা শৰ্মাই এই নতুন গৃহটোৰ ফিটা কাটি উদ্বোধন কৰে। এই উপলক্ষে অনুষ্ঠিত চমু অনুষ্ঠানত দুয়োগৰাকী উদ্বোধকে নাৰী সৱলীকৰণৰ ক্ষেত্ৰত এই গৃহটোৱে বৃহত্তৰ অঞ্চলটোৰ যুৱতী আৰু মহিলাসকলক বিশেষভাৱে উপকৃত হোৱাৰ লগতে উচ্চ প্ৰশিক্ষণৰ দ্বাৰা স্ব-নিয়োজনৰ ক্ষেত্ৰতো ইতিবাচক প্ৰভাৱ পেলাব বুলি উল্লেখ কৰে। আনহাতে, স্নেহপদৰ সচিব প্ৰকাশ ঠাকুৰে সম্ভাব্য প্ৰশিক্ষণসমূহৰ বিষয়ে উল্লেখ কৰে। বাহনী চাহ বাগিচাৰ পৰিচালক মনোজ বৰগোহাঁই আৰু যুৱ সমাজকৰ্মী বিমান কাৰ্দঙে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি তিতাবৰ মহকুমাৰ শ্ৰম পৰিদৰ্শক ৰিমঝিম গগৈ, কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিতুমণি ফুকনে মহিলাসকলৰ প্ৰশিক্ষণৰ বাবে এটি পকী গৃহ নিৰ্মাণ কৰি দি বাহনী চাহ বাগিচা কৰ্তৃপক্ষই সামাজিক দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰা বুলি উল্লেখ কৰি ইয়াৰ পৰা বৃহত্তৰ অঞ্চলটোৰ মহিলা আৰু যুৱতীসকল বিশেষভাৱে উপকৃত হ’ব বুলি মন্তব্য কৰে। অনুষ্ঠানত বাহনী চাহ কোম্পানীৰ সঞ্চালক সমীৰেন্দ্ৰ নাথ ফুকন, প্ৰাক্তন সঞ্চালক সূৰ্যনাৰায়ণ ফুকন, যোৰহাট জনশিক্ষণ সংস্থাৰ জ্যোতি প্ৰসাদ কলিতা, অসম চাহ মজদুৰ সংঘৰ সংগঠক অনিল ৰজক আদি বিশিষ্ট ব্যক্তিসকলে বক্তব্য প্ৰদান কৰি নাৰী সৱলীকৰণৰ সম্পৰ্কে উল্লেখ কৰে। হস্তশিল্পী নয়নমণি বৰা, উত্তৰ-পূব ক্ষুদ্ৰ বিত্তীয় বেংকৰ শাখা পৰিচালকো অনুষ্ঠানত উপস্থিত থাকে।

## সাংসদৰ নিৰ্দেশনাৰ পাছতো গা লৰা নাই বিভাগৰ

# আজিও বিধ্বস্ত সানেকুছি বৰপুখুৰী পাৰৰ পৰা বড়িতোলা সংযোগী পথ



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৬ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী আৰু নলবাৰী সমষ্টিক সংযোগকাৰী এটি পথ হ’ল সানেকুছি বৰপুখুৰী পাৰৰ কীৰ্তনঘৰৰ পৰা বড়িতোলা (দেহাৰকুছি) সংযোগী পথ। স্বাধীনতাৰ সত্তৰ দশক অতিক্ৰম কৰাৰ পাছতো উক্ত পথটো বিধ্বস্ত হৈ থাকিবলগীয়া হোৱাটো দুয়োটা সমষ্টিৰ বাবে অভিশাপ স্বৰূপ হৈ পৰিছে। আনকি উক্ত পথটো প্ৰতিবাৰে পঞ্চায়তে মেৰামতি কৰাৰ নামত গোগ্ৰাসে ধন হজম কৰাৰ যথেষ্ট উদাহৰণ আছে। একপ্ৰকাৰ পথটো প্ৰতিটো পঞ্চায়তৰ কাৰ্যকালতে সোণৰ কণী পৰা হাঁহৰ লেখীয়া হৈ পৰিছে। দুৰ্ভাগ্যজনক কথা যে পথটো কোনোমতে যাতায়াতৰ উপযোগী নহয়হে নহয়। উপায়ান্তৰ হৈ ভুক্তভোগী ৰাইজে মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াক যোৱা বছৰ ১৩ ছেপ্টেম্বৰতে এখন আবেদন দিছিল। ৰাইজৰ আবেদন পাই সাংসদজনে লগে লগে পথটো চৰজমিন তদন্ত কৰি এটি আঁচনি প্ৰস্তুত কৰাৰ বাবে লোকনিৰ্মাণ বিভাগৰ বৰক্ষেত্ৰী উপ-সংমণ্ডলক নিৰ্দেশ দিয়ে। সাংসদজনৰ নিৰ্দেশৰ পাছতে লোকনিৰ্মাণ বিভাগৰ কেইজনমান বিষয়া-কৰ্মচাৰীয়ে পথটো জোখ-মাখ কৰি লৈ যায় যদিও তাৰ পাছত কোনো ইতিবাচক ফল দেখা নাই। এই ক্ষেত্ৰত ৰাইজে সাংসদজনৰ নিৰ্দেশনাকো বিভাগটোৱে গুৰুত্ব নিদিয়াৰ অভিযোগ তুলিছে। কাৰণ কেইটামান দিন পাছতে বাৰিষা পৰিব। বাৰিষা পৰিলে পথত মাটি দিয়াটো কঠিন হ’ব। সেয়েহে বাৰিষাৰ পূৰ্বে পথটো যাতায়াতৰ সূচল কৰাৰ বাবে ৰাইজে লোকনিৰ্মাণ বিভাগক আবেদন জনাইছে। উল্লেখ্য যে পথটো বাৰিষা কালত সামান্য পানী বাঢ়িলে সম্পূৰ্ণৰূপে ডুব গৈ থাকে।

# সত্যৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞানেই হৈছে বিজ্ঞান ঃ ড° দাস

## শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৬ ফেব্ৰুৱাৰী ঃ** শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত স্বাধীনতাৰ অমৃত মহোৎসৱৰ স’তে সংগতি ৰাখি বিজ্ঞানৰ প্ৰসাৰ নতুন দিল্লী, অসম বিজ্ঞান সমিতি আৰু অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদৰ আয়োজনত আৰু অসম বিজ্ঞান সমিতি শুৱালকুছি শাখাৰ সহযোগত ‘মানৱ জীৱনত বিজ্ঞানৰ প্ৰয়োজনীয়তা’ শীৰ্ষক এটি বক্তৃতানুষ্ঠান যোৱা ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতি শুৱালকুছি শাখাৰ কোষাধ্যক্ষ কুসুম্বৰ বৈশ্যই আঁত ধৰা অনুষ্ঠানত উদ্বোধনী ভাষণ আগবঢ়াই মহাবিদ্যালয় অধ্যক্ষ তথা অসম বিজ্ঞান সমিতি শুৱালকুছি শাখাৰ সভাপতি ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে। তেওঁ স্বাধীনতাৰ অমৃত মহোৎসৱৰ তাৎপৰ্য ব্যাখ্যা কৰি স্বাধীনতাৰ ৭৫ বছৰত ৰাষ্ট্ৰৰই লাভ কৰা উন্নতিৰ লগত বিজ্ঞানৰ অৱদানৰ ব্যাখ্যা আগবঢ়ায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান বিষয়ৰ প্ৰতি আকৰ্ষিত হ’বলৈ আৰু বিশেষভাৱে সজাগ হ’বলৈ আহ্বান জনোৱাৰ লগতে সমগ্ৰ বিশ্বই কৰ’না মহামাৰীৰ সময়ত চিকিৎসা বিজ্ঞানৰ অৱদান আৰু প্ৰয়োজনীয়তাৰ ব্যাখ্যা দাঙি ধৰে। বক্তৃতানুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° বন্তি বৰাই প্ৰমাণিত যুক্তি নিষ্ঠা জ্ঞানকে বিজ্ঞান বুলি অভিহিত কৰি ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান বিষয়ৰ প্ৰতি হৈ বিজ্ঞান মানসিকতাৰে আগবাঢ়িবলৈ আহ্বান জায়। বক্তৃতানুষ্ঠানখনত মূল ভাষণ আগবঢ়ায় মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপক ড° দীপুল কুমাৰ দাসে। ড° দাসে কয় যে সত্যৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞানেই হৈছে বিজ্ঞান। তেওঁ কয় যে প্ৰণালীবদ্ধ জ্ঞান বা যি জ্ঞান আমি পৰ্যবেক্ষণ আৰু পৰীক্ষাৰ জৰিয়তে সত্য প্ৰতিষ্ঠিত কৰিব পাৰি সেয়ে বিজ্ঞান। তেওঁ কয় যে বিজ্ঞান অবিহনে প্ৰকৃত সত্য উদ্‌ঘাটন কৰিব নোৱাৰি আৰু তেওঁ বিজ্ঞানীসকলক সত্যৰ পূজাৰী বুলি অভিহিত কৰে। সভাত শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য তীৰ্থনাথ শৰ্মাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানৰ অৱদানৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি দুয়োখন হাইস্কুলৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ‘পৰিৱেশ সংৰক্ষণত সমাজৰ ভূমিকা’ শীৰ্ষক এক প্ৰবন্ধ লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাখনত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ডালিম ৰাজবংশী, গীতালি দাস আৰু বিশাল ডেকাই।



## ছয় উইকেটত জয়ী উত্তৰ প্ৰদেশ ঃ এলিটৰ পৰা প্লেটলৈ অৱনমিত হোৱাৰ শংকা অসমৰ

# ৰঞ্জী ট্ৰফীৰ দ্বিতীয় মেচতো পৰাস্ত অসম

**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী ঃ** অসমে চলিত ৰঞ্জী ট্ৰফীৰ নিজৰ দ্বিতীয়খন মেচতো পৰাজয়ৰ সন্মুখীন হৈছে। তিনিদিনতে সমাপ্ত হোৱা মেচখনত উত্তৰ প্ৰদেশে আজি ছয় উইকেটত পৰাস্ত কৰে অসম ক্ৰিকেট দলক। বিজয়ৰ বাবে উত্তৰ প্ৰদেশক প্ৰয়োজন হোৱা 112 ৰাণ দলে চাৰি উইকেটতে পূৰ্ণ কৰি ছয় পইণ্ট লাভ কৰে। মেচখনত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল উত্তৰ প্ৰদেশে। উল্লেখ্য যে অসমে প্ৰথমদিনাই 265 ৰাণ কৰি প্ৰথম ইনিংছ সামৰাৰ পাছত উত্তৰ প্ৰদেশে প্ৰথম ইনিংছত কৰে 274 ৰাণ। ইফালে, দ্বিতীয় দিনাৰ খেলৰ অন্তত অসমে দ্বিতীয় ইনিংছত 5-1 ৰাণ কৰাৰ পাছত আজি 120 ৰাণতে অলআউট হয়। ঋষভ দাসে 73 ৰাণ কৰাৰ বাদে বাকীসকল ব্যৰ্থ হয়। উল্লেখ্য যে হাৰিয়ানাৰ বংশীলাল ক্ৰিকেট ষ্টেডিয়ামত হোৱা মেচত টছত হাৰি পোনতে বেটিং কৰা অসমে প্ৰথমদিনাই 265 ৰাণ কৰি প্ৰথম ইনিংছ সামৰিছিল। ৰিয়ানে 79 বলত পাঁচটা ছিক্সাৰ আৰু 10 টা বাউণ্ডেৰীসহ 91 ৰাণ কৰি আউট হয়। গকুল শৰ্মাৰ (49] লগত ৰিয়ানে বেটিং কৰি থকা সময়ত মেচ অসমৰ আয়ত্বত আছিল যদিও তাৎক্ষনিকভাবে ৰাজ্যৰ দলটো বিপদত পৰে। ইয়াৰপূৰ্বে অসমক সুন্দৰ আৰম্ভণি দিছিল দুই অপেনাৰ শুভম মণ্ডল (56] আৰু ঋষভ দাসে (30] ¼ কিন্তু ব্যৰ্থ হয় পল্লৱ দাস (5] , ছাহিল জৈন (1] আৰু কুনাল শইকীয়া (1] ¼ উল্লেখ্য যে ৰঞ্জী ট্ৰফীৰ ছিজনৰ প্ৰথমখন মেচতো ইনিংছ ব্যৱধানত পৰাজয়ৰ সন্মুখীন হোৱা অসম ক্ৰিকেট দলৰ বাবে এই মেচ অতি গুৰুত্বপূৰ্ণ আছিল। ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাৰ পাছত অসমৰ নতুন সমস্যা হ'ল এলিটৰ পৰা প্লেটলৈ অৱনমনৰ শংকা। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে খেলা প্ৰথম মেচখনত ফল'অনৰ সন্মুখীন হোৱা অসমে এক ইনিংছ সাত ৰাণত পৰাস্ত হয়। এতিয়া বিদৰ্ভৰ বিৰুদ্ধে অসমে তৃতীয় তথা অন্তিমখন মেচ খেলিব তিনিৰ পৰা ছয় মাৰ্চলৈ। এই মেচত অসমে পইণ্ট লোৱাটো অতিকৈ জৰুৰী হ'ব।



## দ্বিতীয় টি-২০ ত জয়ী হৈ শ্ৰীলংকাৰ বিৰুদ্ধে শৃংখলা দখল ভাৰতৰ

**ধৰমশালা, ২৬ ফেব্ৰুৱাৰী ঃ** ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচতো সাত উইকেটত জয়ী হৈ 2-0 ৰ অগ্ৰগতিৰে শৃংখলা দখল কৰিছে। আজি ধৰমশালত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি শ্ৰীলংকাই নাছাকাৰ 75 ৰাণৰ সহায়ত পাঁচ উইকেটত 183 ৰাণ কৰিছিল যদিও ভাৰতে 17 টা বল বাকী থাকোতেই তিনি উইকেট হেৰুৱাই 186 ৰাণ কৰি জয় তথা শৃংখলা দখল কৰে। ভাৰতৰ হৈ দুই অপেনাৰ ৰোহিত শৰ্মা (1] আৰু ইষান কিষান (16] আজি সফল নহ'ল। কিন্তু শ্ৰেয়াছ আয়াৰ (74] আৰু ৰবীন্দ্ৰ জাডেজা (45] ৰ অপৰাজিত বেটিঙৰ লগতে সঞ্জু ছেমছনৰ 39 ৰাণৰ সহায়ত ভাৰতে সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচত 62 ৰাণত জয়ী হৈ শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। লক্ষ্ণৌত অনুষ্ঠিত হোৱা মেচত ভাৰতে 20 অভাৰত দুই উইকেটৰ বিনিময়ত 199 ৰাণ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই 137-6 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ভাৰতে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰিছিল। সদ্য ঘোষিত আই চি চিৰ টি-20 ৰেংকিঙৰ শীৰ্ষস্থানত উপনীত হৈছে টীম ইণ্ডিয়া।

## বৰ্ষাপাৰাত দিল্লীৰ বিৰুদ্ধে অগ্ৰগতি লৈ শক্তিশালী স্থিতিত ঝাৰখণ্ড

**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত চলি থকা ৰঞ্জী ট্ৰফীৰ মেচখনত দিল্লীৰ বিৰুদ্ধে অগ্ৰগতি লৈ শক্তিশালী স্থিতিত উপনিত হৈথে ঝাৰখণ্ড। উল্লেখ্য যে মেচখনত প্ৰথমদিনা পোনতে বেটিং কৰা ঝাৰখণ্ডে 251 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ অধিনায়ক বিৰাট সিঙে (103] শতক অৰ্জন কৰে। প্ৰত্যুত্তৰত আজি দিল্লীয়ে 223-8 ৰাণৰ পৰা খেলিবলৈ লৈ 224 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি ঝাৰখণ্ডে আজি তৃতীয় দিনাৰ খেলৰ অন্তত নাজিম (110] আৰু সুৰজৰ (129] শতকৰে দ্বিতীয় ইনিংছত পাঁচ উইকেটত 288 ৰাণ কৰে আৰু 315 ৰাণৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা দিল্লী আৰু ঝাৰখণ্ডৰ মেচখন উভয় দলৰ বাবে গুৰুত্বপূৰ্ণ। ইয়াৰপূৰ্বে প্ৰথম মেচত দিল্লীয়ে তামিলনাড়ুৰ বিৰুদ্ধে এক পইণ্ট লাভ কৰাৰ বিপৰীতে ঝাৰখণ্ড পৰাস্ত হৈছিল চত্তিছগড়ৰ হাতত।

## মস্কোত ৰূপৰ পদক জয় কৰিলে অসমৰ উশ্বু খেলুৱৈ চিৰঞ্জিতে



**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী ঃ** অসমৰ উদীয়মান উশ্বু খেলুৱৈ চিৰঞ্জিত বড়োই ৰাছিয়াৰ মস্কো চহৰত ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে যোৱা 22 ফেব্ৰুৱাৰীৰ পৰা ৰাছিয়াৰ মস্কো চহৰত আৰম্ভ হৈছে মস্কো উশ্বু ষ্টাৰ্ছ চেম্পিয়নশ্বিপ । এই প্ৰতিযোগিতাত দেশৰ 61 গৰাকী খেলুৱৈৰ ভিতৰত অসমৰ তিনি গৰাকী খেলুৱৈও আছে । ইয়াৰ ভিতৰত জুনিয়ৰ শাখাত অসমৰ চিৰঞ্জিতে নানকোৱান শাখাত ৰূপৰ পদক অৰ্জন কৰিছে । আৰ্মি পাব্লিক স্কুল, নাৰেংগীৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ চিৰঞ্জিত অসম উশ্বু সন্থাৰ সম্পাদক ৰঞ্জিত বড়োৰ পুত্ৰ । গুৱাহাটী ৰূপ নগৰৰ জুভেণ্টাছ স্পৰ্টছ ক্লাবৰ সদস্য চিৰঞ্জিতে কামৰূপ মহানগৰৰ উশ্বু সন্থাৰ হৈ উশ্বু কচিং চেণ্টাৰৰ নিয়মীয়া প্ৰশিক্ষাৰ্থী । এই সাফল্যৰ বাবে চিৰঞ্জিতক অভিনন্দন জনাইছে অসম উশ্বু সন্থাৰ সভাপতি মুৰুলিধৰ চৌধৰীয়ে।

## প্ৰথম ক্ৰীড়াবিদ হিচাপে ব্ৰাজিল বধিৰ অলিম্পিক খেলিব অসমৰ অভিনন্দনে

**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী ঃ** অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰিছে টাইকোৱান-ডো খেলুৱৈ অভিনন্দন গোস্বামীয়ে। উল্লেখ্য যে চলিত বৰ্ষতে মাৰ্চ-এপ্ৰিলত ব্ৰাজিলত অনুষ্ঠিত হ'ব বধিৰ অলিম্পিক। এই মেগা প্ৰতিযোগিতাত অংশ ল'ব ভাৰতীয় দলেও। ভাৰতীয় দল বাছনি কৰিবলৈ লক্ষ্ণৌ অনুষ্ঠিত হয় প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাতে প্ৰথমস্থান দখল কৰি অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰিছে 20 বছৰীয়া টাইকোৱান-ডো খেলুৱৈ অভিনন্দনে। উল্লেখ্য যে অভিনন্দনক টাইকোৱান-ডোৰ প্ৰাথমিক প্ৰশিক্ষণ দিছিল পিতৃ নিৰঞ্জন গোস্বামীয়ে। পৰৱৰ্তী সময়ত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বাছনি পৰীক্ষাত সফলতা লাভ কৰি ৰাষ্ট্ৰীয় স্তৰলৈ উত্তৰণ কৰে। মেধা সম্পন্ন গুৱাহাটীৰ ক্ৰীড়াবিদজনে সম্প্ৰতি বিৰুবাৰীৰ বধিৰ মহাবিদ্যালয়ত অধ্যয়ন কৰি আছে। অসম চৰকাৰৰ ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব পবিত্ৰ মাৰ্ঘেৰিটাই অভিনন্দনৰ এই সফলতাৰ বাবে শুভেচ্ছা জনাই আশাব্যক্ত কৰিছে যে আসন্ন বধিৰ অলিম্পিকত খেলুৱৈজনে সফলতা লাভ কৰি অসম তথা দেশলৈ গৌৰৱ কঢ়িয়াই আনিব।





## দ্বিতীয় টেষ্টত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে সংকটত নিউজিলেণ্ড


**ক্ৰিছচাৰ্ছ, ২৬ ফেব্ৰুৱাৰী ঃ** নিউজিলেণ্ডে টেষ্ট শৃংখলা জয় কৰাৰ লক্ষ্যৰে দ্বিতীয়খন টেষ্ট খেলিছে যদিও দক্ষিণ আফ্ৰিকাৰ শক্তিশালী প্ৰদৰ্শনে ঘৰুৱা দলটোক সংকটৰ সন্মুখীন কৰাইছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ 364 ৰাণৰ প্ৰত্যুত্তৰত আজি দ্বিতীয় দিনা নিউজিলেণ্ড প্ৰথম ইনিংছত পাঁচ উইকেটত 157 ৰাণ কৰিছে আৰু এতিয়াও 207 ৰাণ পিছ পৰি আছে। উল্লেখ্য যে নিউজিলেণ্ডেৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলাৰ প্ৰথম মেচতে চমকপ্ৰদ প্ৰদৰ্শন কৰিছিল। তিনিদিনতে সমাপ্ত হোৱা মেচখনত নিউজিলেণ্ডে এক ইনিংছ আৰু 276 ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথমদিনা পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই মাত্ৰ 95 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত নিউজিলেণ্ডে প্ৰথম ইনিংছত 482 ৰাণত অলআউট হয়। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছতো বেটিঙত ব্যৰ্থ হৈ 111 ৰাণত অলআউট হয় আৰু পৰাজয় স্বীকাৰ কৰে।

## গুৱাহাটীত আন্তঃজিলা জুনিয়ৰ ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা



**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী ঃ** অহা আঠৰ পৰা 11 মাৰ্চলৈ গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব আন্তঃজিলা জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা। অসম অলিম্পিক সন্থাৰ সভাকক্ষত আজি অনুষ্ঠিত হোৱা এখন সংবাদমেলত এই বিষয়ে অৱগত কৰে অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে। উল্লেখ্য যে ল'ৰা-ছোৱালীৰ উভয় শাখাৰ প্ৰতিযোগিতাখনত ৰাজ্যৰ 35 খন জিলাৰ প্ৰায় 900 খেলুৱৈ আৰু অফিচিয়েলে অংশগ্ৰহণ কৰিব। এই প্ৰতিযোগিতাৰ পৰাই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে অসম দল বাছনি কৰা হ'ব। উল্লেখ্য যে এইবাৰ অসম এথলেটিকছ সন্থাই গুৱাহাটীত আয়োজন কৰিব জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতা। উল্লেখ্য যে এইবাৰৰ আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতাখন আয়োজনৰ ক্ষেত্ৰত পূৰ্বৰ কিছু দিশ সাল-সলনি কৰিছে অসম এথলেটিকছ সন্থাই। তাৰ ভিতৰত গুৰুত্বপূৰ্ণ বিষয়টো হ'ল প্ৰতিযোগিতাৰ আয়োজকে অংশ লোৱা খেলুৱৈক থকাৰ সুবিধা দিব যদিও খোৱাটো খেলুৱৈজনৰ জিলাই দিব লাগিব। ইতিমধ্যে অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰৰ সভাপতিত্বত ভাৰ্চুৱেল মাধ্যমেৰে অনুষ্ঠিত কাৰ্যনিৰ্বাহ সভাত এই সিদ্ধান্ত গ্ৰহন কৰা হৈছে আৰু জিলাসমুহে এইক্ষেত্ৰত সহমত প্ৰকাশ কৰিছে। অংশগ্ৰহন কৰিবলগীয়া জিলাসমূহৰ খেলুৱৈ সকলৰ প্ৰৱেশ পঞ্জীয়ন অনলাইন মাধ্যমেৰে 22 ফেব্ৰুৱাৰীৰ দিনৰ 12 বজাত আৰম্ভ হৈ দুই মাৰ্চৰ নিশা 12 বজাত সামৰণি পৰিব। আজিৰ সংবাদ মেলত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ প্ৰতিনিধি কল্যান গগৈ, বিষ্ণুৰাম নুনিছা আৰু এথলেটিকছ প্ৰশিক্ষক নিপন দাস।

## জিলা মাষ্টাৰ্চ এথলেটিকছ আৰম্ভ



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ২৬ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলা মাষ্টাৰ্ছ এথলেটিক সন্থাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে প্ৰথম অবিভক্ত গোৱালপাৰা জিলা ভিত্তিত মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতা। জিলা সদৰ কাজলগাঁওস্থিত উদাংশ্ৰীনী আলাৰী প্ৰেমসিং ব্ৰহ্ম ক্ৰীড়া প্ৰকল্পত আৰম্ভ হোৱা এই প্ৰতিযোগিতা আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰে বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দাওবৈছা বড়োৱে। এই উপলক্ষে অবিভক্ত গোৱালপাৰা জিলা মাৰ্টাৰ্ছ এথলেটিক সন্থাৰ সভাপতি ডাঃ ৰবিৰাম ওৱাৰীয়ে মূল পতাকা উত্তোলন কৰাৰ সমান্তৰালকৈ প্ৰতিযোগিতাত যোগদান কৰা কোকৰাঝাৰ, চিৰাং, বঙাইগাওঁ আৰু গোৱালপাৰা জিলা সমিতিৰ পতাকা সমূহ উত্তোলন কৰা হয় । ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে চিদলী বিধান সভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে । উদ্বোধনী অনুষ্ঠানত যজ্ঞৱতী, বসুমতাৰী, সদৌ অসম মাষ্টাৰ্ছ এথলেটিক সন্থাৰ কাৰ্যকৰী সভাপতি মাগুৰাম বালাৰী, সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি সুকুমাৰ বসুমতাৰী, অবিভক্ত গোৱালপাৰা জিলা মাষ্টাৰ এথলেটিক সন্থাৰ সভাপতি ডাঃ ৰবিৰাম ওৱাৰী সহ ভালে সংখ্যক অতিথি ৰূপে উপস্থিত থাকে । প্ৰতিযোগিতাত বঙাইগাঁও, চিৰাং, ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰৰ প্ৰায় দুশ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছে।

## আজি ফাইনেলত নলবাৰী-তেজপুৰ



**বিশেষ সংবাদদাতা, ওদালগুৰি, ২৬ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতীম দাস সোঁৱৰণী ক্ৰিকেটৰ কাইলৈ ফাইনেল খেলখন বিকে চেলেঞ্জাৰ, নলবাৰী আৰু হাৰিকেন তেজপুৰৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন ছেমিফাইনেল খেলত হাৰিকেন ক্ৰিকেট ক্লাৱ, তেজপুৰে টংলা ক্ৰিকেট ক্লাবক 74 ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি তেজপুৰে নটা উইকেট হেৰুৱাই 235 ৰাণ সংগ্ৰহ কৰে। তেজপুৰৰ গৌৰৱ শইকীয়া আৰু যোগেন দাসে ক্ৰমে 70 আৰু 61 ৰাণ সংগ্ৰহ কৰে। টংলাৰ ডানিছ আহমেদে চাৰিটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত টংলাই আটাইকেইটা উইকেট হেৰুৱাই 161 ৰাণতে ইনিংছ সামৰে। উল্লেখ্য যে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত বিকে চেলেঞ্জাৰ নলবাৰীয়ে ওদালগুৰিৰ অক্সএমচিচি ক্ৰিকেট ক্লাৱক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছিল।

## দক্ষিণ কামৰূপ লীগ ভলীবলত কাছকা দল চেম্পিয়ন

**ছয়গাঁও, ২৬ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ 2021-22 বৰ্ষৰ আন্তঃ ক্লাব লীগ ভলীবল প্ৰতিযোগিতাত কুকুৰমাৰাৰ কাছকা ভলীবল ক্লাব চেম্পিয়ন হৈছে । ছয়গাঁও মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত কাছকাই ছয়গাঁও মহাবিদ্যালয় 'ক' দলক 2-0 (30-28, 28-26) গেমত হৰুৱাই চেম্পিয়ন হয় । মহাবিদ্যালয়ৰ আভ্যন্তৰীন মান আৰু প্ৰত্যায়ন কোষ, ক্ৰীড়া কোষ আৰু ছয়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ যৌথ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ অন্তত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড0নগেন কলিতা, উপাধ্যক্ষ কমল ঠাকুৰীয়া, অৱসৰী অধ্যাপক পৰেশ অধিকাৰী, জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া আৰু বঁটাৰ দাতা উৰাই ৰাভাই বঁটাসমূহ বিতৰণ কৰে । ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা কাছকাৰ দীপাংকৰ কাশ্যপে লাভ কৰে । সভাত মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত বেডমিণ্টন প্ৰতিযোগিতাৰ বঁটা সমূহো বিতৰণ কৰা হয়।

## লাচিত সংঘৰ উদ্যোগত অসম ভিত্তিত ক্ৰিকেট প্ৰতিযোগিতা

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৬ ফেব্ৰুৱাৰী ঃ** পয়লা লাচিত সংঘৰ উদ্যোগত অসম ভিত্তিত আয়োজিত নৰম বাৰ্ষিক দিবা- নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাখন অহা 12 আৰু 13 মাৰ্চত অনুষ্ঠিত হ'ব। পয়লা এ. এচ. ই. বি চ'কৰ কাষৰ ফিল্ডত অনুষ্ঠিত হব লগা এই খেলখনত প্ৰতিযোগী দলৰ যোগদানৰ মাচুল হ'ল 2,501 টকা। উদ্যোক্তা সকলে জানিব দিয়া মতে খেলৰ প্ৰথম পুৰস্কাৰ 50,001 টকা, দ্বিতীয় পুৰস্কাৰ 25,001 টকা। ইচ্ছুক প্ৰতিযোগী দলে 7002797428, 7002307700 আৰু 8723082016 ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

## নেহৰু ষ্টেডিয়ামত তামিলনাড়ুৰ বিৰুদ্ধে সংকটত চত্তিছগড়

**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত চলি থকা ৰঞ্জী ট্ৰফীৰ মেচখনত তামিলনাড়ুৰ বিৰুদ্ধে পৰাজয়ৰ শংকাত আছে চত্তিছগড়। উল্লেখ্য যে মেচৰ প্ৰথমদিনা বেটিং কৰা তামিলনাড়ুই প্ৰথম ইনিংছত চাৰিটা উইকেট হেৰুৱাই 308 ৰাণ কৰাৰ পাছত দ্বিতীয় দিনা 470-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰে। ইফালে, দ্বিতীয় দিনাৰ খেলৰ অন্তত চত্তিছগড়ে বেটিং কৰি প্ৰথম ইনিংছত পাঁচটা উইকেট হেৰুৱাইছিল 105 ৰাণৰ বিনিময়ত। আজি দলে হৰমীত সিঙৰ (149 বেটিং) শতকৰে পৰাজয় ৰোধ কৰাৰ বাবে যুঁজ দি খেলে আৰু 261-8 ৰাণ কৰিছে যদিও এতিয়াও 209 ৰাণ পিছ পৰি থকাত ফল'অনৰ শংকা আঁতৰি যোৱা নাই। উল্লেখ্য যে মেচখনত তামিলনাড়ুৰ হৈ বাবা অপৰাজিত (166] আৰু বাবা ইন্দ্ৰজিতে (127] শতক অৰ্জন কৰে। ইয়াৰপূৰ্বে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিল্লী আৰু তামিলনাড়ুৰ মাজৰ ৰঞ্জী ট্ৰফীৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হৈছে যদিও দিল্লীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে তামিলনাড়ুই। আনহাতে, চত্তিছগড়ে প্ৰথম মেচত ঝাৰখণ্ডক হৰুৱাই ছয় পইণ্ট লাভ কৰিছিল।

## ছিনিয়ৰ আৰ্চাৰীত শীৰ্ষত অসম আৰক্ষী




অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ২৬ ফেব্ৰুৱাৰী ঃ** অসম আৰ্চাৰী সন্থাৰ তত্বাৱধানত আৰু দৰং জিলা আৰ্চাৰী সংস্থাৰ উদ্যোগত মঙলদৈ মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা সদৌ অসম আন্তঃ জিলা ছিনিয়ৰ আৰ্চাৰী প্ৰতিযোগিতাত আজি দ্বিতীয় দিনা নটা পদক লাভ কৰি অসম পুলিচ শীৰ্ষ স্থানত আছে। এই প্ৰতিযোগিতাত অসম পুলিচ দলে চাৰিটা সোণ, তিনিটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে কামৰূপ মহানগৰ দলে তিনিটা সোণৰ পদকেৰে দ্বিতীয় স্থানত অৱস্থান কৰিছে। লগতে আয়োজক দৰঙে এতিয়ালৈ আজুৰিছে দুটা ৰূপৰ পদক । আজি হোৱা ইণ্ডিয়ান ৰাউণ্ডৰ মিক্সড দলগত প্ৰতিযোগিতাত অসম পুলিচৰ ৰীতা বসুমতাৰী, জৌচাৰাং বসুমতাৰী প্ৰথম, কোকৰাঝাৰৰ বিথৰাই ব্ৰহ্ম, নিজুমছা বৰগয়াৰী দ্বিতীয় আৰু ভেৰগাঁৱৰ জেৰিমিন দৈমাৰী, হলিৰাম বড়ো তৃতীয়া স্থান; দলগত পুৰুষ শাখাত তামুলপুৰৰ মহেশ্বৰ বড়ো, নীলমণি বড়ো, কণক বড়ো, অঞ্জন বড়ো প্ৰথম, হাইলাকান্দিৰ চন্দন বড়ো, হাওডোছা বড়ো, বাণেশ্বৰ বড়ো, হেমন্ত বড়ো দ্বিতীয় আৰু কোকৰাঝাৰৰ দীনেন্দ্ৰ মুছাহাৰী, চুমডম নাৰ্জাৰী, নিজুমচা বৰগয়াৰী, মিঠেশ্বৰ মুছাহাৰীয়ে তৃতীয় স্থান; মহিলা শাখাত অসম পুলিচৰ ৰীতা বসুমতাৰী, বীণামণি ৰাভা, অনিমা মাঝি, শান্তি তপ্ন প্ৰথম, ভেৰগাঁৱৰ জেৰিমিন দৈমাৰী, হাইনাশ্ৰী বড়ো, মিতালী বিশ্বাস দ্বিতীয়, কামৰূপ মহানগৰৰ ৰুক্মিণী মুছাহাৰী, ৰাধিকা বড়ো, স্মৃতি শৰ্মাই তৃতীয়; অলিম্পিক ৰাউণ্ডৰ পুৰুষ শাখাত অসম পুলিচৰ জৌচাৰাং বসুমতাৰী প্ৰথম, দৰঙৰ ৰাজেশ নাৰ্জাৰী দ্বিতীয়, অসম পুলিচৰ বিগ্ৰাই বড়ো তৃতীয় আৰু মহিলা শাখাত অসম পুলিচৰ ৰীতা বসুমতাৰী প্ৰথম, কামৰূপ মহানগৰৰ ৰুক্মিণী মুছাহাৰী দ্বিতীয় আৰু চিৰাঙৰ বুলি বসুমতাৰীয়ে তৃতীয় স্থান লাভ কৰে। আজি সন্ধিয়া হোৱা বঁটা বিতৰণ অনুষ্ঠানত এছিয়ান গেমচত ভাৰতক প্ৰতিনিধিত্ব কৰা অবিভক্ত দৰঙৰ জীয়ৰী, আৰ্চাৰী খেলুৱৈ প্ৰমীলা দৈমাৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## তাই আহোম ছাত্ৰ সন্থা চেম্পিয়ন



**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ২৬ ফেব্ৰুৱাৰী ঃ** মৰিয়নি প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি আয়োজন কৰা আন্তঃসংগঠন ক্ৰিকেট টুৰ্ণামেন্টত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ মৰিয়নি আঞ্চলিক সমিতি চেম্পিয়ন হৈছে । বাপুজী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেল খেলত আটাছুয়ে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ মৰিয়নি আঞ্চলিক সমিতিক 14 ৰানত পৰাজিত কৰে । প্ৰথমে বেটিঙৰ সিদ্ধান্ত লোৱা আটাছুৱে এটা উইকেট হেৰুৱাই 52 ৰান সংগ্ৰহ কৰে । বিপৰীতে আছাই 8 টা উইকেট হেৰুৱাই মাত্ৰ 38 ৰানহে কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে অনুষ্ঠিত হোৱা ছেমিফাইনেলত আটাছুৱে যোৱাবাৰৰ চেম্পিয়ন সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমক 6 ৰানত আৰু আছাই যোৱাবাৰৰ ৰানাৰ্ছ আপ বেংগলী যুৱ ছাত্ৰ ফেডাৰেছনক চুপাৰ অভাৰত তিনি ৰানত পৰাজিত কৰি ফাইনেলৰ যোগ্যতা অৰ্জন কৰে । ফাইনেল খেলখন উদ্বোধন কৰে মৰিয়নি ক্ৰীড়া সন্থাৰ সভাপতি তথা বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে।

## কহিগুৰি এফ চিৰ খিতাপ



**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৬ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ডিমৌ অঞ্চলৰ প্ৰাক্তন ফুটবলাৰ গনেশ ডেকাৰ তত্ত্বাবধানৰ ডিমৌ ফুটবল কোচিং চেণ্টাৰৰ উদ্যোগত অনুষ্ঠিত কিনাৰাম হাজৰিকা সোঁৱৰণী প্ৰাইজমানি আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত কহিগুৰি ফুটবল ক্লাবে বিজয়ী খিতাপ অৰ্জন কৰিছে। ডিমৌ চাৰিআলিৰ সমীপৰ খেলপথাৰত আজি এদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাৰ ফাইনেলত কহিগুৰি এফ.চি.য়ে নগাঁও অক্সল্ড ষ্টাৰ দলক 4-1 গ'লত পৰাজিত কৰে। কহিগুৰি এফ.চি.ৰহৈ মাধৱ কোঁৱৰে দুটা,মৃদুল দাস আৰু বিনোদ বৰদলৈয়ে এটাকৈ গ'ল দিয়াৰ বিপৰীতে নগাঁও অক্সল্ড ষ্টাৰৰহৈ দীপ পাটৰে একমাত্ৰ গ'লটো দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী কল্যাণ বৰুৱাক সহায় কৰে বিমল দাস,পৰাগমনি বৰদলৈ আৰু পবিত্ৰ বৰাই। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা ফাইনেল খেলখনৰ অন্তত প্ৰিশান্ত কুমাৰ বৰা, উমেশ চন্দ্ৰ দাস, সমীৰ হাজৰিকা, ভূপেন হাজৰিকা, প্ৰদীপ হাজৰিকা, গৌতম বৰুৱা, বিমল ডেকা,যতীন ডেকা,সুৰেশ ডেকা,গনেশ ডেকা,দিগন্ত পাটৰ, জয়ন্ত মুদৈ,মনোজ কলিতা আৰু অমিয় বৰদলৈ আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে।

